# ষষ্ঠদশ অসম বিধানসভাৰ

## বাজেট অধিবেশন

কাৰ্যবিৱৰণী (অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

তাৰিখঃ ০৮/০৭/২০২৬ বুধবাৰ

পূৰ্ব্ব নিৰ্দ্ধাৰিত সময়সূচী মতে আজি ইংৰাজী ০৮-০৭-২০২৬ তাৰিখে অসম বিধান সভাৰ বাজেট অধিৱেশনৰ কাৰ্য্যসূচী ৰাতিপুৱা ৯-৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষঃ** Question No. 41. ড° জয় প্ৰকাশ দাস।

**শ্ৰী সুশান্ত বৰগোঁহাই (মন্ত্ৰী, জলসম্পদ বিভাগ) :** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**ড° জয় প্ৰকাশ দাস (নাওবৈচা) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী সুশান্ত বৰগোঁহাই ডাঙৰীয়াই দিয়া উত্তৰ আমি পাইছো। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে সোৱণশিৰি নদীখন লক্ষীমপুৰ জিলাৰ বাবে আশীৰ্বাদ । কিন্তু NHPC বান্ধ হোৱাৰ পিছত এই সোৱণশিৰি নদীখন কেতিয়াবা কেতিয়াবা আমাৰ কাৰণে অভিশাপৰ নিচিনা হৈছে, লগতে আমাক কন্দুৱাইছে। বিশেষকৈ এতিয়া নতুনকৈ হোৱা এটা সমস্যা যিটো আগতে আমি ভাবিছিলো যে NHPC টো আমাৰ বাবে এটা জলবোমা হয়। কিন্তু এতিয়া যেতিয়াই NHPC য়ে পানী এৰি দিয়ে তেতিয়া এটা অভূতপূৰ্ব ঘটনা ঘটিছে যে যিদিনা পানী এৰি দিয়ে সোৱণশিৰিৰ দুয়োপাৰে বিশেষকৈ ঘূণাসুতি,নাহৰণি, বালিভেটা, কলিয়নী, উজমতলি, মধুপুৰ, অৰিয়মতোলা আৰু পূৱ তালাহী, গোৱালবাৰী, বালিগাঁও, ন-আলি, এচাৰ গাঁও, ডফলাকটা, পানীগাঁও অঞ্চলৰ খগা, চন্দ্ৰপুৰ, হালধিআটী, মুদৈবিল, কাহীধোৱা, ৰঙানদী, পকনীয়া, ধুনাগুৰিৰ দুইপাৰ বিশেষকৈ পুৰণি বাগৰাৰ পৰা গনচৰালৈ, দক্ষিণপাৰৰ কানীয়াজান, কুংকুৰ, পাভভেকেলীয়া, অনিবাৰী আৰু লক্ষীমপুৰৰ ১নং মহাইজান অঞ্চলবিলাকত সাংঘাতিক ভাবে গৰাখহনীয়া হৈছে, একেদিনাই ১০০-১৫০ মিটাৰ পৰ্য্যন্ত সোমাই গৈছে। বিশেষকৈ আমি দেখিছো যে NHPC য়ে য'ত য'ত কাম কৰিছে আৰু অসম চৰকাৰে য'ত য'ত কাম কৰিছে, কাম কৰা শেষ কৰাৰ লগে লগে যিদিনা পানী এৰে, পানী এৰাৰ লগে লগে ১০০-১৫০ মিটাৰ পৰ্য্যন্ত সোমাই যোৱাৰ ফলত সেই অঞ্চলৰ মানুহ বহুত শংকিত হৈছে। আগতেও আমি এই জলবোমাটোক লৈ ভয় খাইছিলো। কিন্তু এতিয়া ভয় খোৱাৰ কাৰণটো বেলেগ হৈছে যে পানী এৰাৰ লগে লগে শ-শ গাঁও সোৱণশিৰিত জাহ গৈছে আৰু এইটো এটা সাংঘাতিকভাৱে ভয় খোৱা পৰিৱেশৰ সৃষ্টি হৈছে । সোৱণশিৰিয়ে নিজৰ চৰিত্ৰ সলনি কৰিছে। সেইকাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে য'ত য'ত হোৱা নাই তাৰকাৰণে এতিয়া চৰকাৰে কিবা

পদক্ষেপ ল’ব নেকি ? যদি পদক্ষেপ লয় NHPC য়ে ল’ব নে চৰকাৰে ল’ব ? এইখিনিৰ বিষয়ে বিশদভাৱে জনাবলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ :** Minister, reply please.

**শ্ৰী সুশান্ত বৰগোঁহাই (মন্ত্ৰী, জলসম্পদ বিভাগ) :** মাননীয় বিধায়ক জে পি দাস ডাঙৰীয়াই যিখিনি কথা সুধিছে ইয়াত আমি NHPC ক লৈও জীয়াই থাকিব লাগিব আৰু তাৰ downstream ৰ যিখিনি ব্যৱস্থাপনা সেইখিনিও কৰি যাব লাগিব। তাৰকাৰণে NHPC আৰু জলসম্পদ বিভাগে যোৱা সময়খিনিত এই অঞ্চলটোৰ ৫০ কিমিত আমি বিভিন্ন শিতানত আঁচনি লৈছো আৰু তাৰ Annexure দিয়া গৈছে আৰু যিকেইখন গাঁৱৰ কথা কৈছে সেই গাঁওসমূহতো ভৱিষ্যতে যাতে NHPC য়ে যেতিয়া পানী এৰে সাধাৰণতে যিখন নদী সেই নদীখনে তেনেদৰে বিভীষিকাময় পৰিৱেশৰ সৃষ্টি নকৰে। কিন্তু যেতিয়া পানী এৰে বা যেতিয়া অধিক বৰষুণ দিয়ে তেতিয়া কেতিয়াবা এনেধৰণৰ ঘটনা হয়। কিন্তু তাৰ পিছতো আমাৰ চৰকাৰখনে NHPC ৰ লগত আলোচনা মৰ্মে NHPC য়ে পানী এৰাৰ আগ মুহূৰ্তত আমাক জনায় বা alarm ৰ ব্যৱস্থা কৰা হৈছে, যাৰ যোগেদি আমি downstream ত থকা যিসকল মানুহ সেইসকলক সুৰক্ষিত কৰিব পৰা অৱস্থালৈ এতিয়া আহিছো। এটা সময়ত যেতিয়া ভয়ংকৰ বৰষুণ হ’লে বা NHPC য়ে গেট খোলে সোৱণশিৰি নদী বা ৰঙানদীত এটা ভয়ংকৰ পৰিৱেশ আমি দেখিবলৈ পাইছিলো। কিন্তু এইবাৰ দুখনকৈ গেট খোলাৰ পিছতো আমি ৰঙানদীত এনেধৰণৰ পৰিৱেশ দেখা নাপালো। কিন্তু সোৱণশিৰিত কৰিবলগীয়া কিছু কাম আছে যিখিনি আমাৰ বিধায়ক মহোদয়ে কৈছে । আমি কেৱল উত্তৰ লক্ষিমপুৰত জিলাতে এতিয়ালৈকে বিভিন্ন শিতানত আমাৰ প্ৰায় ১০১ কোটি টকাৰ SOPD তাৰ পিছত RIDF, NIDA, PDNA আদি বিভিন্ন আঁচনিৰ যোগেদি কিছু estimate আমি তৈয়াৰ কৰিছো আৰু আমি ভাবিছো আৰু এই কামখিনি আমি কৰি আছো। এই কামবোৰ সম্পূৰ্ণ হোৱাৰ পিছতো আপোনালোকে যিখিনি অঞ্চলত দেখিছে যে মানুহৰ মাটি –সম্পত্তিৰ প্ৰতি শংকা আহিছে আৰু নদীখন ভিতৰলৈ সোমাই আহিছে তাত যদি protection work কৰিবলগীয়া আছে আমাক জনাব, আমি তেনেধৰণে protection work কৰিম আৰু আপুনি কোৱাৰ পিছত আমাৰ যি বিভাগীয় কৰ্তৃপক্ষ আৰু শীৰ্ষ বিষয়া সকল আছে তেওঁলোককো জনাম যে ক’ত ক’ত কাম কৰিব লগীয়া আছে আৰু সেই কামখিনি কৰিম। এটা কথা আপোনালোকে শুনি ভাল পাব যে বহুত দিনৰ মূৰত এই জলসম্পদ বিভাগটোৱে ৰাইজৰ ওচৰত সাহসেৰে কাষ চাপিব পৰা এটা পৰিৱেশ হ’ল। কাৰণ আগতে যেতিয়া বানপানী হয় ৰাইজৰ ওচৰলৈ যাওঁতে বিভিন্ন তৰ্ক-বিতৰ্কৰ পৰা আৰম্ভ কৰি বিষয়াসকলেও বহুত ভয়-শংকাত যাবলগীয়া হৈছিল। আমি মন্ত্ৰীসকলেও বানাক্ৰান্ত অঞ্চল সমূহ গৈ পাওঁতে বহু দেৰি হৈছিল। কিন্তু আজিৰ দিনত

যেতিয়াই য'ত বানপানী হয় আমি সেই অঞ্চলত থিয় হৈ ৰাইজৰ লগত সুৰক্ষিত অৱস্থাৰ কাৰণে কাম কৰিব পৰা এটা পৰিৱেশ হ'ল। ২৪ ঘন্টাই আমাৰ প্ৰয়োজনীয় সামগ্ৰী বিলাক মজুত হৈ থাকে বা আমাৰ যিখিনি অৰ্থনৈতিকভাৱে আমি যিখিনি কৰিব লাগে জিলাই-জিলাই সেইখিনি কৰো আৰু এনেধৰণৰ পৰিৱেশৰ পৰা আমি ৰাইজক সুৰক্ষিত কৰিব পৰা অৱস্থা আজিৰ দিনত আমাৰ জলসম্পদ বিভাগটোৰ হ'ল। ধন্যবাদ।

**माननीय অধ্যক্ষ :** Supplementary.

**ড° জয় প্ৰকাশ দাস (নাওবৈচা) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিছো যে ৰঙানদী খনে বিশেষকৈ আমাৰ আমতোলা মাজৰ চাপৰি অঞ্চলত সদায় বানৰ সংহাৰ কৰি থাকে আৰু যোৰাবাৰো কৰিছিল। মাননীয় মুখ্যমন্ত্ৰী মহোদয় সেই ঠাইত গৈ উপস্থিত হৈছিল। কিন্তু জলসম্পদ বিভাগক সেই অঞ্চলৰ প্ৰায় ২০-২৫খন গাঁৱে বিগত ১০-১৫ বছৰৰ পৰা অনুৰোধ কৰি আছে যে এই যিটো আলফা মথাউৰি বুলি কোৱা হয় সেই মথাউৰিটো ভালদৰে বনাই দিব লাগে। কিন্তু চৰকাৰে কোনো ধৰণৰ পদক্ষেপ নলয়। লগতে ৰঙানদীৰ সিটো পাৰে যিখন বনগাওঁ ৰিংবান্ধ বুলি কোৱা আছে তাতো উন্মুক্ত হৈ আছে। সেইফালেও বনগাওঁ, দুৱাৰপাৰা, শান্তিপুৰ, মৰোৱাল এনেকৈ ২০-২৫ খন অনুসূচিত জাতি-জনজাতিৰ গাওঁ আছে কিন্তু এই গাওঁবিলাকৰ মানুহবোৰক NEEPCO য়ে alarm টো দি তেখেতসকলক জনাই দিলেই নহ'ব, সেই মানুহখিনিক সুৰক্ষিত কৰিব লাগিব। সেইকাৰণে চৰকাৰে কি ব্যৱস্থা কৰিব সেইটো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। লগতে আমতলা মাজৰ চাপৰি অঞ্চলত যোৰাবাৰ পানী হওঁতে মাননীয় মুখ্যমন্ত্ৰী মহোদয় গৈ আশ্বাস দিছিল যে সেই অঞ্চলৰ সকলো ৰাইজক ক্ষতিপূৰণ দিম বুলি। কিন্তু আমি যিমান দূৰ জানো এতিয়ালৈ কোনো ক্ষতিপূৰণৰ ব্যৱস্থা হোৱা নাই। এই ক্ষতিপূৰণ কেতিয়া দিব সেইটোও যদি মাননীয় মন্ত্ৰী মহোদয়ে জনায় নথৈ আনন্দিত হ'ম।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে। সন্মানীয় মন্ত্ৰী।

**শ্ৰী সুশান্ত বৰগোঁহাই (মন্ত্ৰী, জলসম্পদ বিভাগ) :** মাননীয় অধ্যক্ষ মহোদয়, এইবাৰ অৰুণাচলত যেতিয়া cloud burst ৰ ঘটনা ঘটিছিল আমি ৰঙানদী অঞ্চললৈ ভ্ৰমণ কৰিছিলো আৰু তেতিয়া আমি দেখিছিলো যে P&RD য়ে কিছুমান ৰিংবান্ধ বনায়, সেইবিলাক আমাৰ Water Resource বা জলসম্পদ বিভাগে চোৱা-চিতা নকৰে। জলসম্পদ বিভাগৰ যিবিলাক মথাউৰি, সেই মথাউৰি বিলাক সাধাৰণতে নদীখনৰ পৰা ৩০০ মিটাৰ মানৰ দূৰত বনায়। কিন্তু যিহেতু মানুহবিলাকে ভিতৰত ঘৰবিলাক ল'বলৈ আৰম্ভ কৰিছে, নদীৰফালে ঘৰ বিলাক ল'বলৈ আৰম্ভ কৰিছে ,সেইকাৰণে আমি বিভিন্ন আঁচনিত P&RD বা অন্যান্য শিতানত সৰু সৰু

কিছুমান ৰিংবান্ধ দিওঁ, সেই ৰিংবান্ধ বিলাকৰ দায়িত্ব সাধাৰণতে জলসম্পদ বিভাগৰ নাথাকে। কিন্তু তথাপিও ৰাইজ যাতে সুৰক্ষিত হৈ থাকিব পাৰে তাৰ বাবে আমাৰ এই ৰিংবান্ধসমূহৰ ভিতৰ অঞ্চল বিলাকতো কেতিয়াবা আমাৰ গৰাখহনীয়া হ'লে আমি তাৰ কামবিলাক কৰো যাতে ৰাইজে তাত সুৰক্ষিত হৈ থাকিব পাৰে। এটা কথা আপোনালোকে যিখিনি আমাৰ সাহাৰ্য্যৰ কথা কৈছিল, সেই সাহাৰ্য্য দৰাচলতে জলসম্পদ বিভাগৰ ভিতৰত নপৰে, সেইটো ৰাজহ বিভাগৰ অধীনত পৰে। আপুনি ৰাজহ বিভাগৰ পৰা সেইকথাবোৰ তথ্যসহকাৰে জানিব পাৰিব যে আচলতে কি পৰিৱেশত দিয়া হৈছে বা দিয়া হোৱা নাই। কিন্তু মই আপোনালোকক এটা কথা ক'ম যে আমাৰ যদিও মথাউৰিসমূহ ডাঙৰ যিবোৰ END মথাউৰি, জলসম্পদৰ মথাউৰি তাৰউপৰিও ৰিং বান্ধ কিছুমান নিজে নিজে তৈয়াৰ কৰে যাতে পানীয়ে কিছু তেওঁলোকক বচাই ৰাখিব পাৰে। সেই ৰিং বান্ধসমূহক লৈ আমি এতিয়া কিছু study কৰিছো যাতে ৰিং বান্ধসমূহ যাতে আমি strengthening কৰিব পাৰো, ৰাইজক যাতে সুৰক্ষিত কৰিব পাৰো তাৰবাবেও আমি কাম কৰিছো। কিন্তু সাধাৰণতে আমি যিসকল বিধায়ক তাত আছো বা যিসকলে প্ৰতিনিধিত্ব কৰো সচৰাচৰ আমি চাব লাগে যাতে ৰিং বান্ধটো নদীৰ কাষত যিহেতু আমাৰ ৰঙানদী আৰু সোৱণশিৰিত সততে বানপানী আহে, সেই সময়ছোৱাত আমি ৰাইজক সদায় সচকিত কৰি ৰাখিব লাগে যে সেই সময়ছোৱাত তেওঁলোক যাতে নদীখনৰ ভিতৰৰ ফালে নাথাকে। এইটোও আমি বুজি পাওঁ যে মাটি-বাৰীৰ কিছু সমস্যা থাকে। আমাৰ কিছুমান indigenous মানুহ থাকে যিসকল নদীৰ পাৰত থাকে, তেওঁলোককো সুৰক্ষিত কৰিব লাগিব। ইয়াৰ বাবে আমি কিছু আঁচনি লৈছো যে এটা embankment ৰঙানদীৰ পৰা একেবাৰে ৰে'লৰে লাইন হৈ ব্ৰীজ হৈ প্ৰায় আমাৰ ইয়াত ৪ কোটিৰে SOPD ৰ এটা আঁচনি লোৱা হৈছে আৰু bridge closing ৰ বাবে ৮ কোটি টকাৰে এখন আঁচনি লোৱা হৈছে আৰু এই কামখিনি সম্পূৰ্ণ হ'লে নিশ্চয় ৰাইজ উপকৃত হ'ব।

**ড° জয়প্ৰকাশ দাস (নাওবৈচা) :** ৰে'লৰে লাইনতো আমাৰ নাওবৈচাত নপৰিব নেকি !

**শ্ৰী সুশান্ত বৰগোঁহাই (মন্ত্ৰী, জলসম্পদ বিভাগ) :** ৰে'লৰে লাইনৰ পৰা আৰু downstream ত যাব। কিছুমান নদীৰ ক্ষেত্ৰত ইয়াত যদি

গৰাখহনীয়া হয় তেন্তে upstream ত নিয়ন্ত্ৰণ কৰিলেহে downstream ত সুৰক্ষিত হয়।

**মাননীয় অধ্যক্ষ :** এতিয়া মাননীয় সদস্য ভূপেন বৰা ডাঙৰীয়াই কওঁক।

**শ্ৰী ভূপেন বৰা, বিধায়ক (বিহপুৰীয়া) :** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ লখিমপুৰ জিলাৰ নাওঁবৈচা, বিহপুৰীয়া, ৰঙানদীৰ বানপানীৰ সমস্যা অসমৰ বানপানীৰ সমস্যাৰ লগত সুকীয়া।

এটা কাৰণ হৈছে, আমাৰ প্ৰকৃতিগতভাৱে যি প্ৰবল বৰষুণ আৰু বানপানী হয় তাৰ বাবে আমি ভুক্তভোগী হওঁ। আমাৰ জিলাখনৰ যি উজনি অংশ তাত দুটা বৃহৎ প্ৰকল্প আছে। এটা হৈছে- প্ৰায় ২০০০ মেগাৱটৰ সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্প আৰু আনটো প্ৰায় ৪০০ মেগাৱটৰ ৰঙানদী জলবিদ্যুৎ প্ৰকল্প। মই এইবাৰ বিধায়ক হোৱাৰ পিছত অলপ আশ্বস্ত হ'লো যে যিদিনাখন ৰঙানদী জলবিদ্যুৎ প্ৰকল্পই হঠাৎ ৫ খন গেট খুলিছিল, মোক ৰাতিপুৱা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আমাক আৰু ৰাইজক অলপ সজাগ হৈ থাকিবলৈ পৰামৰ্শ দিছিল। মোৰ ভাল লাগিল যে আমাৰ চৰকাৰখনে এই পৰিস্থিতি সম্পৰ্কে সম্পূৰ্ণ জ্ঞাত। মই এইটোও স্বীকাৰ কৰিম যে যেতিয়া ৰঙানদীৰ গেট খুলিলে তাৰ ফলত পানী বাঢ়িল আৰু প্ৰবল গৰাখহনীয়া হ'ল। তেতিয়া আমাৰ জলসম্পদ আৰু ৰাজহ বিভাগৰ মাননীয় মন্ত্ৰী দুগৰাকীয়ে তৎকালীনভাৱে সেই ঠাই ভ্ৰমণ কৰিলে। তাৰ আগতেও মই দেখিছো যে য'ত য'ত নদীবান্ধৰ পানী হঠাৎ মোকলাই দিয়াৰ বাবে ভাবুকি আহে সেই ভাবুকি অহা কেইবাটও অংশত ইতিমধ্যে বেদেতি বা জামুগুৰিয়েই কওঁক তাত জিঅ' টিউবৰ কাম চলি আছে। কিন্তু মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে এই বিষয়টোত নদীৰ গেট খোলা আৰু বাৰিষা সময়ত কৰা আলোচনাৰ পৰা আমি উৰ্দ্ধলৈ উঠি মাননীয় মন্ত্ৰী মহোদয়ে যদি জিলাখনৰ বিভাগীয় বিষয়া, ৰাজহ বিভাগ আৰু সেই অঞ্চলৰ স্থানীয় বিধায়ক আৰু সাংসদ সকলক একেলগে লৈ আলোচনা কৰিলে ভাল হয়। তেখেতে অৱশ্যে এই বিষয়ে কৈছে যে ভৱিষ্যতে তেখেতসকলে এই বিষয়ে চিন্তা কৰিব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, তিনিধৰণৰ ভৱিষ্যৎ থাকে। এটা হৈছে নিকট ভৱিষ্যত, এটা হৈছে দূৰ ভৱিষ্যত আৰু এটা হৈছে তৎকালীন ভাৱিষ্যত। মই ভাৱো যে এই ক্ষেত্ৰত বহু বেছি দূৰ ভৱিষ্যতৰ কথা নকৈ আমাৰ নতুন মন্ত্ৰীগৰাকীয়ে লখিমপুৰলৈ আহি সোৱনশিৰি নদীবান্ধ আৰু ৰঙানদী নদীবান্ধৰ পৰা নামনি অংশত বাস কৰা মানুহৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থত এটা হ্ৰস্বম্যাদী পৰিকল্পনা লোৱাৰ বাবে আশা কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া, উত্তৰ দিয়ক।

**শ্ৰী সুশান্ত বৰগোঁহাই, মন্ত্ৰী, জলসম্পদ আৰু ন্যায় ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মই সদনক জনাব বিচাৰিছো যে মাননীয় সদস্য ভূপেন বৰা ডাঙৰীয়াৰ অঞ্চলটোত আমি প্ৰায় ৪২ কোটি টকাৰ আঁচনি এটা হাতত লোৱাৰ ব্যৱস্থা কৰিছো। যোৱা সময়ছোৱাত এই দুটা অঞ্চলত ৰঙানদী আৰু জোনাইৰ আশে-পাশে ৪-৫ খন নদীত বিধ্বংসী যি বানপানী হ'ল তাৰ দুদিনৰ পিছতে মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় গৃহমন্ত্ৰী ডাঙৰীয়াই মাননীয় শিৱৰাজ সিং ডাঙৰীয়াক ইয়ালৈ পঠিয়ালে। তেওঁলোকে দুয়োটা ফালেই চালে। আপুনি যি downstream ৰ কথা কৈছে, তাত যি ক্ষয়-ক্ষতি হৈছে আৰু ইয়াক আমি কোনেদৰে সুৰক্ষিত

কৰিব লাগিব তাৰ ইতিমধ্যে আমি এষ্টিমেট বনাইছো আৰু কি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব সেই সকলোখিনি আমি বিশদভাৱে জনাইছো। আমি আশা কৰিছো যে অতি কম দিনৰ ভিতৰত আমাৰ জলসম্পদ বিভাগে যিটো ভাৱিছে অনতি পলমে আমি কৰিব পাৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় সদস্য ঋষিৰাজ হাজৰিকা।

**শ্ৰী ঋষিৰাজ হাজৰিকা, (ৰঙানদী) :** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু নামনি সোৱনশিৰি জলবিদ্যুৎ প্ৰকল্প আৰু ৰঙানদীৰ বিষয়টো আহিছে আৰু মই ও যিহেতু ৰঙানদীৰ বিধায়ক, সেই হিচাপে আমি দেখিবলৈ পাইছো যে যেতিয়া NHPC ত পানী এৰে তেওঁলোকৰ এটা Central Alarm System ৰ ব্যৱস্থা আছে। তেওঁলোকে চেন্ট্ৰেলি এলাৰ্মটো বজায়। যাৰ কাৰণে ৰাইজ সতৰ্ক হয়। কিন্তু আমাৰ ৰঙানদীৰ নিপকোৰ যি Alarm System সেইটো mannual. এইবাৰ তেওঁলোকৰ পাৱাৰ চিষ্টেম উৰি গ'ল। যাৰ কাৰণে তেওঁলোকে প্ৰায় ডেৰ ঘণ্টা সময় লয়। আমাৰ জিলা আয়ুক্ত সতৰ্ক হৈ থকাৰ বাবে কথমপি বাচিছো। নহ'লে তেওঁলোকে মেনুৱেলি দিয়াৰ ফলত আমাৰ নদীকাষৰীয়া অঞ্চলসমূহত খবৰ আহোতে যথেষ্ট পলম হয়। এইবাৰ আমি জিলা প্ৰশাসনৰ দ্বাৰা ব্যৱস্থা গ্ৰহণ কৰিছো যদিও আমি বিধান সভাৰ জৰিয়তে নিপকোলৈ আহ্বান কৰিব লাগে যে তেওঁলোকৰ যাতে Central Alarm System হয়। যাৰ জৰিয়তে গেট খোলাৰ লগে লগে শেষৰখন গাওঁলৈ যাতে এই খবৰটো গৈ পায়। ইয়াৰ লগতে মই আৰু এটা কথা ক'ব বিচাৰিছো যে নিপকোৰ গেট খোলাৰ ফলত বা বানপানীৰ ফলত আটাইতকৈ বেছি ক্ষতি হোৱা অঞ্চলসমূহ ৰঙানদী বা নাওঁবৈচাৰ তলৰ অঞ্চল। কিন্তু যোৱা ২০-৩০ বছৰে নিপকোৰ যি CSR Activity আছে, সেই নিপকোৰ Activity সমূহ আমাৰ সেই অঞ্চলসমূহত কৰা দেখা পোৱা যোৱা নাই। তাৰ পৰিৱৰ্তে তেওঁলোকে অসম বা উত্তৰ-পূৰ্ব্বাঞ্চলত কৰে। তাত আমাৰ কোনো অসুবিধা নাই। কিন্তু নাওঁবৈচা আৰু ৰঙানদীৰ অঞ্চলসমূহ বানৰ ফলত আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হয়। সেয়েহে মই ভাৱো যে অনাগত দিনত CSR Activity সেইবোৰ অঞ্চলত বেছিকৈ হয় আৰু সেই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী সুশান্ত বৰগোঁহাই, মন্ত্ৰী, জলসম্পদ আৰু ন্যায় ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, গোটেই কথাখিন মাননীয় সদস্য ঋষিৰাজ ডাঙৰীয়াই ক'লে। আমাৰ জিলা কৰ্তৃপক্ষৰ লগতো এই বিষয়ে আলোচনা কৰিছিলো আৰু পৰৱৰ্তী পৰ্য্যায়ত Central Alarm System ৰ বিষয়ে আলোচনা কৰা হ'ব। কিন্তু CSR Activity ৰ বিষয়টো আমাৰ বিভাগৰ নহয়। ৰঙানদীৰ ওপৰত

আমাৰ বিভাগৰ পৰা কি কৰা হ'ব সেই বিষয়ে তেখেতৰ লগত আলোচনা কৰি কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে  আৰু CSR Activity টো যিটো বিভাগে চোৱা-চিতা কৰে সেই বিষয়টো মাননীয় বিধায়ক গৰাকীয়ে তেওঁলোকৰ লগত আলোচনা কৰিলে প্ৰকৃত তথ্য আৰু সুবিধাখিনি পাব।

**মাননীয় অধ্যক্ষ** : মাননীয় সদস্য ঋষিৰাজ হাজৰিকা ডাঙৰীয়া, মই এটা কথা ক'ব বিচাৰিছো যে CSR Activity টো সাধাৰণতে উপায়ুক্ত সকলে অনুৰোধ কৰে। সাধাৰণতে আমাৰ District Mineral Fund  ৰ কামবোৰ ক্ষতিগ্ৰস্ত অঞ্চলতহে কৰা হয়। তেওঁলোকৰ নিৰ্দ্দিষ্ট গাইড লাইন আছে। সেয়েহে নিশ্চিতৰূপে CSR Activity ৰ কামখিনি তাত যাতে কৰে  তাৰ বাবে আপুনি উপায়ুক্তৰ জৰিয়তে এখন চিঠি লিখক। এতিয়া প্ৰশ্ন নং ৪২। মাননীয় সদস্য আমিনুল হক লস্কৰ ডাঙৰীয়া।

**শ্ৰী সুশান্ত বৰগোঁহাই, মন্ত্ৰী, জলসম্পদ আৰু ন্যায় ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল হক লস্কৰ, (সোণাই) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক মই যিটো প্ৰশ্ন সুধিছিলো তাৰ উত্তৰ দিছে। কিন্তু মই তেখেতৰ উত্তৰত সন্তুষ্ট নহয়। মই কৈছিলো যে আমজুৰত যিটো আশ্ৰয়স্থল আছে, সেই আশ্ৰয়স্থলটো জলসম্পদ বিভাগৰ। ইয়াত যিটো ৰিপোৰ্ট আহিছে তাত কোৱা হৈছে যে এইটো জলসম্পদ বিভাগৰ নহয়। ১৯৮৫-৮৬ চনত যেতিয়া ভয়াৱহ বানপানী হৈছিল তেতিয়া বানপীড়িত মানুহবিলাকে মঠাউৰিৰ ওপৰত আশ্ৰয় লৈছিল। তেতিয়া যিজন তৎকালীন উপায়ুক্ত আৰু স্থানীয় মন্ত্ৰী আছিল তেখেতসকলে এটা স্থায়ী শিবিৰ স্থাপন কৰাৰ কথা কৈছিল। তেতিয়া আমজুৰত জলসম্পদ বিভাগে এটা আশ্ৰয় শিবিৰ কিৰছিল৷ কিন্তু সেই আশ্ৰয় শিবিৰত এতিয়া কোনো মানুহে ৰাইচ মিল বহাইছে, দোকান খুলিছে। তেওঁলোকে এইটো দখল কৰি আছে। এতিয়া বানপানী হ'লে মানুহৰ আশ্ৰয় লোৱাৰ ঠাই নাই। কাছাৰত বানপানী হ'লে আটাইতকৈ সোণাই সমষ্টি ক্ষতিগ্ৰস্ত হয়। কাৰণ বৰাক নদীখন ৩০ কিলোমিটাৰ সোণাই সমষ্টি হৈ আহিছে। লক্ষীপুৰৰ ৰেষ্ট শিঙৰিবন্দৰ পৰা বেতুকান্দি লৈ ৩০ কিলোমিটাৰ বৰাক নদী আছে  আৰু সোণাই নদী, আমজুৰ নদী, ৰুকণি নদী আৰু শ্ৰীনদী এই ৪ খন উপ-নদী  সোণাই নদীত লগলাগিছে।  সেয়েহ বানপানী তাত অতি বেছি হয়।  যদিও কোৱা হৈছে যে জলসম্পদ বিভাগৰ আশ্ৰয় শিবিৰ নাথাকে কিন্তু যিসমূহ আশ্ৰয় শিবিৰ জলসম্পদ বিভাগে কৰিছিল, সেই সমূহ বেদখল মুক্ত কৰিব নে ? মাননীয় মন্ত্ৰী ডাঙৰীয়াই এইখিনি কৰাৰ ব্যৱস্থা কৰিলে অতি ভাল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** : ধন্যবাদ। মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী সুশান্ত বৰগোঁহাই, মাননীয় মন্ত্ৰী, জলসম্পদ আৰু ন্যায় ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক আমিনুল হক লস্কৰ ডাঙৰীয়াই যিখিনি কথা আমাক জনাইছিলে, সেই সম্পৰ্কে মই ক'ব বিচাৰিছো যে আচলতে জলসম্পদ বিভাগৰ বান শিবিৰ নাথাকে। বানৰ সময়ত কেতিয়াবা আয়ুক্ত মহোদয়ে সহায় বিচৰাৰ কাৰণে বান শিবিৰটো নিৰ্মাণ কৰাৰ কাৰণে জলসম্পদ বিভাগে সহায় কৰি দিয়ে। কিন্তু তাৰ বাবে বানাক্ৰান্ত লোকক দিয়া যি আৰ্থিক অনুদান সেইখিনি জিলা আয়ুক্তই দুৰ্য্যোগ প্ৰশমন বিভাগৰ দ্বাৰা কৰে। মই নাজানো সেই সময়ত যদি কোনোবাই শিবিৰ পাতিছে, শিবিৰটো পাতাত সহায়হে কৰিছিল। শিবিৰ পতাত সহায় কৰি দিয়াৰ কাৰণটো হ'ল যে যিহেতু জলসম্পদ বিভাগৰ কৰ্মচাৰী সকল বানপানীৰ সময়ত অহৰহ তাত থাকে। সেইকাৰণে হয়তো আয়ুক্ত মহোদয়ে কোৱাৰ কাৰণে শিবিৰটো তাত পাতি দিছে। কিন্তু শিবিৰৰ দায়িত্বটো জলসম্পদ বিভাগৰ নাথাকে আৰু ইয়াতে যিটো এনক্ৰ'ছমেণ্টৰ কথা কৈছে, যিটো আপোনাৰ প্ৰশ্নৰ পৰা মই জানিব বিচাৰিছোঁ যে জলসম্পদৰ মথাউৰিৰ ওপৰতে কোনোবা এজনে হয়তো কিবা এটা ষ্ট্ৰাকচাৰ বনাইছে বুলি কৈছে, সেইখিনি আমি আমাৰ জলসম্পদ বিভাগৰ পৰা এখন চিঠি লিখি আয়ুক্ত মহোদয়ে যাতে জলসম্পদৰ মথাউৰিটো মুকলি কৰে, তাৰ বাবে আপোনাৰ পৰাও সহায় বিচাৰিম আৰু আয়ুক্ত মহোদয়ৰ পৰাও সহায়খিনি বিচাৰিম। ইয়াৰ পিছতে আপুনি এটা কথা তাত বেতুকান্দি শ্লুইচ গেটখনৰ কথা কৈছিলে। এতিয়া বেতুকান্দি শ্লুইচ গেটখনতো মাটি অধিগ্ৰহণ কৰিব পৰা হোৱা নাই। ইয়াতে পইচা পাতি দিয়া আছে, আয়ুক্ত মহোদয়ৰ ওচৰত গোটেইখিনি জমা আছে, কিন্তু তাতে আপোনালোকৰ যিখিনি মাটি আমাক প্ৰয়োজন আছে, সেই মাটিখিনিৰ পৰা মানুহখিনি উঠি যোৱা নাই। আমি কেতিয়াবা এনে পৰিৱেশলৈ যাব পৰা যায়, কিন্তু তাত কেতিয়াবা এটা ভাল পৰিৱেশ নহব পাৰে। সেইকাৰণে মই বিধায়ক মহোদয়ক অনুৰোধ জনাইছোঁ যে এই শ্লুইছ গেটখনৰ জৰিয়তে আপোনালোকৰ পানী নিষ্কাষণৰ সমস্যাটো সম্ভৱ হবগৈ। যিহেতু ইয়াত টেণ্ডাৰো হৈ গৈছে, তাতে আপোনাৰ কাম কৰিবৰ কাৰণে সকলো ৰেডি আছে। খালী মাটি অধিগ্ৰহণৰ ক্ষেত্ৰত আমি যদি বেছি জোৰজবৰদস্তি কৰিবলগীয়া হয়, তেতিয়াকৈ কৰবাত এটা পৰিৱেশ হ'ব পাৰে। সেইকাৰণে আপুনিও যদি আমাক সহায় কৰি দিয়ে, বিভাগীয় আমাৰ যিসকল অভিযন্তা আছে, তেওঁলোক বা আয়ুক্ত আৰু অতিৰিক্ত আয়ুক্তক লৈ যদি কৰে, তেতিয়া হ'লে আপোনালোকৰ সমষ্টিৰ এই সমস্যাটো সমাধানৰ নিশ্চয় এটা পথ ওলাব।

**শ্ৰী আমিনুল হক লস্কৰ, সোণাইঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰীয়ে খুব ভাল কথাই কৈছে যে যিখন বেতুকান্দি শ্লুইচ গেট, তাৰ টেণ্ডাৰ হৈছে, কন্ট্ৰেক্টৰে কাম পাইছে। ভূমি অধিগ্ৰহণ কৰা হোৱা নাই আৰু এই কাৰণে কামটো ষ্টাৰ্ট কৰিব পৰা নাই। ২০২২ চনত

যেতিয়া বানপানী হৈছিল কাছাৰত এই বেতুকান্দি শ্লুইচ গেট হৈ পানী সোমাইছিল। এদিনত ২৪ ঘণ্টাৰ ভিতৰত গোটেই শিলচৰ সমষ্টিত সকলোতকৈ বেছি এফেক্ট হৈছিল। তেতিয়া প্ৰায় ২,০০০ কোটি টকাৰ ওপৰত লোকচান হৈছিল, মানে শিলচৰ সমষ্টিৰ ৰাইজৰ। আজিৰ এই যি ভূমিৰ অধিগ্ৰহণ এই অধিগ্ৰহণত আমাৰ ডিচি-য়ে ইয়াৰ লেণ্ড ভেলুয়েশ্যনৰ ওপৰত এটা তেওঁলোকৰ ক্লেমৰ ওপৰত ৫ কোটি টকা  কম্পেন্সেশ্যন দি যদি আমি যদিও ভূমিখিনি অধিগ্ৰহণ কৰিও লও, তেতিয়া হ'লে এটা পাৰ্মানেন্ট সমাধান হৈ যাব। এতিয়া ২০২২-২৩-ৰ পিছত ফ্লাড হোৱা নাই, আমি বাচি গৈছোঁ। এতিয়া জুলাই-আগষ্টত ফ্লাড হোৱা, চেপ্টেম্বৰ মাহত ফ্লাড হোৱাৰ উদাহৰণ আছে কাছাৰ জিলাত। আমি আমাৰ মন্ত্ৰী মহোদয়ক কম যে ঠিক আছে, আমি সমষ্টিৰ বিধায়ক হৈ  হেল্প কৰিম। কিন্তু এইটো আমাৰ মুখ্যমন্ত্ৰীয়ে তাত গৈ কৈছিল যে শ্লুইছ গেটৰ প্ৰয়োজন আছে।  এইটো ইম্পৰটেন্ট বুলি ভাবি সোনকালে ভূমি অধিগ্ৰহণ কৰি আমি যিমানখিনি হেল্প কৰিব লাগে হেল্প কৰিম, শিলচৰ সমষ্টিৰ বিধায়কেও সহায় কৰিব। একে লগে একেবাৰে বৰ্ডাৰত চুইছ গেটখন  সোনকালে কৰাৰ ব্যৱস্থাটোও কৰিব। ধন্যবাদ।

**শ্ৰী সুশান্ত বৰগোঁহাই, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সদনক জনাব বিচাৰিছোঁ যে তেখেতে কোৱা কথাখিনি প্ৰায় ২২-২৩ৰ পৰা এতিয়া ২৫-২৬ লৈকে ৬৯ কোটি টকাৰ কাম চলি আছে বা চলিবলগীয়া হৈ আছে। কাৰণ  যিখিনি সমস্যা তেখেতে কৈছে, সেই সমস্যাখিনি সম্পূৰ্ণ সমাধান হবৰ কাৰণে এই আঁচনিসমূহ আমি লৈছোঁ আৰু অনাগত দিনত এইখিনি সম্পূৰ্ণ হলে নিশ্চিত ভাৱে আপুনি আশংকা কৰা ধৰণে সমস্যাবোৰ নাথাকিব।

**মাননীয় অধ্যক্ষঃ** তেখেতে কৈছে কি মানে Land Acquicition expedite কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে সেই বিভাগৰ মন্ত্ৰী আছিলো। এটা কথা ক'ব বিচাৰিছো লেণ্ড একুইজিশ্বনটো আজিকালি জল সম্পদ বিভাগে নকৰে, লেণ্ড একুইজিশ্বনৰ টকা নিদিয়ে কেবিনেটত সিদ্ধান্ত লৈ কোৱা আছে যে যিহেতু সেই মানুখিনিৰে সুবিধা হয় গতিকে লেণ্ড একুইজিশ্বনৰ cost নিদিয়ে

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়াক বিভাগৰ ফালৰ পৰা লিখি দিছে ভূমি অধিগ্ৰহণৰ কাম অতিশীঘ্ৰে সম্পূৰ্ণ কৰা হ'ব বুলি আশা কৰা হৈছে। বিভাগৰ মানুহে ভুল কৰিছো এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিটো সমষ্টিত প্ৰতিনিধিত্ব কৰো সেইটো হৈছে কাটিগড়া সমষ্টি৷ তাতে আমাৰ আগৰ মন্ত্ৰী পীযুষ হাজৰিকা ডাঙৰীয়াই গৈছিল তাতে ৫ খন শ্লুইচ গেট আছে৷

**মাননীয় অধ্যক্ষঃ** এইটো সোণাই নে বেলেগৰ৷

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কাটিগড়াঃ** মাননীয় অধ্যক্ষ মহোদয়, সোণাইৰ কাষৰ সমষ্টি৷

**মাননীয় অধ্যক্ষঃ** কাষৰ নহয়, সোণাইৰ যদি কিবা আছে কওঁক৷ এনেই সময় নষ্ট নকৰিব৷ এতিয়া প্ৰশ্ন নম্বৰ ৪৩ মাননীয় সদস্য শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ৷

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সোণাৰি সমষ্টিৰ পৰা প্ৰায় ২০ কিলোমিটাৰো অধিক দূৰত্বত দিচাং নদীখন বৈ গৈছে আৰু সেই দিচাং নদীখনে যিহেতু একেবাৰে পাহাৰীয়া অঞ্চললৈ পৰা পুনৰ সোমাই যায় আৰু সেই দিচাং নদীৰ গৰাখহনীয়া খুব বেছিকৈ হয়। কিন্তু নামনি অঞ্চললৈ অৰ্থাৎ ভজু অঞ্চললৈকে আমাৰ সমষ্টিটো পৰে, প্ৰায় ২০ কিলোমিটাৰো অধিক। গতিকে এই অঞ্চলটো যিমানখিনি গৰাখহনীয়া হৈ আছে, এই বিষয়ে আমাৰ মন্ত্ৰী মহোদয়ক মই জনাব বিচাৰিছোঁ, যাতে এই অঞ্চলটোত যিবোৰ গৰাখহনীয় হৈছে, সেইবোৰ একেবাৰে নদী পাৰলৈকে মানুহৰ পট্টা থকা মাটি হয়। যিবোৰ বাম খেতি হয়, সেইবোৰত বিস্তৰ ক্ষতি হয় আৰু মানুহৰ ঘৰ-দুৱাৰো গৰাখহনীয়াত গুচি গৈছে। সেইকাৰণে এই অঞ্চলটো কেনেধৰণে নিয়ন্ত্ৰণ কৰিব পাৰি বা গৰাখহনীয়াটো কেনেধৰণে নিয়ন্ত্ৰণ কৰিব পাৰি বা বিভাগীয় বিষয়া সকলৰ জৰিয়তে কিবা আমাৰ মন্ত্ৰী মহোদয়ৰ জৰীপ কৰাইছে নেকি? যদি নাই কৰা, জৰীপ কৰাই লৈ আমাৰ গৰাখহনীয়াটো সম্পূৰ্ণৰূপে ভাল হব বুলি মই ভাবিছোঁ, কাৰণ কেতিয়াবা খুব খৰস্ৰোতা হিচাপে আহে দিচাংৰ সেই মওখুনি পাহাৰৰ পৰা ওলাই অহাৰ কাৰণে। সেইকাৰণে আৰু এই অন্ততঃ বাম খেতি অঞ্চল পট্টা থকা মাটিখিনি আমি ৰক্ষা কৰিব পাৰিলে মানুহৰ সমস্যাখিনি আমি দূৰ কৰিব পাৰিম। সেয়েহে মন্ত্ৰী মহোদয়ৰ পৰা এইখিনি জানিলে নিশ্চয় ভাল হব।

**শ্ৰী সুশান্ত বৰগোঁহাই, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই যেনেধৰণে সদনৰ মজিয়াত অৱগত কৰিছে হয় যোৱা সময়ত আমি দেখিছিলোঁ যে কিছু আমি সমস্যা একেবাৰে সোণাৰি টাউনখনতো দেখা পাইছিলোঁ এই বানপানী সমস্যা। প্ৰায় অধিককাললৈকে পানী আমি আমাৰ সোণাৰি নগৰখনত দেখা পাইছিলোঁ। তাৰ পৰৱৰ্তী পৰ্যায়ত যোৱা সময়ত আমাৰ জলসম্পদ বিভাগৰ আগৰ মন্ত্ৰী মহোদয়ৰ দিনত আমি তাতে ২৪-২৫ত প্ৰটেকশ্যন অফ বৰহাট চাংমাই গাঁৱৰ এটা প্ৰায় ২ কোটি টকাৰ এটা আমাৰ

প্ৰজেক্ট চলি আছে। লগতে পইতাখাত অঞ্চলতো বাওঁফালৰ যিটো লেফ্ট বেংক আছে, তাতো প্ৰায় ২ কোটি টকাই দি এটা কাম চলি আছে আৰু এটা কাম চলি আছে আপোনাৰ দিচাঙৰ বাওঁফালে ৰংচোৱাল চাংমাই গাঁৱত। এইবাৰো আমি প্ৰায় ১৩ কোটি টকা দি আপোনালোকৰ সমষ্টিত কাম কৰিবৰ কাৰণে ইতিমধ্যে প্ৰস্তুতি চলাইছো আৰু বিভিন্ন শিতানত আমি SOPD ত এষ্টিমেট বিলাক আমি পুনৰ আৰম্ভ কৰিছোঁ আৰু বানপানীৰ পিছতে নিশ্চিতভাৱে এই কামখিনি আৰম্ভ কৰিব পৰা যাব। মাননীয় বিধায়ক মহোদয়ে যেনেধৰণে আশঙ্কা কৰিছে একেবাৰে দিচাংখনৰ কাষৰ গাঁওসমূহ আৰু পথাৰসমূহ লাগি আছে। ইয়াক বহল কৰিবৰ কাৰণে ঠাইও নাই। আৰু নহলে আমাৰ তাত বাগানসমূহ লাগি আছে একেবাৰে দিচাঙৰ কাষত। যিহেতু মই এই অঞ্চলটোৰ বিষয়ে ভালদৰে অৱগত, সেয়েহে এই অঞ্চলটো যাতে সুৰক্ষিত কৰি ৰাখিব পাৰা যায় আৰু বানপানীৰ ফলত মানুহৰ মাটি-সম্পত্তিৰ পৰা খেতি-পথাৰবিলাক নষ্ট নহয়, তাৰবাবে ইতিমধ্যে আমি আঁচনি লৈছোঁ আৰু আমি আঁচনিখিনি সম্পূৰ্ণ হোৱাৰ পিছত নিশ্চিতভাৱে আমাৰ ৰাইজ সুৰক্ষিত হ'ব।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, সোণাৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় এটা প্ৰশ্ন আছে, আমাৰ মন্ত্ৰী মহোদয়ক মই অৱগত কৰিব বিচাৰিছোঁ, আমাৰ সোণাৰি সমষ্টিত দিচাংখনৰ উপৰিও আৰু কেইবাখনো নদী আছে। টাওকাক আছে, টিয়ক আছে। এনেধৰণে নদীসমূহ থকাৰ কাৰণে হঠাতে বানপানী হয়। তাৰমানে পাহাৰৰ পৰা জুৰি ভাগি আহি বহু গাঁও-অঞ্চল প্লাৱিত কৰে আৰু মানুহৰ ঘৰবোৰ লগে লগে বুৰি যায়। গতিকে এই অঞ্চলসমূহৰ কাৰণে বিশেষকৈ টিয়ক নদীখনৰ কাৰণে আমাৰ দুইটা পাৰত এটাত অংশ মথাউৰিৰ প্ৰয়োজন আছিল। আমাৰ সোণাৰি সমষ্টিত এতিয়ালৈকে মথাউৰি নাই। গতিকে মথাউৰিটো যদি হৈ যায়, এতিয়া আমাৰ সোণাৰি সমষ্টিৰ মাজৰ অঞ্চলসমূহ অন্তত ৰক্ষা পৰিব বুলি মই ভাবিছোঁ। সেয়েহে মন্ত্ৰী মহোদয় লগতে আৰু এটা কথা আছে। আমাৰ সোণাৰি চৰাইদেউ জিলাত এতিয়ালৈকে আমাৰ বিভাগৰ কাৰ্যালয় হোৱা নাই। কাৰ্যালয়টো হলে ভাল হয় আৰু লগতে বিষয়া ঘূৰিবৰ কাৰণেও গাড়ী নাই। সেয়েহে আমাৰ কাৰ্যালয়টো যদি তাত নিৰ্মাণ কৰি দিয়ে, তেতিয়া নিশ্চয় ভাল হব বুলি ভাবিছোঁ।

**শ্ৰী সুশান্ত বৰগোঁহাই, মাননীয় মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো ভালদৰে উত্থাপন কৰা বাবে মই ধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াক ধন্যবাদ জনাইছোঁ। কাৰণ সদনত যিহেতু উত্থাপন কৰিছে, গাড়ীখন এতিয়া দিবৰ কাৰণে আমাৰ অসুবিধা নহ'ব। নহ'লে আমাৰ গাড়ী কিনাৰ কাৰণে কিছু এটা বাধা সৃষ্টি এটা আছিল কাৰিকৰীভাৱে। সদনত উলিয়ালে যেতিয়া আমি নিশ্চিতভাৱে গাড়ীখন অতি কম দিনৰ ভিতৰত পঠাব পৰা যাব আৰু সংমণ্ডলৰ যিটো চৰকাৰী কাৰ্যালয় কৈছে সেইটো কৰিব পৰা যাব। মই এটা কথা কওঁ আপোনাক ইয়াতে, কাৰণ

টাওকাক নদীখন আৰু টিয়ক নদী এই দুখনৰ মই খুব জ্ঞাত আৰু একদম টাউন নগৰৰ মাজেদি গৈছে, তাত মথাউৰি বনাবলৈ জেগা নাই। সেয়েহে এইবাৰ সত্ৰং নদীত আমাৰ গহপুৰত যিটো ভয়ংকৰ পৰিৱেশ, এই পৰিৱেশটো সেইদিনাখন আমি চাই আহিলোঁ। আমাৰ আগৰ মন্ত্ৰী মহোদয় ফ্লাডৱাল দি ইমান ধুনীয়াকে নদীখন একদম মানে নগৰ মজিয়াৰে দি উলিয়াই লৈ গৈছে। তাত কাষত মানুহো আছে আৰু নদীখনো যেতিয়া মানে হঠাতে পানী হয়, পানীও বৈ যোৱা এটা পৰিৱেশ আছে। অকমান এক্সপেনচিভ হয়, কিন্তু ভাগে  ভাগে তিনি বছৰত প্ৰায় আধাতকৈ কাম বেছি হ'ল। এতিয়া ১ কিলোমিটাৰ মান বাকী আছে আৰু এই গোটেইটো মাননীয় আগৰ জলসম্পদ মন্ত্ৰীগৰাকীয়েই এই গোটেই তেনে ধৰণৰ এটা সিদ্ধান্ত ল'লে। এইবাৰ আমি নাজিৰা সমষ্টিত ফ্লাড ৱালৰ কাৰণে আমি ধৰিছোঁ আৰু আপোনাৰ নদীখনতো যদি আমি ফ্লাড ৱালখন ধৰি দিওঁ, নগৰৰ মাজত যিটো হঠাতে হোৱা বানপানী সমস্যা নাগালেণ্ডৰ পৰা সেই তাৰপৰা আপোনালোকে নিশ্চিতভাৱে উদ্ধাৰ হ'ব আৰু মই এই কামখিনি অনাগত দিনত কৰিম বুলি আশ্বাস  দিলোঁ।

**মাননীয় অধ্যক্ষঃ** এতিয়া প্ৰশ্ন নং ৪৪। শ্ৰী প্ৰকাশ চন্দ্ৰ দাস।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হ'ল।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস ,হাজো শুৱালকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী অতুল বৰা ডাঙৰীয়াই দিয়া প্ৰশ্নৰ উত্তৰসমূহ মই পাইছোঁ, অধ্যয়ন কৰিছো আৰু এই প্ৰশ্নৰ উত্তৰসমূহ সঠিকভাৱে দিয়াৰ কাৰণে মাননীয় মন্ত্ৰী অতুল বৰা ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ । অসম আন্দোলন হোৱাৰ আজি ৪৭ বছৰ হ'ল । চুক্তি সম্পন্ন হোৱাৰ ৪০ বছৰ হৈছে । এই চুক্তি অকল এখন দস্তাবেজ নহয়, চৰকাৰী, এইখন চুক্তি  ৮৬০ গৰাকী শ্বহীদৰ ত্যাগৰ বিনিময়ত হোৱা এখন চুক্তি । এই চুক্তিৰ ৰূপায়ণৰ ক্ষেত্ৰত বিশেষভাৱে দীৰ্ঘদিন শাসনত আছিল কংগ্ৰেছ চৰকাৰ আৰু বিশেষভাৱে এই চুক্তিখন স্বাক্ষৰ কৰিছিল সেই সময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে । এই দীৰ্ঘদিন সময় চৰকাৰত থাকি চুক্তিখন ৰূপায়ণ কৰাৰ ক্ষেত্ৰত যি দায়িত্ব পালন কৰিব লাগিছিল, সেই দায়িত্ব পালন কৰাৰ ক্ষেত্ৰত কংগ্ৰেছ চৰকাৰ সম্পূৰ্ণ ব্যৰ্থ হৈছিল।

**মাননীয় অধ্যক্ষঃ** আপুনি প্ৰশ্নটো কওঁক।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো শুৱালকুছিঃ** তাৰ কাৰণে আজিও এই সমস্যাটো সমাধান হোৱা নাই । কিন্তু অসমত NDA  চৰকাৰ অহাৰ লগে লগে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা দেৱৰ সদিচ্ছা আৰু আন্তৰিকতাৰ কাৰণে, অসম চুক্তি ৰূপায়ণৰ কাৰণে কেবিনেটত Sub-committee গঠন কৰিছিল আৰু উত্তৰ-লক্ষীমপুৰত কেবিনেট বৈঠক অনুষ্ঠিত কৰি কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে গঠন কৰি দিয়া ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ উচ্চস্তৰীয় কমিটিৰ।

**মাননীয় অধ্যক্ষঃ** এইটো Question Hour হয়, লেকচাৰ hour নহয়। আপুনি প্ৰশ্নটো কওঁক।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো শুৱালকুছিঃ** কমিটিয়ে যি সিদ্ধান্ত / পৰামৰ্শ আগবঢ়াইছিল, সেই পৰামৰ্শসমূহ ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে, এই বিষয়ত মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষঃ** Hon'ble Minister, please reply.

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য শ্ৰী প্ৰকাশ চন্দ্ৰ দাসক তেখেতৰ প্ৰশ্নৰ বাবে ধন্যবাদ জনাইছোঁ। মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৯ চনৰ পৰা ১৯৮৫ চনলৈ ৰাজ্যখনত বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত গণ আন্দোলন হৈছিল। সেই সময়ত বিদেশীৰ অবাধ প্ৰব্ৰজনৰ বাবে চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা অসমৰ জনসাধাৰণৰ মনত শংকা হৈছিল, যে আমি অসমৰ ভূমিত সংখ্যালঘুত পৰিণত হ'ম নেকি ? আমাৰ অস্তিত্ব বিপন্ন হ'ব নেকি ? আৰু সেইবাবেই অসম আন্দোলন হ'ল। অসম আন্দোলনত সৰ্বস্তৰৰ সৰ্বশ্ৰেণীৰ জনসাধাৰণে যোগদান কৰিলে। কিন্তু সেই সময়ত শাসনত আছিল কংগ্ৰেছ চৰকাৰ। কংগ্ৰেছ চৰকাৰৰ শাসনকালত আন্দোলন দমনৰ নামত সেই সময়ত ৮৬০ গৰাকীক হত্যা কৰা হ'ল। বহু মহিলা নিৰ্যাতিত হ'ল, গুলীবিদ্ধ হ'ল, পংগু হ'ল। তাৰ পিছত ১৯৮৫ চনত সেই সময়ত দেশৰ প্ৰধানমন্ত্ৰী আছিল ৰাজীৱ গান্ধী। এখন চুক্তিৰে, যিখনক আমি অসম চুক্তি বুলি কৈছোঁ, অসম আন্দোলনৰ পৰিসমাপ্তি ঘটালে। কিন্তু অসম চুক্তিখন হ'লেও চুক্তি ৰূপায়ণৰ Nodal Ministry আছিল ভাৰত চৰকাৰৰ গৃহ মন্ত্ৰালয়। গৃহ মন্ত্ৰালয়ৰ সহায় অবিহনে অসম চৰকাৰে অকলে একো কৰিব নোৱাৰে, বিদেশী চিনাক্তকৰণেই হওঁক বা বহিষ্কৰণৰেই হওঁক বা অন্যান্য চুক্তিৰ যিবিলাক দফা আছিল, সেইবোৰ ৰূপায়ণৰ ক্ষেত্ৰতেই হওঁক। কিছুমান কৰিব পাৰে, কিন্তু মূল যিটো issue আছিল সেই ক্ষেত্ৰত একো কৰিব নোৱাৰে। চুক্তিত উল্লেখিত অবৈধ প্ৰব্ৰজনকাৰী আইন, IMDT Act [Illegal Migrants (Determination by Tribunals) Act, 1983] সেই আইনখন আছিল সেই সময়ত মূল barrier. বহুদিন পাৰ হৈ গ'ল আন্দোলনৰ স্বাক্ষৰকাৰী সদৌ অসম ছাত্ৰ সন্থাই, বিভিন্ন সময়ত আৰু আন্দোলনৰ যিবিলাক অংশীদাৰ আছিল এই সম্পৰ্কে ভাৰত চৰকাৰক বা অসম চৰকাৰকো দাবী জনাই আহিছিল, যে চুক্তিৰ দফাসমূহ ৰূপায়ণ কৰিব লাগে। এতিয়াও আমাৰ মনৰ পৰা সেই শংকা যোৱা নাই। কাৰণ বিভিন্ন ঠাইত চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা অহা বঙ্গীয় মূলৰ লোকে আমাৰ সত্ৰ বেদখল কৰিলে। Forest, Belt, Block বেদখল কৰিলে যাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰী এতিয়া অতি কঠোৰ হৈছে, যাতে অসমৰ খিলঞ্জীয়া জনসাধাৰণৰ স্বাৰ্থ সুৰক্ষিত কৰিব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আপোনালোক সকলোৱে অৱগত আৰু এই কথাটো সদনেও জানে, যে NDA চৰকাৰে গৃহ মন্ত্ৰালয়ে Retired Justice বিপ্লৱ শৰ্মাৰ অধ্যক্ষতাত এখন কমিটি কৰি

দিছিল । Clause 6 ৰূপায়ণৰ সম্পৰ্কত ৰূপৰেখা প্ৰস্তুত কৰিবলৈ আৰু এই কমিটিয়ে ৬৭ টা recommendation আগবঢ়াইছিল আৰু এই সম্পৰ্কত বিস্তৃত আলোচনা লক্ষীমপুৰত মাননীয় মুখ্যমন্ত্ৰীৰ অধ্যক্ষতাত এখন কেবিনেট বৈঠক বহিছিল, যোৱা ৪ ছেপ্টেম্বৰ ২০২৪ ত । তাত threadbare, ডিটেইলচত আলোচনা হৈছিল যে ৬৭ টা যি recommendation, তাৰ ভিতৰত কোনখিনি State Government এ কৰিব পাৰে আৰু কোনখিনি Union Government এ কৰিব পাৰে, কোনখিনি Central Government এ কৰিব পাৰে আৰু কোনখিনি অকল Central Government য়ে কৰিব পাৰে । সেইখিনি চিনাক্ত কৰাৰ পাছত দেখা গ'ল যে State Government ৰ ভাগত ৪০ টা তেনেধৰণৰ recommendation নিজাববীয়াকৈ implementation কৰিব পৰাৰ ব্যৱস্থা আছে, কৰিব পাৰে। মাননীয় মুখ্যমন্ত্ৰীৰ প্ৰৱল ৰাজনৈতিক ইচ্ছাৰ বাবে সেই ৪০ টা ৰাজ্য চৰকাৰে ইতিমধ্যে কৰিবৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে আৰু বহুখিনি ইতিমধ্যেই আগবঢ়াই দিছে। বাজেটত যোৱাবাৰ ধনও ধাৰ্য কৰা হৈছিল আৰু ১২ টা recommendation আছে, যি ১২ টা recommendation State Government আৰু Central Government এ লগ লাগি কৰিব লাগে। সেই ক্ষেত্ৰতো যথোপযুক্ত ব্যৱস্থা মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ তৎপৰতাৰে যথেষ্টখিনি আগবঢ়াই লৈ যোৱা হৈছে আৰু ১৫ টা recommendation আছে, যি recommendation কেৱল ভাৰত চৰকাৰে কৰিব পাৰে । ভাৰত চৰকাৰে কৰিব পৰা এই recommendation ৰ ক্ষেত্ৰত ইতিমধ্যে ভাৰত চৰকাৰক আমাৰ বিভাগে যোগাযোগ কৰিছে । মাননীয় মুখ্যমন্ত্ৰীয়েও, মাননীয় গৃহমন্ত্ৰীগৰাকীৰ লগত পোনপটীয়া কৈ যোগাযোগ কৰিছে আৰু আমি আশা কৰিছো, যে সেই কাম সম্ভৱ হ'ব । ইয়াৰ উপৰিও আমি ২৫/৯/২০২৪ ত The Hon'ble Chief Minister constituted a Group of Ministry to develop a clear roadmap and implementation of the framework. আমি আলোচনা কৰিছো, তেখেতৰ Chairmanship ত ২৫/৯/২০২৪ তাৰিখে, এখন Group of Ministers ৰ বৈঠক অনুষ্ঠিত হৈছিল। তাত threadbare আলোচনা হৈছিল আৰু এইখিনি কেনেকৈ আগবঢ়াই নিয়া হ'ব, সেই সম্পৰ্কে ৰূপৰেখা প্ৰস্তুত হৈছিল । ঠিক তেনেকৈ মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাতে ১৬/২/২০২৫ ত অন্য এখন বৈঠক অনুষ্ঠিত হৈছিল, এইখন আমাৰ দ্বিতীয় বৈঠক আছিল, তাতো বিস্তৃতভাৱে আলোচনা কৰি এইখিনি আগবঢ়াই নিয়াৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তদ্রুপ ২২/১১/২০২৬ ত মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ অধ্যক্ষতাতে পুনৰ আলোচনা হৈছে আৰু আমি নিশ্চিত যে আমাৰ এই কাৰ্যকালত মাননীয় মুখ্যমন্ত্ৰীগৰাকীৰ প্ৰৱল ৰাজনৈতিক ইচ্ছাৰ বাবে দীৰ্ঘদিন ধৰি উপেক্ষিত হৈ থকা এই অসম চুক্তিৰ দফাসমূহ, বিশেষকৈ Clause 6 আমাক সকলোধৰণৰ খিলঞ্জীয়া মানুহক সুৰক্ষিত কৰাৰ সুবিধা দিছে, সেইখিনি আমি ৰূপায়িত কৰিবলৈ সক্ষম হ'ম ।

**শ্ৰী প্ৰকাশ চন্দ্ৰ দাস, হাজো শুৱালকুছিঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ মূল spirit টো আছিল অবৈধ বিদেশীৰ **বহিস্কাৰ। এই ক্ষেত্ৰত নিশ্চিতভাৱে অসমৰ মুখ্যমন্ত্ৰী মহোদয় ধন্যবাদৰ পাত্ৰ যে চিনাক্তকৰণ হোৱা বিদেশী** push back **কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। কিন্তু একে সময়তে ভাৰত- অসম- বাংলাদেশ সীমান্ত অঞ্চলত কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে যাতে কোনো অবৈধ অনুপ্ৰৱেশকাৰী প্ৰৱেশ কৰিব নোৱাৰে। সীমান্ত অঞ্চলত কঠোৰভাৱে কি কি ব্যৱস্থা লোৱা হৈছে, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো।**

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যি ভাৰত বাংলাদেশ সীমান্ত আছে এইটো বহু দীঘলীয়া। ইয়াৰ টোটেল লেংথ হৈছে ২৬৭ কি.মি। ইয়াৰে শ্ৰীভূমি জিলাত ৯৮.৩০ কি.মি , কাছাৰ জিলাত ২৭ কি.মি আৰু ধুবুৰী- দক্ষিন শালমাৰা মানকাছাৰ জিলাত হৈছে – ১৪১ কি.মি। আমাৰ মূল লক্ষ্য হৈছে যে, চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ পৰা যাতে ভৱিষ্যতে অবাধ প্ৰৱজন হ'ব নোৱাৰে সেইটো নিশ্চিত কৰা। আমি সকলোৱে জানো যে, অসম-বাংলা সীমান্তত** Border Security Force **আছে। ইয়াৰ ওপৰিও** Second Line of Defence **শক্তিশালী কৰিবলৈ আমাৰ চৰকাৰে ইতিমধ্যে ব্যৱস্থা লৈছে। তাত আমাৰ ১৪ টা** Border Outpost **আছে। ইতিমধ্যে** Border Fencing **বহুখিনি ঠাইত হৈছে। কাছাৰ জিলাত ৩০.৭ কি. মি বৰ্ডাৰ ফেন্সিঙৰ কাম সম্পূৰ্ণ হৈছে। শ্ৰীভূমিত ৯৩.৯৫ কি.মি সম্পূৰ্ণ হৈছে আৰু ধুবুৰী- দক্ষিন শালমাৰা- মানকাছাৰত জিলাত ১০৭ কি.মি ফেন্সিঙৰ কাম সম্পূৰ্ণ হৈ উঠিছে। মুঠ ২৩১ কি.মি** Border Fencing **কাম সম্পূৰ্ণ হৈ উঠিছে। কিন্তু তাত সমস্যা কিছুমান আছে। শ্ৰীভূমি জিলাত যিখন কুশিয়াৰা নদী আছে – তাত বৰ্ডাৰ ফেন্সিং দিয়াত অসুবিধা আছে। এইক্ষেত্ৰত চৰকাৰে তাত কিছুমান ব্যৱস্থা লৈছে। যেনে-** Riverine Land Border protected through technical solution and water wing of BSF. **এই ইনৰ্ফমেশ্যন ইতিমধ্যে** Border Security Force **য়ে আমাক দিছে। যিবিলাক** Unfenced Aria **আছে সেইবিলাক আমি কেনেকৈ সুৰক্ষিত কৰিব পাৰো তাৰ বাবে কেতবোৰ** Vulnerable Aria **ত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।** Observation Post **নিৰ্মাণ কৰিছে** , Regular Vehicle - port patrolling **দিছে।** Observation Tower **নিৰ্মাণ কৰিছে।** Conventional Border Fencing **য'ত** physible **নহয় সেই ঠাইবিলাকত তেনে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও** Close circuit Television Camera , pental zoom PTZ Camera and for real time monitoring prompt detection and suspicious activities – **গতিকে এইক্ষেত্ৰত আমাৰ চৰকাৰ খুব সচেতন কাৰণ ইতিমধ্যে চুবুৰীয়া ৰাষ্ট্ৰৰ পৰা হোৱা অবাধ প্ৰব্ৰজনে আমাৰ খিলঞ্জীয়া মানুহৰ অস্তিত্বৰ প্ৰতি যি ভাবুকী সৃষ্টি কৰিছে , তাৰ প্ৰতি প্ৰতিজন অসমীয়া মানুহ সচেতন আৰু আমাৰ চৰকাৰখন জাতি মাটিৰ প্ৰতি দায়বদ্ধ এখন চৰকাৰ। ইতিমধ্যে আপোনালোকে জানে যে তাত কেতবোৰ আইনী অসুবিধা আছে তৎস্বত্বেও মুখ্যমন্ত্ৰী গৰাকীৰ প্ৰৱল ৰাজনৈতিক ইচ্ছাৰ বাবে ইতিমধ্যে** push back **আৰম্ভ হৈছে। আগলৈ কোনো মানুহ যাতে আৰু সোমাব নোৱাৰে তাৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে – ধন্যবাদ।**

**মাননীয় অধ্যক্ষ ঃ এতিয়া মাননীয় বিধায়ক অখিল গগৈ।**

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া , মোৰ** specific question **টো হ'ল যে, অসম চুক্তিৰ ৫ নং দফা অনুসৰি বিদেশী বিতাৰণ কৰিব লাগে। আজিৰ দিনটোত অসমত বিদেশীৰ সংখ্যা কিমান , বিদেশী যাতে ৰাজ্যখনত আৰু সোমাব নোৱাৰে তাৰ বাবে এতিয়ালৈকে কিমান কি.মি বৰ্ডাৰ ফেন্সিং কৰিবলৈ বাকী আছে**

আৰু কেতিয়াৈল সম্পূৰ্ণ হ'ব ? লগতে যিটো push back কৰি আছে তাৰ পৰিৱৰ্ত্তে extradition Treaty (প্ৰৰ্ত্যাপণ চুক্তি) repatriation agreement (প্ৰত্যাৱৰ্তন চুক্তি) যিটো বিদেশীৰ বাবে গ্ৰহণ কৰিব সেইটো কেতিয়া হ'ব আৰু মোৰ শেষ প্ৰশ্নটো হ'ল ৬ নং দফাক লৈ বিপ্লৱ শৰ্মাৰ যিটো প্ৰতিবেদন সেইটো লৈ কেবিনেটত যিটো সিদ্ধান্ত লৈছিল সেইটো Central Government য়ে কৰিব গতিকে কোনটো বিষয় কিমান দিনৰ ভিতৰত সমাধান কৰা হ'ব তাৰ উত্তৰ নিৰ্দিষ্টকৈ দিব লাগে ।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ ।

শ্ৰীঅতুল বৰা, মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অখিল গগৈ ডাঙৰীয়াৰ প্ৰশ্নকেইটাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। তেখেতে যিটো Border Fencing gap ৰ বিষয়ে সুধিছে এইটো মই আগতেই উল্লেখ কৰিছো। ভাৰত –বাংলাদেশৰ অসমত থকা সীমান্তৰ দৈৰ্ঘ্য হ'ল- ২৬৭ কি.মি কিন্তু ৩৮.৯৫৯ কি.মি এতিয়ালৈকে সম্পূৰ্ণ হৈ উঠা নাই , তাৰ কাৰণে যিখিনি সমস্যা আছে মই আগতে উল্লেখ কৰিছো । repatriation agreement (প্ৰত্যাৱৰ্তন চুক্তি) এতিয়ালৈকে হোৱা নাই । ইয়াৰ উপৰিও ভাৰত চৰকাৰে ইতিমধ্যে এই বিষয়ে ১৫ টা ৰিক'মেণ্ডেশ্যন লৈছে কিন্তু তাৰ উত্তৰটো আজিয়ে মই স্পষ্টকৈ দিব নোৱাৰো। এই ১৫ টা ৰিক'মেণ্ডেশ্যন যাতে খৰতকীয়াকৈ ইমপ্লিমেন্ট কৰিব পৰা যায় লগতে ৰাজ্যখনৰ খিলঞ্জীয়া মানুহখিনি সুৰক্ষিত কৰাৰ প্ৰতি লক্ষ্য ৰাখি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে উপযুক্ত ব্যৱস্থা ইতিমধ্যে গ্ৰহণ কৰিছে। ৫ নং দফাত কেইটামান ক্ল'জৰ কথা অখিল গগৈ ডাঙৰীয়াই সুধিছে। এই বিষয়ে তেখেতে মাজে সময়ে প্ৰশ্ন কৰি আহিছে সেইটো লৈ তেখেতক লিখিত উত্তৰ দিয়া হৈছে। তথাপিও এই বিষয়টো লৈ মই তেখেতেক এটা চেপাৰেট কোৱেশ্চন আনিবলৈ অনুৰোধ জনাইছো ।

শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া বিদেশীৰ সংখ্যা কিমান, এই প্ৰশ্নটোৰ উত্তৰ মন্ত্ৰী ডাঙৰীয়াই দিয়া নাই ?

শ্ৰীঅতুল বৰা, মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি ঃ অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসৰ প্ৰশ্নটোৰ পৰা এই প্ৰশ্নটো যথেষ্ট দূৰত গতিকে বেলেগকৈ এই প্ৰশ্নটো আনিলে মই নিশ্চয় উত্তৰটো দিম ।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰী ডাঙৰীয়াই এটা specific device ত প্ৰশ্নটো আনিলে তেখেত উত্তৰটো দিব । এতিয়া মাননীয় বিধায়ক ধৰ্মেশ্বৰ ৰয় ।

শ্ৰীধৰ্মেশ্বৰ ৰয়, বজালী ঃ মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি সম্পৰ্কে ইতিমধ্যে বহু কেইটা আলোচনা হৈছে। এতিয়া ৬ নং দফাটো লৈ মোৰ প্ৰশ্নটো হ'ল যে, বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদন গঠন কৰিছে। এইটোৱে আছিল অসম আন্দোলনৰ মূল দফা। অসম চুক্তিত লিখা আছিল যে, Union Home Ministry is the nodal ministry to implement Assam Accord . কংগ্ৰেছৰ দিনত এইটো সম্ভৱ নহ'ল বৰঞ্চ আই এম ডি টি সৃষ্টি কৰি ওলোটাকৈ বিদেশী চিনাক্তকৰণত বাধাহে দিছিলে। মোৰ প্ৰশ্নটো হ'ল যে, বিপ্লৱ শৰ্মা প্ৰতিবেদনৰ ৬৭ টা পৰামৰ্শৰ ভিতৰত ৫২ টা পৰামৰ্শৰ আমাৰ চৰকাৰে কাৰ্য্যকৰী কৰিবলৈ মুখ্যমন্ত্ৰী ডাঙৰীয়াই বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, এই ৫২ টা পৰামৰ্শ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত নিৰ্দিষ্ট time set কৰিছে নেকি , জনালে সুখী হ'ম।

**মাননীয় অধ্যক্ষ ঃ মিনিষ্টাৰ প্লিজ।**

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি ঃ অধ্যক্ষ মহোদয়, আমি যিমান খৰতকীয়াকৈ এই কামখিনি কৰিব পাৰো এই সুবিধাটো অসমৰ জনসাধাৰণে কৰি দিছে। আমাক এটা ডাঙৰ সুযোগ দি চৰকাৰ গঠন কৰাত সুবিধা দিছে। এই গোটেই বিষয়টো যিহেতু সুৰক্ষিত ভবিষ্যতৰ লগত জড়িত গতিকে ৰিক'মেণ্ডেশ্যন সমূহ গুৰুত্বসহকাৰে লৈ আমি যিমান সোনকালে পাৰো কম সময়ৰ ভিতৰত ৰূপায়ণ কৰাৰ বাবে চেষ্টা কৰিম। ইতিমধ্যে এই চুক্তিৰ আধাৰত ৰাজ্যখনত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, জ্যোতি চিত্ৰৱন হ'ল, সত্ৰসমূহ সুৰক্ষিত কৰাৰ বাবে ঠায়ে ঠায়ে উচ্ছেদ হ'ল।**

অট'নমাচ কাউন্সিল বিলাক হৈছে চেন্ট্ৰেল ইউনিভাৰচিটি হৈছে, আই আই টি হৈছে ৮৬০ গৰাকী শ্বহীদ হৈছিল যদিও ৰাজ্যখনৰ বিভিন্ন ঠাইত অসম আন্দোলনৰ পিছত জাতীয় সংগঠনে বা আন্দোলনকাৰী যিবিলাক অংশীদাৰ আছিলে সেই সকলে শ্বহীদ বেদীৰ গঠন কৰিছিল কিন্তু সকলোৱে ভাবিছিল যে সকলোকে লৈ এটা ডাঙৰকৈ সকলোৰে স্মৃতি সুৰক্ষিত কৰিবৰ কাৰণে নতুন প্ৰজন্মই যাতে জাতিৰ কাৰণে উচ্ছৰ্গা কৰিবলৈ সুবিধা পাই তাৰ কাৰণে এখন শ্বহীদ স্মাৰক উদ্যান হ'ব লাগে ইয়াৰ নিৰ্মাণ হৈ উঠিল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে মুকলি কৰাৰ পিছত দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু গৃহ মন্ত্ৰী ডাঙৰীয়াই ও শ্ৰদ্ধাঞ্জলী জনাই গ'ল আৰু সেইটো এটা Tourist Destination লৈ আজি পৰিণত হৈছে। আই আই টি হ'ল , এন আৰ এল হ'ল , গেছ ক্ৰেকাৰ হ'ল, বগীবিল হ'ল, জুট মিল ৰিঅপেন হ'ল। আজি চেমি কণ্ডাক্টৰ দৰে ইণ্ডাচট্ৰি

**শ্ৰী অখিল গগৈ,শিৱসাগৰঃ** ছাৰ মূল কথাকেইটা নাই কোৱা ছাৰ। ছাৰ এক্সট্ৰাডিচিট্ৰিনটি কেতিয়া হ'ব সেইটো নকয় কাটা তাঁৰৰ বেৰ কেতিয়া হ'ব

**মাননীয় অধ্যক্ষঃ** এইটো আপোনাৰ ৰিপ্লাই নহয় অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অখিল গগৈ,শিৱসাগৰঃ** ছাৰ বিপ্লৱ শৰ্মাৰ প্ৰতিবেদন কেতিয়া হ'ব সেইটো নকয়।

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সন্মানীয় সদস্যজনে সদায় সদনখন সুস্থিৰভাৱে পৰিচালিত হ'ব নিদিয়ে। মই খুব ভালকৈ উত্তৰ দিবলৈ চেষ্টা কৰিছো তেখেতক এটা সুকীয়া প্ৰশ্ন আনিবলৈ মই কৈছো, তেখেতে দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে

**শ্ৰী অখিল গগৈ,শিৱসাগৰঃ** আপুনি কি উত্তৰ দি আছে বাৰু এইবোৰ

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**মাননীয় অধ্যক্ষঃ** এক মিনিট, এক মিনিট। আপোনাক আজি মই শেষ বাৰৰ কাৰণে সকিয়নি দিলো। এইটো তেখেতে কাৰ উত্তৰ দি আছিলে মাননীয় বিধায়ক শ্ৰী ধৰ্মেশ্বৰ ৰায় ডাঙৰীয়াৰ উত্তৰ দি আছিলে। আপুনি কিয় মাতিব লাগে।

(সদনত হুলস্থুল পৰিবেশৰ সৃষ্টি হয়)

**শ্ৰী অখিল গগৈ,শিৱসাগৰঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি মোক উলিয়াই দিয়ক।

**মাননীয় অধ্যক্ষঃ** আপুনি নুশুনে আপুনি ওলাই যাওক । কোনোবা সদস্যই যদি মন্ত্ৰী ডাঙৰীয়াৰ ৰিপ্লাই শুনি থাকিব নোৱাৰে তেওঁ নিজে ওলাই যাব পাৰে। এইটোতো অপেন আছে । মন্ত্ৰী ডাঙৰীয়া আপোনাৰ আৰু আছে নেকি ? এতিয়া প্ৰশ্ন নম্বৰ ৪৫ , শ্ৰী কিশোৰ নাথ।

(মাননীয় বিধায়ক শ্ৰী অখিল গগৈ ডাঙৰীয়াই সদন ত্যাগ কৰে)

**শ্ৰী কিশোৰ নাথ, বৰখলাঃ** মাননীয় অধ্যক্ষ মহোদয়, সকলোতকৈ প্ৰথমে মাননীয় মন্ত্ৰী মহোদয়ক মই ধন্যবাদ দি লৈছো মোৰ প্ৰশ্নৰ উত্তৰ মই পালো ইতিমধ্যে । তাৰ ভিতৰত এনেক্সাৰ ১ আৰু এনেক্সাৰ ২ দুটা চিট ইয়াত দিয়া হ'ল তাৰ মাজত যিকেইটা মই বিচাৰিছো তাৰ লগতে আৰু কেইটামান ইয়াতে দিয়া হ'ল যাৰ বাবে মই মন্ত্ৰী মহোদয়ক আকৌ এবাৰ ধন্যবাদ দি লৈছো । এনেক্সাৰ ১ ত যিটো প্ৰগেছ দিছে তাতে মই অলপ সন্তুষ্ট নহয় । যিটো কাৰণে মন্ত্ৰী মহোদয়ক কৈছো এইটো আপুনি অলপ তদন্ত কৰি চাব লাগে। তাত যিটো প্ৰগেছ ৰিপৰ্টো দিছে সেই মতে মই সন্তুষ্ট নহয়। সেইটোৰ ওপৰত আপুনি অলপ নজৰ দিব আৰু লগতে যি কেইটা নদীৰ খহনীয়া আছিলে তাত আৰু দুটা ঠাই আছে, মোৰ বৰখলা সমষ্টিত তাত আছে যুট্ৰাচংগন এটা এৰিয়া আছে, দোমকৰ ভিলেজ বুলি এটা এৰিয়া আছে আৰু এটা আছে ৰাণী নগৰ নাম। সেইটো বৰাক নদীৰে এইটো খহনীয়া হয়। এই নাম কেইটা লিষ্টত অহা নাই। এই তিনিটাৰ নাম যদি আপুনি দি দিয়ে তেতিয়া খুব ভাল পাম আৰু লগতে যি এনেক্সাৰ ২ ত যি কেইটা দিছে সেই কেইটা কেতিয়া হ'ব ? এই বাৰিষাৰ চিজনত শেষ হোৱাৰ লগে লগে যদি এই কাম কেইটা হৈ যায় বৰখলা ৰাইজ খুব আনন্দিত হ'ব আৰু লগতে মইও খুব আনন্দিত হম। এইটো মই আপোনাৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া ইয়াৰ ৰিপ্লাই প্লিজ।

**শ্ৰী সুশান্ত বৰগোঁহাই, মন্ত্ৰীঃ** মাননীয় বিধায়ক মহোদয়ে যিখিনি অসন্তুষ্টিৰ কথা ব্যক্ত কৰিছে বিভাগীয় আমাৰ মুখ্য কাৰ্য্যবাহী অভিযন্ত্ৰা আছে আৰু আমাৰ যি গৰাকী কাৰ্য্যবাহী অভিযন্তা তাৰ জিলা তেখেতকো কম একেলগে আপোনাকে দুয়োগৰাকীয়ে মিলি লৈ এই প্ৰগেছ ৰিপৰ্টখন হাতত লৈ যাব আৰু কিমান প্ৰগেছ হৈছে তাৰ একেলগে যদি চাই পিনে আপুনি মোক জনাই নিশ্চিতভাৱে তাৰ বাবে আমি বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব । দ্বিতীয় কথাটো হ'ল যে আমি ইতিমধ্যে আপোনাৰ ইয়াত কেইটামান আঁচনি চলি আছে আমাৰ আৰ আই ডি এফ আৰু তাৰ পিছত পি ডি এম এ ৰ পৰা আৰম্ভ কৰি, প্ৰায়খিনি পি ডি এম এত হৈছে আৰু এচ অ পি ডি ত খুব কমখিনি হৈছে গে। আপুনি যি শংকা কৰিছে তিনিটা অঞ্চল বৰাক নদীৰ ওপৰত এই অঞ্চল কেইটা আমি নিশ্চিতভাৱে অনাগত সময়খিনিত গুৰুত্ব সহকাৰে লম আৰু আপোনালোকৰ তাতে যাতে ৰাইজে তাৰ পৰা শংকিত হৈ থাকিব নালাগে

বিশেষকৈ বৰাক নদীৰ যি বানপানী আছে সেই বানপানীৰ কাৰণে শংকিত হৈ থাকিব নালাগে তাৰ বাবে সময় সাপেক্ষে ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰী কিশোৰ নাথ, বৰখলাঃ** মন্ত্ৰী মহোদয়, মই ইয়াত কব বিচাৰিছো যে যিটো নিমাতাবাৰী মন্দিৰ যি এলেকাটো আছে, এনেক্সাৰ ১ আৰু এনেক্সাৰ ২ টো আছে। দুটা পৰচন যদি একেলগে কৰি দিয়া হয় তেতিয়া এই অঞ্চলটো সুৰক্ষিত হৈ যাব। তাতে ৰাজা গোবিন্দ হাইস্কুল এটা আছে আৰু ইয়াত মই যিটো দেখিছো এনেক্সাৰ ১ তে এটা part দিছে আৰু ২ তো দিছে, যদি দুটা ফেজ একেলগে কৰি দিয়া হয় তেতিয়া এই এলেকাটো সুৰক্ষিত হৈ যাব।

**মাননীয় অধ্যক্ষঃ** মাননীয় বিধায়ক ডাঙৰীয়া আপুনি এটা কাম কৰিব, মন্ত্ৰী ডাঙৰীয়াই আপোনাক পোন্ধৰ মিনিট সময় দিব। চেম্বাৰত এবাৰ লগ ধৰি ল'ব। এতিয়া মাননীয় বিধায়ক শ্ৰী তাঞ্জিল হুছেইন।

**শ্ৰী তাঞ্জিল হুছেইন, চামগুৰিঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মোৰ প্ৰশ্নটো হৈছে জিঅ' টেগৰ ওপৰত। মোৰ চামগুৰি সমষ্টিত দুটা উন্নয়ন খণ্ড আছে , শিঙিমাৰী আৰু বৰাজান। তাত আগতে যেনেকে আমাৰ ইন্দিৰা আৱাস যোজনা আছিলে, এতিয়া তেওঁৰ জিঅ' টেগ কৰি আমাৰ দুখীয়া মানুহৰ ঘৰ পোৱাৰ কাৰণে ব্যৱস্থা কৰিছে। কিন্তু তাত মোৰ কিছুমান ঠাইত অলপ অনিয়ম চলি আছে। তাত কিছুমান অফিচাৰ আৰু ব্যক্তি কেইজনমান জিঅ' টেগৰ লগত ইনভল্ব হৈ থকা, তেওঁলোকে অলপ অনিয়ম কৰি পেলাই, আচলতে যোনে ঘৰ পাব লাগে তেওঁলোকে পোৱা নাই। গতিকে আপোনাৰ জৰিয়তে আমাৰ চৰকাৰৰ পৰা এটা তদন্ত বিচাৰিছো আৰু আহি থকা দিনত প্ৰকৃত দুখীয়া মানুহ যিখিনি জিঅ' টেগৰ জৰিয়তে ঘৰটো পায় মই এইখিনি অনুৰোধ কৰিছো আৰু জিঅ' টেগৰ কেচৰ লগত জৰিত যিজন অফিচাৰ আছে তেওঁলোকে এটা পানিচমেন্ট বা শাস্তি পাওক সেইটো মই কামনা কৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী ডাঙৰীয়া ইয়াৰ ৰিপ্লাই প্লিজ।

**শ্ৰী অতুল বৰা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদনত জনাবলৈ পালে আনন্দিত হম যে এতিয়ালৈকে ২০১৬ ৰ পৰা এতিয়ালৈকে ২২ লাখ প্ৰধানমন্ত্ৰী আৱাস গৃহ যোজনা গ্ৰামীনৰ জৰিয়তে ৰাজ্যখনৰ বিভিন্ন পৰিয়ালক দিয়া হ'ল আৰু আপুনিও আনন্দিত হৈছে, যে আপুনি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী আছিল। এইটো আমাৰ কাৰণে এটা ভাল খবৰ আৰু আমি আগন্তুক ১০০ দিনৰ ভিতৰত ২ লাখ ঘৰ সম্পূৰ্ণ কৰাৰ এটা টাৰ্গেট লৈছো সেইয়া ও হৈ উঠিব আৰু মাননীয় অধ্যক্ষ মহোদয় আপুনি জানে যে পি এম এ ৱাই ৰ অধীনত আৱাস প্লাছ জৰীপৰ জৰিয়তে বিত্তীয় বৰ্ষত ২০২৫ আৰু ২০২৬ ত অসমত ৩৪ লাখ, ৯৯,১৪৪ টা পৰিয়ালক জিঅ' টেগ কৰা হৈছে আৰু এতিয়া কোনো আৱাস গৃহ পাবলগীয়া মানুহ যাতে বঞ্চিত নহয় কোনো সমষ্টিত, সেই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়ে এইবাৰ জিঅ' টেগিং ত জিপিচিক জৰিত কৰা হৈছে, জি আই এচক জৰিত কৰা হৈছে,

এগ্ৰিগেটেট অভিযন্তাক জৰিত কৰা হৈছে, GP Secretary ক জড়িত কৰা হৈছিল, Computer Assistantকো জড়িত কৰা হৈছিল। আনকি self survey কৰাৰ সুবিধাটোও আছিল। তাৰ মাজতো বিভিন্ন ঠাইলৈ গ'লে মই নিজেও প্ৰত্যক্ষ কৰিছো যে বহুতো ঘৰ জৰীপ কৰা নহ'ল। কিন্তু নিজেও জৰীপ কৰাৰ সুবিধাটো আছিল। গতিকে এতিয়া সঠিক চিনাক্তকৰণৰ বাবে আৰু তালিকা উন্নীতকৰণৰ বাবে এতিয়া প্ৰক্ৰিয়া চলি আছে। তাঞ্জিল হুছেইন ডাঙৰীয়াৰ যদি তেনে কিবা অভিযোগ আছে, যদি ক'ৰবাত বাদ পৰি গৈছে তেন্তে আপুনি আমাক লিখিত ভাৱে দিব। তেতিয়া হ'লে আমি এইখিনি কথা নিশ্চিত ৰূপত বিশেষভাৱে চাম। সকলোৱে জানে যে এই PMAY আৱাস গৃহৰ বাবে ১,৩০,০০০ কৈ টকা দিয়া হয়। ইয়াৰোপৰিও বহুত খিনি সুবিধা আমি দিও আৰু phase wise ত এইখিনি মুকলি কৰা হয়।

**শ্ৰী তাঞ্জিল হুছেইন (চামগুৰি)ঃ** চাৰ, মোৰ আৰু এটা supplementary...... interruptions....

**মাননীয় অধ্যক্ষঃ** Question Hour শেষ হ'ল। এতিয়া zero hour ......interruptions.... আমাৰ সদস্যসকলে যেতিয়া প্ৰশ্ন কৰে তেতিয়া মন্ত্ৰীসকলে দিয়া উত্তৰখিনিৰ দৰে কথাবোৰ কৈ থাকে। যিখিনি কথা মন্ত্ৰীয়ে ক'ব লাগে সেইটো সদস্যসকলে কৈ থাকে। সদস্যসকলৰ প্ৰশ্ন সমূহ specific নহ'লে ......interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** চাৰ, এটা অনুৰোধ কৰো আজি মাত্ৰ ৬ টা প্ৰশ্ন গ'ল, ১০ টামান প্ৰশ্ন গ'লে ভাল হয়। আমিও প্ৰস্তুত হৈ আহিছিলো কিন্তু উত্তৰ দিব নোৱাৰিলো সেই কাৰণে প্ৰশ্নসমূহ চমু কৰিলে ভাল হয়। চাৰ, এটা প্ৰশ্নত উত্তৰ সহ ৫ মিনিট দিয়া কৰক।

**মাননীয় অধ্যক্ষঃ** এইটো কৰিবলৈ হ'লে supplementary এজনক দিব লাগিব।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** চাৰ, supplementary দুজনক দিয়ক।

**মাননীয় অধ্যক্ষঃ** দুজনক যদি দিও তেন্তে এজনে যদি দুটা প্ৰশ্ন ......interruptions....

**শ্ৰী তাঞ্জিল হুছেইন (চামগুৰি)ঃ** চাৰ, মন্ত্ৰী ডাঙৰীয়াই কি ব্যৱস্থা কৰিব?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** চাৰ, এটা supplementary , questioner ক দিয়ক আৰু বাকী দুটা বেলেগ দুজনক দিয়ক আৰু ৫-৬ মিনিটৰ ভিতৰত শেষ কৰিব দিয়ক ......interruptions....

**মাননীয় অধ্যক্ষঃ** তেখেতে দুটা supplementary পায়।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** তেখেতৰ প্ৰশ্ন দুটা আৰু দুজনক supplementary দিয়ক ......interruptions....

**মাননীয় অধ্যক্ষঃ** এতিয়া সেইটোৱেই হৈছে। অসম চুক্তিৰ ক্ষেত্ৰত ধৰ্মেশ্বৰ ৰায়ক ক'লো ......interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** চাৰ, এটা প্ৰশ্নৰ ওপৰত ৫-৬ জনলৈ গুছি যায়। যোৱাকালি এটা প্ৰশ্নত supplementary ৬ জনলৈকে গুছি গৈছে। গতিকে দুজন কৰি দিব ......interruptions....

**মাননীয় অধ্যক্ষঃ** সদস্যসকলৰ লগতে মন্ত্ৰীসকলেও উত্তৰ সমূহ চমুকৈ দিব লাগে ......interruptions....

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদিঃ** চাৰ, ১০ টা প্ৰশ্ন হ'বই লাগে। মই এতিয়া কৃষি বিভাগৰ ওপৰত ক'ব পাৰিলোহেঁতেন। মানুহৰ সুবিধা হ'লহেঁতেন।

**মাননীয় অধ্যক্ষঃ** সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ঠিক কথাই কৈছে। বদৰুদ্দিন আজমল ডাঙৰীয়াৰ কৃষি সম্পৰ্কত প্ৰশ্ন এটা আছিল । মই চেষ্টা কৰিলো কিন্তু এতিয়া উপায় নাই। সেইকাৰণে কাইলৈৰ পৰা সদস্যসকলে যাতে বুৰঞ্জী নকৈ specific প্ৰশ্নটো কৰে কিয়নো অসম চুক্তিৰ বুৰঞ্জীৰ বিষয়ে আমি সকলোৱে জানো। Specific প্ৰশ্ন কৰিলেহে আমি প্ৰশ্নসমূহ আগবঢ়াব পাৰিম। বিধায়কসকলেই যদি মন্ত্ৰীৰ দৰে কথা কয়। কাৰোবাৰ Point of Order আছে নেকি ?

**মোঃ বদৰুদ্দিন আজমল (বিন্নাকান্দি)ঃ** চাৰ, মই দীঘলীয়া নকৰো, মই মন্ত্ৰী মহোদয়ক এটাই requirement দিছিলো যে মোক ৪ টা cold storage দিব লাগে। এইটোৰ উত্তৰ দিলেই হ'ব।

**মাননীয় অধ্যক্ষঃ** আপুনি এগৰাকী জ্যেষ্ঠ সদস্য। মই আপোনাৰ এই বিষয়টো পিছত specific device ত আনি দিম।

এতিয়া point of order.

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (পাকাবেতবাৰী)ঃ** চাৰ, ৪৬ নং প্ৰশ্নৰ উত্তৰ দিবলৈ সময় খুব কম পালে। কিন্তু গোটেই ৰাজ্যখনৰ বাবে এইটো এটা অত্যন্ত গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল।

অধ্যক্ষ মহোদয়, আপুনি যেতিয়া বিভাগীয় মন্ত্ৰী আছিল তেতিয়া গোটেই প্ৰক্ৰিয়া আৰম্ভ হৈছিল। Awas Plusৰ বাবে প্ৰথমতে Self Help Group ৰ cadre সকলে গৈ survey কৰিছিল। তাৰ পৰৱৰ্তী পৰ্যায়ত GP Secretary য়ে ......interruptions....

**মাননীয় অধ্যক্ষঃ** আপোনাৰ বিষয়টো কওঁক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (পাকাবেতবাৰী)ঃ** মোৰ কথাটো হ'ল যে মন্ত্ৰী ডাঙৰীয়াই স্বীকাৰ কৰিছে যে ক'ৰবাত নহয় ক'ৰবাত উপযুক্ত মানুহ এই জৰীপৰ আওঁতাত অহা নাই। গতিকে এই বিষয়টোত মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে Geo Tagৰ নামত ফটো মাৰিবলৈ যাওঁতে বিভাগীয় ব্যক্তিসকলে গোটেই অসমৰ পৰা বহু টকা সংগ্ৰহ কৰিছে । যাৰ ফলত উপযুক্ত বঞ্চিত হৈছে। গতিকে এই বিষয়ে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে ......interruptions....

**মাননীয় অধ্যক্ষঃ** এইটো point of order নহয় I Next point of order I

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূৱ গোৱালপাৰা)ঃ** চাৰ জলসম্পদ বিভাগৰ Unstarred Question No. 115.

**মাননীয় অধ্যক্ষঃ** ঠিক আছে কওঁক।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূৱ গোৱালপাৰা)ঃ** চাৰ, Anti Erosion Measures to protect Baratmari Part III near Goalpara Town from the erosion of river Brahmaputra আঁচনিৰ নামত NABARD ৰ পৰা Town protectionৰ বাবে ১২ কোটি টকা দিয়া হৈছিল। উক্তৰত কাম সম্পূৰ্ণ হোৱা বুলি কোৱা হৈছে কিন্তু ইয়াৰ কাম ৫০%ও হোৱা নাই। সেয়েহে বিভাগত যিহেতুকে নতুন মন্ত্ৰী মহোদয় আহিছে গতিকে ইয়াৰ ওপৰত এটা নিশ্চয় তদন্ত কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে । এই বিষয়টো মই চাম। তাৰ পিছত মই মন্ত্ৰী মহোদয়ৰ লগত এই বিষয়ে কথা পাতিম।

**শ্ৰী ওৱাজেদ আলী চৌধুৰী (বিৰসিং জৰুৱা)ঃ** চাৰ, point of order I যোৱা বিধান সভাত আমি supplementary ৰ বাবে সদায় list দিছিলো, দলৰ বিধায়কৰ নাম দিছিলো। সেইমতে supplementary ৰ সুবিধা আমি পাইছিলো। কিন্তু আজি ২-৩ দিন ধৰি আমাৰ বিধায়কসকলে কিন্তু supplementary ৰ scope টো পোৱা নাই। গতিকে system টো কি কৰিব ? হাত দাঙিলে দিব নে slip দিব লাগিব?

**মাননীয় অধ্যক্ষঃ** আপোনালোকৰ মানুহে আহি মোক কৈছে যে আমি হাত দাঙিলে আমাক দিবলৈ ক'ব। কোনে কৈছে মই নাম নকওঁ। সেয়েহে যিয়ে হাত দাঙে তেওঁক supplementary ক'বলৈ দিয়াৰ system টো কৰা হ'ল। কিন্তু যিজনে supplementary কৰিব তেওঁ যদি মোক individually আগতীয়াকৈ লেখি দিয়ে তেন্তে মোৰ বাবে সুবিধা হ'ব। এইটো দল হিচাপে নাহে। যেতিয়া আপোনালোকে Debate ত অংশগ্ৰহণ কৰিব তেতিয়া আপোনালোকে নামটো দিবা Question Hourৰ ক্ষেত্ৰত individually যেতিয়া কৰিব তেতিয়া আপোনালোকক ক'বলৈ দিয়া হ'ব।

এতিয়া Zero Hour. মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়াক- "All the farmers can not register their names because of the land pattas. Either they are treated as tenant farmers or their lands are registered under their forefathers" শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই)**ঃ অধ্যক্ষ মহোদয়, আজি মোৰ মূল বিষয় কৃষি আৰু কৃষকৰ ওপৰত কোৱাৰ আগতে মই বিশেষভাৱে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো যে তেখেতে কৃষি আৰু জলসিঞ্চন এই দুয়োটা বিভাগ একেলগ কৰিলে। এইটো মোৰ দীৰ্ঘদিনীয়া আহ্বান আছিল। তেখেতে দুয়োটা বিভাগ একেলগ কৰি এজন মন্ত্ৰীক অৰ্পণ কৰিলে। লগতে, মই এইটোও ক'ম যে বন আৰু পৰ্যটন দুয়োটা এটা মুদ্ৰাৰ ইপিঠি সিপিঠি। গতিকে এই বিভাগ দুটাও যাতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এজন মন্ত্ৰীৰ হাততেই দায়িত্ব অৰ্পণ কৰে। এতিয়া আহো কৃষিৰ কথালৈ। মোৰ কথাখিনিত impact অনাৰ বাবে মই এটা বজাৰত পোৱা, সকলোৱে খোৱা বস্তু ইয়াত প্ৰদৰ্শন কৰিব বিচাৰিছো। সেইটো অনাটো হয়তো নিষেধ তাৰ বাবে মই Sorry. সেইটো হ'ল এটা ২০০ গ্ৰামৰ tomato sauce ৰ bottle যাৰ দাম ৮০ টকা। (মাননীয় সদস্য গৰাকীয়ে tomato sauce ৰ bottle টো সদনত প্ৰদৰ্শন কৰে)। অধ্যক্ষ মহোদয়, আপুনি পঢ়িয়েই দিলে যে কৃষকসকলৰ registration হৈ আছে। এইটো খুব ভাল কাম হৈছে। কিন্তু ইয়াত কিছু সমস্যা দেখিবলৈ পোৱা গৈছে। অসমীয়া মানুহৰ কাগজ-পত্ৰ ঠিক নাথাকে। এতিয়ালৈ মোৰ নিজৰ নামতে পূৰ্ব পুৰুষৰ যি মাটি সেইয়া আনিব পৰা নাই। আজিৰ পৰা ১ বছৰ মান আগতেই apply কৰি থৈছো। Circle Officeৰ কাম ইমান জটিল। বেছিভাগ কৃষকৰে মাটিৰ নাম আছে আজু ককা, ককা, দেউতাকৰ নামত। Mutation হোৱা নাই যাৰ ফলত তেওঁলোকৰ নামটো নাহে আৰু registration ও কৰিব নোৱাৰে। মাটিৰ ক্ষেত্ৰত এটা creamy layer আছে, যাৰ বহুত বহুত মাটি আছে কিন্তু তেওঁলোকে নিজে খেতি নকৰে। তেনে মানুহৰ পৰা কৃষকসকলে মাটিখিনি লীজত লৈ খেতি কৰে। যাৰ ফলত তেওঁলোকৰো registration নহয়। PM KISAN আঁচনি পাওঁতেও বহুত

সমস্যাত ভুগিব লগীয়া হয়। বহুত খেতিয়কে আহি কয় যে তেওঁলোকে PM KISAN নাপায়। যেতিয়া সোধা-পোচা কৰোঁ তেতিয়া গ'ম পাওঁ যে তেওঁলোকৰ নামত মাটিয়েই নাই তেওঁলোকে ক'ৰবাত আধিত খেতি কৰে। এনে কিছুমান সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি যদি ইয়াৰ আইনটো সলাই সকলো প্ৰকৃত কৃষকৰ নামত যাতে মাটিখিনি আহে , তেওঁলোকে কাৰোবাৰ পৰা মাটি লীজত লৈ খেতি কৰা বুলি যদি লিখাই ল'ব পাৰে তেন্তে তেওঁলোকৰ নামবোৰ ভৰ্ত্তি হ'ব আৰু তেওঁলোকে তেতিয়া চৰকাৰী সুবিধাসমূহ লাভ কৰিব, PM KISAN তেওঁলোকে পাব। এতিয়া মই তিনিটা কাহিনী ক'ম। মই সাধাৰণতে গাওঁবিলাকত ধুৰি ফুৰোঁ। কিবা বাহিৰত মানুহ ওলাই থকা বা কৰি থকা দেখিলে সোমাই মাত লগাওঁ। এদিন এঘৰ মানুহৰ ঘৰত সোমালো, দেখিলো যে বিলাহী এদম কৰি থৈছে। কিনাৰতে গৰু এজনীক খুৱাই আছে আৰু এটা মানুহে বস্তাত বিলাহী ভৰাই আছে। তেতিয়া মই সোমালো আৰু গম পালো যে কৃষকজনৰ নাম বলীন শৰ্মা। মই সুধিলো কি হ'ল ? বিলাহীবিলাক যে গৰুক খুৱাই আছ, ইমান ধুনীয়া বিলাহী তেওঁ ক'লে যে এতিয়া ১ টকা ২ টকাতকৈ price নিদিয়ে। গৰুৰ দানাৰ দাম বহুত। সেই কাৰণে ইয়াৰ অলপ খুৱাইছো। কিন্তু বেছি খুৱাবও নোৱাৰি, গৰু পেটত গেছ হয়। বাকী এজনে গাহৰিৰ কাৰণে অলপ বিলাহী লৈ গৈছে বিনামূলীয়াকৈ। কাৰণ চিঙিলেও হাজিৰা কৰা যিটো দাম ওলায়, সেইটো দাম নোলায়। এতিয়া মই ক'ব খুজিছো যে বিলাহী দুশ গ্ৰামত যদি ৮০ টকা হয়, ১ কেজি বিলাহীত ১ টকা ২ টকা কেতিয়াবা হৈ যায় আৰু মই আগদিনাখন ৩০ টকাত বজাৰত বিলাহী কিনিছো। বজাৰত সেইদিনাখন ৩০ টকা দাম, ২০ কিলোমিটাৰ আতৰত খেতিয়কজনৰ ঘৰ। মই তাত গৈ পাইছো যে ১ টকা ২ টকা দাম উঠিছে। মাজত কি কেৰোণ সুমাই আছে বা বিলাহী য'ত produce হয় সৰহকৈ বা তেনেকুৱা। এইটো কি কোম্পানীৰ নাজানো আমি ইহঁতকে মাতি আনি ফেক্টৰী এটা বনাব পাৰো, নিজেও বনাব পাৰো। এইটো হয়তো বেছি দামী ফেক্টৰী নহ'ব আৰু ইয়াত অকল বিলাহীয়ে নাই চাগে। যেনেকৈ মাজা বনাবলৈ ৰঙালাউ mix কৰে, মাজাৰ যিটো হালধীয়া যে খাওঁ, আমৰ নিচিনা আম নাথাকে তাত ৰঙালাউ থাকে। ইয়াত চাগে বেলেগ কিবা mix দিছে সস্তীয়া বস্তু দাম ৮০ টকা। এইটোতো আৰামত আমি এই rate টো একেটা rate ত ৰাখিব পাৰো। বলীন শৰ্মাই ক'লে ৰঙালাউত যিমান লাভ কৰিছিলো, বিলাহীত চাফা হৈ গ'ল। এইবিলাক সমস্যা দূৰীকৰণ কৰিবৰ কাৰণে মই মাননীয় বিভাগক অনুৰোধ জনাইছো। কাৰণ এনেকুৱা যদি সৰু সৰুকৈও ক'ৰবাত বনাই দিয়ে, য'ত বিলাহী বেছি produce হয়, তেতিয়া সমস্যাটো সমাধান হয় বা নহ'লে কৃষকে direct ট্ৰাকত উঠাই লৈ যাব পাৰে। নিজৰ বিলাহী লোড কৰিলে বাটত কোনো বাধা বিঘিনি নাই ফেক্টৰীত বিক্ৰী কৰি দিলে। এনেকুৱা এটা lineup কৰি দিলেও এই বিলাহীৰ সমস্যাটো সদায় প্ৰত্যেক বছৰে হয়, মই দেখো। দ্বিতীয়তে কওঁ যিবিলাক কৃষি প্ৰধান অঞ্চল, সেইবিলাকলৈ মই গৈ থাকো। এটা অঞ্চললৈ গৈছিলো, বেবেজীয়া লিক্চন, মোৰ four wheel

গাড়ী আছে, সেই কাৰণে যাব পাৰিছিলো। ৰাস্তা-ঘাট ইমানেই বেয়া, তাত গৈ দেখিছো এগৰাকী মানুহে দুটা বাল্টিওঁত নদীৰ পানী ভৰাই আছে। মই গাড়ীখন ওচৰ পাওঁতেই মানুহগৰাকীয়ে ৰাস্তা cross কৰিছে, মই গাড়ী ৰখাই কথা-বতৰা পাতিলো। মানুহ গৰাকীৰ নাম লাৱণ্য বৰুৱা। মই সুধিলো ভাত বনাবলৈ পানী আনিছে নেকি ? পানীখিনি খুব চাফা নেকি ইয়াৰ ? তেওঁ ক'লে নহয়, ভাত বনাবলৈ অনা নাই, খেতি পথাৰত দিবলৈ আনিছো। খেতিত জলকীয়া, বিলাহী এনেকুৱাবোৰ ৰুই থৈছে। কিমান খেতি কৰে বুলে mix কৰি ১০ বিঘা খেতি কৰো। ১০ বিঘা খেতিত এগৰাকী মানুহে ২০০ মিটাৰ আঁতৰৰ পৰা নদীৰ গৰাও আছে, তাৰপৰা পানী আনি দি আছে। তেতিয়া মই ক'লো যে এইটোতো বহুত কষ্টকৰ কাম, ক'লে যে কৰি আছো যিমান পাৰো দিওঁ আৰু তেনেকৈ। তেতিয়া মই এজন জলসিঞ্চনৰ ঠিকাদাৰক খবৰ দিলো যে ইয়াত এটা পাছত মই কৰবাত adjust কৰি দিম ইয়াত এটা solar pump এটা দি দিব লাগে। মাননীয় শ্ৰীপীয়ুষ হাজৰিকা ডাঙৰীয়াক কেতিয়াবা মই লগ কৰাই দিম এইখিনি মানুহক যে তেওঁলোকৰ নিজৰ কথাখিনি পাতিব পাৰিব আৰু এই মানুহগৰাকীয়ে প্ৰায় ৫ কিলোমিটাৰ খোজ কাঢ়ি যায় ৰাতিপুৱা তাতে ভাত খায়, আকৌ তাৰপৰা ঘৰলৈ ঘূৰি আহে। আমাৰ কি হয় agriculture ৰাস্তাটো four wheel হোৱাৰ কাৰণে যাব পাৰিলো। আমি জনবসতি স্থলত পথ বনাওঁ। কিন্তু কিছুমান ৰাস্তা কৃষি বিভাগেও ল'ব লাগে, কৃষিথলীলৈ যোৱা ৰাস্তা। সেই কৃষি ৰাস্তাৰ কাৰণে কৃষকে বহুত দাম কম পায়। উলিয়াই আনিবলৈ বহুত দিগদাৰ আৰু এটা কথা কওঁ এদিন খেতিয়ক এজনৰ ঘৰত বহি আছিলো। ভাইটী বৰা নে কিবা, বহা, বহা বুলি কৈছো কেলেই, ঘৰ নহয়, খেতিৰ সময়ত তাতে থাকি জিৰণি লয় বা ভাত বনায় খেতি এটাই দেখিলো, দুফালে। ধান খেতি নে কিবা খেতি আছিল। এটা খুব ভাল স্বাস্থ্য আৰু এটা বেয়া স্বাস্থ্য। মই ক'লো যে এইখিনি মাটি সাৰুৱা নহয় নেকি ? নে সাৰ দিয়া নাই নেকি ? ক'লে যে এইটো মই নিজেই বজাৰৰ পৰা কিনা আৰু এইটো কৃষি বিভাগৰ পৰা দিয়া বেয়া। তেওঁলোকে দেৰিকৈ দিলে সেই কাৰণে  যেতিয়া  পাব লাগিছিল নাপালো দেৰিকৈ অহাৰ কাৰণে দিছে যেতিয়া সিচি থ'লো সেই কাৰণে স্বাস্থ্যটো বেয়া হ'ল লগতে বীজষ্টাৰ গোট বুলি কয়, সেইটো আমি সততে টিভি বা পেপাৰতো পাই থাকো। সেইকাৰণে এইখিনি বস্তু নতুন মাননীয় মন্ত্ৰী মহোদয়ক মই চাবলৈ অনুৰোধ কৰিলোঁ। এতিয়া farmer registration কৰিছেহে ঠিক আছে। আগতে database নাথাকে কৃষি কাৰ্য্যালয় বিলাকত যে কোন কোন খেতিয়ক, সৰিয়হ খেতিয়ক কোন কোন, আলুৰ খেতিয়ক কোন কোন বা মটৰমাহৰ খেতি কোনে কোনে কৰে। ফলত আচল খেতিয়ক সকলেটো সময় নাপায় কৃষি কাৰ্যালয়ত যাবলৈ।  যিসকলৰ কাম নাই ঘূৰি ফুৰে কৃষিৰ ওচৰত। একেজন মানুহেই চাও যে যিয়ে spray machine দিয়ে একেজন মানুহে প্ৰত্যেক বছৰে   পায়। এদিন মই এফালে গৈ থাকোতে ল'ৰা কেইজনে মটৰ ঘুগুনী বনাই আছে। মই নামি সুধিলো, সিহঁতক চিনি পাইছিলো যে সুধিলো যে কেতিয়াৰ পৰা ঘুগুনীৰ

দোকান খুলিছ ? ক'লে যে আহক খাই যাব ধুনীয়া ঘুগুনী বনাইছো । তাৰপাছত ইফালে সিফালে ঘূৰি ফুৰোতে এজনে ক'লে কালি বুলে কৃষি কাৰ্য্যালয়ৰ পৰা মটৰ ১ বস্তা আনিছে আৰু ঘুগুনী বনাই আছে। তাৰমানে আচল খেতিয়কজনে পোৱাগৈ নাই। সেই database টো লাগে। কোনে কি খেতি কৰে লিষ্ট মাৰি থাকিলেই হ'ল, computer ত ভৰাই থাকিলেই হ'ল। যিখিনিয়েই ভিৰ কৰি থাকে, কৃষি বিভাগৰ মানুহখিনিয়েও অশান্তি পায়, দি মেলি শেষ কৰে। দালাল প্ৰকৃতিৰ কিছুমান থাকে, প্ৰত্যেকবাৰে পায়। এইখিনি আসোঁৱাহ দূৰ নকৰিলে আমাৰ খেতিপথাৰ অঞ্চল আমাৰ খেতিয়ক সকল আগবাঢ়ি যাব নোৱাৰে। খেতি হয়তো আগবাঢ়ি গৈ থাকিব কিবা প্ৰকাৰে, খেতিয়ক সকল আগবাঢ়িব নোৱাৰে আৰু subsidy, মোক এজন গমাৰীৰ পৰা মোৰ বন্ধু এজনে বহুত খেতি কৰে যোগেন গগৈ বুলি ল'ৰা এজন। তেওঁ ফোন কৰি ক'লে যে agriculture ৰ ৱাটাৰ পাম্প আনিবলৈ গৈছিলো, ক'লে যে ইমান টকা দিব লাগিব ইমানটো  subsidy. মই এবাৰ বজাৰত try কৰিলো, বজাৰত গ'লো। বজাৰত আমাৰ চৰকাৰে যিটো subsidy দিয়ে, বজাৰত সেইটো discount য়েই দিয়ে। অলপ হেৰফেৰ হ'ব পাৰে । আমাৰ subsidy ত discount আছে । এইটো দোকানীয়েও কেৰজেৰ কৰিলে সিমানলৈকে discount দি দিয়ে। তেতিয়াহ'লে বজাৰত গ'লে মোৰ বেছি ভাল। চৰকাৰৰ লগত লেনা-দেনা নাই, কিবা-কিবি চহী কৰা কিবা কৰা । লগতে মোৰ যদি মটৰতো বেয়া হয়, তেওঁলোকৰ মানুহ যাব বা মই ইয়ালৈ লৈ আহিলো। চৰকাৰৰ পৰা দিয়া ক'ত কি, ক'ৰপৰা আহিছে নাজানো। সেই কাৰণে এই যি subsidy থকা বস্তুটো, আমাৰ চৰকাৰে চাব লাগে যে discount লৈ কিনিব লাগে সেই rate তে কৃষকক দিব লাগে। subsidy তাৰ পৰা দিয়ক। discount টোক subsidy কৰিব নোৱাৰে। আমাৰ এইখিনি কথাকে ক'লো। আৰু কৃষি আৰু কৃষক এই sector টোক যদি আমি আগবঢ়াই নিনিও তেতিয়া আমাৰ আত্মনিৰ্ভৰ অসম কেতিয়াও নহয়। কাৰণ আমি যিমানে industry বনাও, যিমানেই চৰকাৰী চাকৰি আমি create কৰো, কিন্তু unemployment টো শেষ কৰিব নোৱাৰি। কৃষিৰ প্ৰতি ধাউতি কৰি যে মই খেতি কৰিলে মোৰ লাভ হ'ব। প্ৰত্যেকজন খেতিয়কে কিবা খেতি কৰিলে চিন্তা হয় যে এইবাৰ দাম থাকিব নে নাই ? দাম পাম নে নাই ? লোকচানে হয়। কাৰণ এবাৰ লাভ হয়, এবাৰ লোকচান হয়। সেই কাৰণে মই সদনৰ জৰিয়তে মাননীয় আমাৰ নতুন মন্ত্ৰী ডাঙৰীয়াক এই বিষয়সমূহ চাবলৈ মই অনুৰোধ কৰিলো আৰু মোৰ সমষ্টিলৈ তেখেতক আমন্ত্ৰণো কৰিছো কাৰণ তেখেতক দেখিছো বহুত ঠাইত গৈ খেতিয়কৰ লগত mixup  হৈ নিজে চাইছে খেতিয়কৰ সমস্যাসমূহ। তেখেতক নিমন্ত্ৰণ জনাইছো। ধন্যবাদ।

**শ্ৰী শ্বেৰমান আলী আহেমদ, মন্দিয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা point add  কৰিব পাৰিম নেকি ?

**মাননীয় অধ্যক্ষঃ** নালাগে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপীযুষ হাজৰিকা, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰীঃ** সন্মানীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীমৃণাল শইকীয়া ডাঙৰীয়াই সকলো খেতিয়কে farmar registration কৰিব নোৱাৰে বুলি যিটো কথা ইয়াত উল্লেখ কৰিছে, সেইটো এটা খুব গুৰুত্বপূৰ্ণ কথা । কাৰণ আমাৰ বহু কৃষকৰ সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, মাটিৰ কাগজ-পত্ৰ নাই । ২০১৫ চনৰ economic census ৰ মতে অসমত কৃষকৰ পৰিয়াল ২৬.৫ লাখ। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, তাৰে PM Kisan লাভ কৰে অসমত প্ৰায় ১৮.৫ লাখ ব্যক্তিয়ে। এই মুহূৰ্তত farmer ID আমাৰ অসমত প্ৰায় ১৩ লাখ মান কৃষকৰ হাতত আছে। কিন্তু সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ অসমত ৰিপোৰ্ট আছে ৭০ শতাংশ। টাউনত থকা মানুহ বাদ দিলে ৭০ শতাংশ মানুহ কৃষক। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসমত অতি কমেও ৪০ লাখৰ পৰা ৪৫ লাখ পৰিয়াল কৃষক হ'ব লাগে বা কৃষক হয়। আমাৰ Economic cencus ত আছিল চাৰে ছাব্বিছ লাখ (২৬.৫ লাখ)। তাৰ পিছতো আমাক কোৱা হয় যে অসমৰ মিনিমাম প্ৰায় ৪০ লাখ মানুহ খেতিয়ক হয় । কিন্তু এতিয়ালৈকে আমাৰ registration টো দুটা প্ৰক্ৰিয়াত আছে। এটা হ'ল PM-Kisan, তাত চাৰে ওঠৰ লাখৰ অকনমান কম-বেছি আৰু এতিয়ালৈকে কৃষকৰ ID ১৩ লাখৰ আছে। কিন্তু মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমি মিনিমাম ৪০ লাখলৈকে যাব লাগে। ৪০ লাখলৈকে আমি PM-Kisan ত যাব নোৱাৰো কাৰণ যিয়ে কৃষকৰ registration কৰে সকলোৰে তাত PM-Kisan পোৱা ব্যক্তি নাথাকিব পাৰে। ধৰি ললো মাননীয় অধ্যক্ষ মহোদয়, এই সদনটো নিশ্চয়কৈ কৃষক আছে। তেওঁলোকে registration কৰিব লাগিব কিন্তু তেওঁলোকে PM-Kisan নাপাব । আজিৰ তাৰিখত এটা কথা কোৱা হৈছে যে যিয়ে কৃষকৰ registration কৰিব তেওঁলোকেহে কেন্দ্ৰীয় চৰকাৰৰ সাহাৰ্য্য বা সা-সুবিধা সমূহ পাব । সকলোতকৈ গুৰুত্বপূৰ্ণ কথা টো হ'ল সাৰৰ ক্ষেত্ৰত, ইউৰিয়া সাৰ আমাৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে বছৰত প্ৰায় ৩ লাখ কোটি টকাৰ চাবচিডি দি আমাৰ কৃষক সকলক কম মূল্যত দি আছে। আচলতে এক বেগ ইউৰিয়া সাৰৰ দাম ৩০০০ টকা হ'ব লাগে কিন্তু সেই ইউৰিয়া সাৰ ৪৫০-৫০০ টকাত উপলব্ধ হয় । চাবচিডি কেন্দ্ৰীয় চৰকাৰে দিয়ে । গতিকে সাৰৰ যাতে black marketing হ'ব নোৱাৰে, সাৰৰ যাতে দুই নম্বৰী বজাৰত বিক্ৰী কৰিব নোৱাৰে তাৰবাবে লাহে লাহে এনেকুৱা হৈ আছে যে যি গৰাকী কৃষক, যাৰ ।D আছে তেওঁহে সাৰ পাব সেই ব্যৱস্থা কৰি থকা হৈছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, কোনোবাই যদি সাৰ আমাৰ সাৰৰ দোকানত কিনিবলৈ যায় সাৰ কিনা ব্যক্তি জনৰ আধৰ কাৰ্ড লাগিব। কেইদিন মানৰ পিছত Farmer ID বিচাৰিব। গতিকে Farmer ID অত্যন্ত প্ৰয়োজনীয়। মই আমাৰ সন্মানীয় বিধায়ক সকলক এই সুযোগতে অনুৰোধ জনাম যে আপোনালোকৰ জিলাই জিলাই, সমষ্টিয়ে সমষ্টিয়ে, পঞ্চায়তে পঞ্চায়তে

Farmer Registration ৰ কাম চলি আছে। আপোনালোকে হয়তো ইতিমধ্যে গম পাইছে। মই বহুতৰ লগত ব্যক্তিগত ভাৱেও যোগাযোগত আছো। মাননীয় অধ্যক্ষ মহোদয়, যোৱা পৰহি অসমত প্ৰায় ৫৫০০ কৃষকৰ Registration হৈছে আৰু যোৱা কালি প্ৰায় ৬৫০০ হৈছে। আমি এনেকৈ ৫০০০ ৰ average ত যোৱা ১০ দিন ধৰি সমগ্ৰ অসমৰ চুকে-কোনে কৃষকৰ Registration কৰি আছো। কৃষকৰ Registration এই কাৰণেই কৰি আছো যে কৃষকৰ Registration যদি নাথাকে অনাগত ভৱিষ্যতত কোনেও বীজ নাপাব, গছৰ পুলি নাপাব, সাৰ নাপাব, কোনেও কৰ'বাত Minor Irrigation ৰ চিষ্টেম নাপাব। মুঠৰ ওপৰত এনেকুৱা এটা পৰিৱেশ হ'ব যে Farmer ID থকা ব্যক্তিয়েহে চৰকাৰী সা-সুবিধা বা সাহাৰ্য্য পাব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশ মৰ্ম্মে এই Farmer Registration টো এটা মিশ্যন মুডত লৈছো। আমি সমগ্ৰ অসমত নৱেম্বৰ মাহলৈকে First phase ত কৰিম। নৱেম্বৰ মাহলৈকে আমি টাৰ্গেট কৰিছো ৭–৮ লাখ registration কৰিব পাৰো নেকি। তাৰ পিছতো আমি বন্ধ নকৰো, পূৰ্ণ গতিত চলি থাকিব। কিন্তু এটা চিষ্টেমত চলিব লাগিব কাৰণ আমাৰ DO, ADO বা Extension Officer আদি যিসকল চৰকাৰী বিষয়া আছে তেওঁলোকে কেৱল এইটো কামতে লাগি থাকিলে তেখেত সকলে বেলেগ কাম কৰিব নোৱাৰিব। কিন্তু আমি প্ৰথম এই ছয় মাহত তেওঁলোকক মূলতঃ এই Farmer Registration ৰ কামতে লগাইছো। প্ৰত্যেক দিনাই ফল ও পাইছো। সমগ্ৰ অসমত ৫০০০ average ত Farmer Registration ৰ কাম চলি আছে। 4th Saturday আৰু দেওবাৰৰ দিনা নিয়মমতে চৰকাৰী কাম-কাজ অসমত নহয়। মাননীয় অধ্যক্ষ ডাঙৰীয়া, 4th Saturday আৰু এই ১০ দিনৰ মাজত দুটা দেওবাৰ ও পালো, দেওবাৰ আৰু 4th Saturday ৰ দিনা আমাৰ কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰী সকলে গাৱেঁ গাৱেঁ গৈ Farmer Registration ৰ কাম কৰিছে আৰু সেই দুদিনো প্ৰায় ১৫০০-১৫০০ average ত হৈছে। আমি এইখিনি কাম কৰিছো। কিন্তু সমস্যা কিছুমান আছে। সমস্যাৰ কথাও সদনত অৱগত কৰিব লাগিব। মাননীয় বিধায়ক শ্ৰী মৃনাল শইকীয়া ডাঙৰীয়াই এই প্ৰশ্নটো উত্থাপন কৰাত মোৰ ক'বলৈ সুবিধা হৈছে। মাননীয় বিধায়ক বদৰুদ্দিন আজমল ডাঙৰীয়াই এই প্ৰশ্নটো আনিছিল। তাৰ কাৰণে মই সাজু হৈ আছিলো। কিন্তু প্ৰশ্নটো আমি শুনিবলৈ নাপালো। গতিকে এইখিনি ক'বলৈ পাই এইটো কাৰণে মই ভাল পাইছো যে কৃষক সকলক সহায় কৰাতো আমাৰ দায়িত্ব। আমাৰ ভোটাৰ সকলৰ সৰ্বাধিকেই কৃষক। এই কৃষক সকলেই আমাক ইয়ালৈকে জিকাই পঠাইছে। কোনোবাই BJP ক, কোনোবাই BPF, কোনোবাই AGP ক আৰু কোনোবাই AIUDF ক ভোট দিছে। মুঠৰ ওপৰত আমাক ভোট দিয়া বেছি ভাগ মানুহেই কৃষক। গতিকে কৃষক সকলৰ কাৰণে আমি কাম কৰিবই লাগিব। কৃষক সকলৰ কাৰণে এই মূহুৰ্ত্তত প্ৰথম কামটো হ'ল কৃষকৰ Registration আৰু Farmer ID দিয়া। Farmer ID খন Identity card ৰ দৰে। এই Farmer ID খন দেখালেই

গোটেই সুবিধাখিনি পাব। মাননীয় অধ্যক্ষ মহোদয়, আমি অসমৰ সমস্যা সমূহৰ বিষয়ে অলপ আলোকপাঠ কৰিব লাগিব। অসমৰ সমস্যা সমূহ হ'ল যে আমাৰ ইয়াত বহু কৃষকৰ মাটি নাই। মাটি নাপালে Registration নহ'ব। কিন্তু আমাৰ কেবিনেটত আগতে মাননীয় মুখ্যমন্ত্রীৰ পৌৰহিত্যত মাননীয় মন্ত্রী শ্রী অতুল বৰা ডাঙৰীয়াই কেইবাটাও সমস্যা সমাধান কৰিছিল। এতিয়া আমাৰ চাহ বাগানৰ ব্যক্তি সকলক মাটিৰ পট্টা দিছো। সেই পট্টাখন যাৰ যাৰ আছে তেওঁলোকে কৃষকৰ Registration পাব। যদিহে তেওঁলোক যায় automatically Registration পাই যাব। চাহ বাগান থকা সমষ্টি সমূহৰ বিধায়ক সকলক অনুৰোধ কৰিছো যে য'ত য'ত মাটিৰ পট্টা ইতিমধ্যে চাহ বাগানৰ বনুৱা ভাই-বন্ধু সকলে লাভ কৰিছে তেওঁলোকৰ কাৰণে যাতে Registration কৰোতে আপোনালোকে অলপ সহায় কৰি দিয়ে তাৰ বাবে মই অনুৰোধ কৰিলো। মাননীয় অধ্যক্ষ মহোদয়, সৌ সিদিনা আজি প্ৰায় ১০ দিন মানৰ আগতে কেন্দ্ৰীয় চৰকাৰে আমাৰ অসমৰ ক্ষুদ্ৰ চাহ খেতিয়ক সকলক কৃষক হিচাপে স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিলে। সেইদিনাৰ পৰা আমি চাহ খেতিয়ক সকলক Registration দিছো যাৰ নিজৰ মাটি আছে। মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰী মাটি যিসকলে দখল কৰি আছে, যাৰ কাগজ-পত্ৰ আছে তেওঁলোককো আমি কৃষক Registration দিব পাৰিম। এতিয়া আমি দুটা কথাৰ কাৰণে লাগি আছো। এটা কথা হৈছে যিসকলে আধি খেতি কৰে তেওঁলোকক এখন ত্ৰিনয়ণ চাৰ্টিফিকেট যদি মাটিৰ মালিকে দিয়ে, তাত আমি এটা বাক্য লিখি দিব বিচাৰিছো কাৰণ মাটিৰ মালিকে লিখি দিবলৈ অলপ অসুবিধা পাব পাৰে। কাৰণ কোনোবাই ৰায়তী দাবী কৰিব পাৰে। গতিকে আমি এনেকুৱা এটা বাক্য লিখি দিব বিচাৰিছো যে এইখিনি মাটি মোৰ, মই অমুক গৰাকী ব্যক্তিক মাটিখিনি খেতি কৰিবলৈ হে দিছো, তাৰ বাহিৰে তেওঁলোকৰ কোনা right নাথাকিব। এই কামখিনৰ বাবে আমি কেন্দ্ৰীয় চৰকাৰৰ লগত লাগি আছো। সৌ সিদিনা শিৱৰাজ সিং চৌহান ডাঙৰীয়া আহিছিল আৰু মই দিল্লীতো তেখেতক লগ ধৰি এই কথাখিনি অনুৰোধ কৰিছিলো। সিদিনা মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াই মোক দুটা কাম কৰিবলৈ নিৰ্দেশ দিছিল আৰু মই memorandum আকাৰে দিছিলো যে আমাৰ যি সকল ক্ষুদ্ৰ চাহ খেতিয়ক আছে, তেওঁলোকে যাতে MSP পায়। মাননীয় মুখ্যমন্ত্রী মহোদয়ে মোক ৰাতিপুৱাই ফোন কৰি কৈছিল আৰু আবেলি মই কৃষি মন্ত্রী ডাঙৰীয়াক memorandum দিছিলো। তাত লিখিছিলো যে এই ত্ৰিনয়ণ চাৰ্টিফিকেটখন allow কৰিব লাগে যাতে আমাৰ আধি খেতি কৰি থকা লোক সকলে কৃষকৰ Registration টো পায়। মাননীয় অধ্যক্ষ মহোদয়, মই অহাকালিৰ পৰা মোৰ সমষ্টিত এটা পাইলট প্ৰজেক্ট হিচাপে কৰিছো। মাননীয় ৰাজহ মন্ত্রী ডাঙৰীয়াও আছে, মই তেখেতক অনুৰোধ কৰিম আৰু লগতে নিশ্চয়কৈ মাননীয় মুখ্যমন্ত্রী ডাঙৰীয়াক প্ৰথমে অনুৰোধ কৰিম। ইতিমধ্যে কামটো হৈছিল, কেৱল কামখিনি খৰতকীয়া কৰিব লাগিব। আমাৰ এটা ডাঙৰ সমস্যা হৈছে যে আমাৰ মাটিবোৰৰ নামজাৰি নাই। অৰ্থাৎ মাক-দেউতাক

কেতিয়াবাই ঢুকাল কিন্তু এতিয়ালৈকে মাক-দেউতাকৰ নামৰ মাটিখিনি নিজৰ ল'ৰা-ছোৱালীৰ নামলৈ অহাই নাই। তেওঁলোকে খেতি কৰি আছে কিন্তু নিজৰ নামত মাটিখিনি নহালৈকে কৃষকৰ Registration টো নাপায়। গতিকে অহা কালি মই মোৰ সমষ্টিত উপায়ুক্ত ডাঙৰীয়াণী, CDC আৰু ৰাজহ চক্ৰ বিষয়াক অনুৰোধ কৰিছো যে কালিৰ পৰা মই এপষেক বা এসপ্তাহ Mutation Week বা Mutation Month ৰ এটা পাইলট প্ৰজেক্ট কৰিম। ৰাতি মই উপায়ুক্ত ডাঙৰীয়াৰ লগত কথা পাতি সিদ্ধান্ত ললো। এতিয়া মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু মাননীয় কেশৱ মহন্ত ডাঙৰীয়াক জনালো হয়। মোৰ সমষ্টিত আমাৰ কৃষক ল'ৰা বিলাকে বা আমাৰ কৃষিৰ লগত জড়িত লোকসকলে কোৱাৰ দৰে যদি এটা এটা সমষ্টিত আমি ভালকৈ Mutation টো কৰি দিওঁ তাৰফলত মাননীয় অধ্যক্ষ মহোদয়, এটা ডাঙৰ কাম হ'ব। বহু ব্যক্তিয়ে আমাৰ Circle Office লৈ যাবলৈ অসুবিধা পায়। কাৰণ এখন Mutation ৰ বাবে চাৰি-পাঁচদিন যাব লাগে। খেতিয়ক মানুহ, তাত কোনো গুৰুত্বও নিদিয়ে। তেনেকুৱা এটা সমস্যা হয়। আমি যদি Mutation  ৰ কাৰণে specific camp কৰো তেতিয়া এটা এটা সমষ্টিত  চাৰি-পাঁচ হাজাৰ হয়তো বাঢ়ি যাব।  চাৰি-পাঁচ হাজাৰ বঢ়া মানে আমি তাতে ৫ লাখৰ এটা সংখ্যা পাই যাম। ইতিমধ্যে কেম্প কৰিছিল বুলি মই কৈছো। কিন্তু এটা এটা সমষ্টিত যেতিয়া মই গাৱেঁ গাৱেঁ ঘূৰি ফুৰিছো তেতিয়া মোক বহুতেই কৈছে যে দেউতাৰ নামৰ যি মাটি আছিল এতিয়াও সেইখিনি মোৰ নামত অহা নাই। গতিকে এইখিনি যদি কৰি দিব পৰা যায় তেতিয়া আমাৰ আৰু ৫-৬ লাখ মানুহৰ দুটা ডাঙৰ উপকাৰ হ'ব। তেতিয়া তেওঁলোকৰ মাটি নিজৰ নামলৈ আহি যাব আৰু লগে লগে কৃষক Registration আৰু Farmer ID ও পায় যাব আৰু তেওঁলোকৰ প্ৰায় ৯০ শতাংশই  PM কিষান পাব। গতিকে আমি তেওঁলোকক এইখিনি কৰি দিও, তেতিয়া ৩ টা কাম হ'ব, যেনে Farmer registration, ID creation, তাৰ পিছত যিখনি উপান্ত খেতিয়ক  তেওঁলোকে গৈ PM কিষান portal ত গৈ আকৌ পঞ্জীয়ন কৰিব লাগিব। আৰু যিখিনি যোগ্য কাৰণ   সকলোৱে নাপায়, যেনে মই খেতি কৰো কিন্তু মই PM Kissan নাপাওঁ, কিন্তু তথাপিও মই খেতি কৰিবলৈ মোৰ নামটো পঞ্জীয়ন কৰিব লাগিব। মুখ্যমন্ত্ৰীৰ ডাঙৰীয়াৰ নিৰ্দেশত আমি স্মাৰক পত্ৰ দিছিলো শিবৰাজ সিং চৌহান ডাঙৰীয়াক খেতিয়কৰ পঞ্জীয়নৰ ব্যৱস্থা কৰিবলৈ। যেতিয়া মই তেখেতক থ'বলৈ বিমানবন্দৰলৈ গৈছিলো তেতিয়া মই গোটেই কথাখনি কৈছিলো আৰু তেখেতে গুৰুত্ব দিছিল  আৰু ইয়াৰ বাবে আমি লাগি থাকিম। মই আমাৰ মন্ত্ৰী চৰণ বড়ো ডাঙৰীয়াই কোৱাত মনত পৰিল যে পৰহি BTR ৰ উপ মুখ্য কাৰ্যবাহী সদস্য ডাঙৰীয়া মোৰ কাৰ্য্যালয়লৈ আহিছিল আৰু আমি সিদ্ধান্ত ল'লো যে আমাৰ যথেষ্ট কৰিবলগীয়া আছে BTRত , আমাৰ কৰিবলগীয়া আছে কাৰ্বিআংলঙত আৰু ডিমাহাচাওত। মই কাৰ্বিআংলঙৰ CEM তুলিৰাম ৰংহাং ডাঙৰীয়াৰ লগতো কথা পাতিছো। আমাৰ সমস্যা আছে বৰাকভেলিত । শিলচৰত এতিয়া আৰম্ভ কৰিছো কিন্তু তাত

Digitalization হোৱা নাই। গতিকে এইখিনি কাম আমি এদিন গৈ চৰণ বড়ো ডাঙৰীয়াকো জনাম যে BTR ৰ গোটেই কৃষি বিভাগ আৰু ৰাজহ বিভাগৰ লগত আলোচনা কৰি কামটো খৰতকীয়া কৰাৰ বাবে আলোচনা কৰিম। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নিৰ্দেশত অহা পাচ বছৰত অসমত কমেও ৪০ লাখ মানুহৰ মাটিৰ সমস্যা খিনি যদি সমাধান হয়, তেতিয়া হ'লে আমি খেতিয়কৰ পঞ্জীকৰণ আৰু ID Creation কৰিব পাৰিম যাৰ ফলত খেতিয়কে বহুত সুবিধা পাব। মৃণাল শইকীয়া ডাঙৰীয়াই কলে যে যি সকল খেতিয়ক নহয়, তেওঁলোকে বীজ পায়। আগতে খুব ভাল কাম হৈছে অতুল বৰা ডাঙৰীয়াৰ নেতৃত্বত। মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰায় ২৫০ খন উৎকৰ্ষ FPC ক ১৫ লাখকৈ টকা দিছিল। এইবছৰ আমি ১০০ উৎকৰ্ষ FPC ক ১৫ লাখকৈ দিম। সেইখিনি কাম অতুল বৰাৰ ডাঙৰীয়াৰ দিনতে হৈছিল। মই কব বিচাৰো তাৰ মাজতো ক'ৰবাত সৰু সুৰা গণ্ডগোল হ'ব পাৰে। কিন্তু আমি এইবাৰ আমি কৃষি বিভাগক কৈছে যে বীজ বিতৰণ কৰোতে স্থানীয় বিধায়কক লগত ৰাখিব লাগে। মই কৈছো যে বীজ যোৱা সময়ত আপোনালোকে জন প্ৰতিনিধিৰ লগত যোগা যোগ কৰিব। এই বাৰৰ পৰা যিমান বীজ যায় যিমান সা-সুবিধা যায় আপোনালোকৰ লগত যোগাযোগ কৰা হ'ব আৰু সময়তকৈ আগতে বীজ পাব অন্তত ১৫ দিন আগতে বীজ পাব। এই বাৰ আমি ধান খিনি দি দিলো। আমি সিদ্ধান্ত লৈছো যিখিনি বীজ দিওঁ বা কিটনাশক দিওঁ বা যি যি দিব লাগে মানে বীজ দিলে Put link up বুলি কয় মানে বীজ দিলে কীটনাশক দিব লাগে আৰু অনান্য সাৰ আদি দিব লাগে। ছয়মাহ বা তিনি মাহৰ পিছত যিখিনি যায় সেইখিনি ১৫ দিনৰ আগত যাব আৰু আপোনালোকৰ লগত যোগাযোগ কৰা হব আপোনালোকে যাতে গুৰুত্ব দিয়ে মই আপোনালোকক অনুৰোধ কৰিছো। সেই দিনা আমি বিহালী আৰু বিশ্বনাথত আমি ক্ষুদ্ৰ চাহ খেতিয়ক সকলক কেম্প কৰি কৰি খেতিয়কৰ পঞ্জীকৰণ কৰি দিব বিচাৰিছিলো। এই ক্ষেত্ৰত আপোনালোকে অকণমান গুৰুত্ব দিব। ইয়াৰ লগতে আমি Food processing কৰিব লাগিব যাতে কেজি ১ টকাত বিক্ৰী কৰা বিলাহী দুটা বিলাহীত বৰ বেছি চাৰিঅনা হ'ব লাগে কিন্তু আজি বিলাহীৰ কেজি ৮০ টকা হ'ব নোৱাৰে। এই বিষয়ে আমি নিশ্চত ভাৱে চিন্তা –চৰ্চা কৰিম আৰু আমি Horticulture বিভাগটোকো আমি সক্ৰিয় কৰিব লাগিব। এতিয়া মাটিবোৰ ম্যাদি কৰিবলৈ যত্ন কৰিব লাগিব Waris Mutation কৰিলে ম্যাদী হৈ যাব বাপেকৰ পৰা পুতেকৰ নামলৈ যাব। আৰু যিখনি FRA আইন আছে ভাৰত চৰকাৰে সেইখনি অনুমতি দিলে হৈ যাব আৰু কেনেকৈ এটা এটাকৈ Allow কৰি আছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক গন অধিকাৰ বাতৰি কাকতত প্ৰকাশিত '' প্ৰচণ্ড গৰমে ভাবুকি আনিছে শ্ৰমিকৰ স্বাস্থ্যৰ প্ৰতি'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ কৰা হ'ল।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, মৰিয়নীঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি আজি এটা গুৰুত্ব পূৰ্ণ বিষয় উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। 'প্ৰচণ্ড গৰমে ভাবুকি আনিছে শ্ৰমিকৰ স্বাস্থ্যৰ প্ৰতি' এই বিষয়টো অতি গুৰুত্বপূৰ্ণ। এই বিষয়টো কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য মন্ত্ৰণালয়ে ইতিমধ্যে নিৰ্দেশনা দিছে যে Avoid outdoor works between 12 noon to 3 pm। কেন্দ্ৰই কৈছে যে ১২ বজাৰ পৰা ৩ বজালৈ যিটো গৰমৰ পৰিবেশ গতিকে তাত কাম কৰিবলৈ অনুমতি প্ৰদান কৰিব নালাগে। এই কথাটো কৈছে ভাৰত চৰকাৰৰ নিযোগ আৰু শ্ৰম মন্ত্ৰণালয়ে। তেওঁলোকে পৰামৰ্শ দিছে যে শ্ৰমিক সকলক বাহিৰত কৰা কৰ্মৰ পৰা ৰক্ষা কৰিব লাগে। বতৰ বিজ্ঞানী সকলে কৈছে যে The year 2026 is on track rank among the top four warmest year in recorded history. 2026 remains dangerously close to the Key Paris Agreement thrushold. Key Paris Agreement is legal commitment to limit global warming to well below 2 degree celcius above pre Industrial levels. আকৌ বিজ্ঞানী সকলে ধাৰণা কৰিছে যে Green House gas emission at natural weather patterns like EL Nino. EL Nino মানে কি ? EL Nino হৈছে Metrologist warning that a rapidly development pattern record breaking super EL Nino is underlying in the Tropical Pacific Ocean. অৰ্থাৎ সাগৰৰ পৰা উৎপাদিত হোৱা এক বতাহে আমাৰ Global warming ৰ ক্ষেত্ৰত ভয়াৱহতাৰ সৃষ্টি কৰিছে। মই আৰু বেচি সময় নলওঁ অধ্যক্ষ মহোদয়। আমি এটা বিষয় খুব সুন্দৰ ভাৱে উত্থাপন কৰিব সুযোগ দিয়াৰ বাবে মই মন্ত্ৰী মহোদয়ৰ লগতে মুখ্যমন্ত্ৰীকো ধন্যবাদ জনাইছো। মই নিজকে চাহ জনগোষ্ঠীৰ সন্তান হিচাপে, কেইদিন মান আগতে এটা কথা মই বহুত অনুভৱ কৰিছিলো যে প্ৰধান মন্ত্ৰীৰ পোষণ আঁচনিৰ অধীনত ভাৰতে স্বাধীনতা লাভ কৰা ৮০ বছৰ হবলৈ হ'ল, কিন্তু চাহ বাগানৰ শ্ৰমিক সকলক পূৰ্বৰ কোনো চৰকাৰে এই ৮০ বছৰত এই মুকলি পথাৰত কাম কৰা শ্ৰমিক সকলৰ কোনো এগৰাকী মহিলাৰ সন্তানক গাখীৰ খুৱাব লগা হয় তেতিয়া সেই পুৰণি কলীয়া ব্ৰিটিচ যুগৰ crèche বোৰত পদ্ধতিত গাখীৰ খুৱাব লগীয়া হয়। যদি কৰোবাৰ মূৰ ঘূৰাই তেতিয়া গছৰ তলত বহিব লাগে আৰু মহিলা জনিয়ে যদি গাখীৰ খুৱাই থাকে, তেতিয়া পুৰুষ জনে বহিবলৈ স্থান নাপাই ৰ'দ বৰষুণত বহিব লগা হয়। এতিয়া NDA চৰকাৰৰ দিনত চাহ বাগানৰ লাইনৰ ৰাস্তা নিৰ্মাণ হৈছে। মডেল কলেজৰ পৰা অংগনবাদী কেন্দ্ৰলৈকে নিৰ্মাণ হৈছে। য'ত কাৰেণ্ট নাছিল তাত কাৰেণ্টৰ ব্যৱস্থা কৰা হৈছে। অসম চাহ শ্ৰমিকৰ প্ৰতিষ্ঠান, অসম চাহ মজদুৰ সংঘক Scorpio গাড়ী প্ৰদান কৰা হৈছে, মাটিৰ পট্টা প্ৰদান কৰা হৈছে, খেলৰ ব্যৱস্থা কৰা হৈছে। আগৰ চৰকাৰৰ দিনত এটকাও পোৱা নাছিল। মালিক পক্ষই যি মজুৰী দিছিল সেইখিনিয়ে আছিল। এতিয়া ১৫ হাজাৰ কৈ গৰ্ভৱতী মহিলাক দিয়া হয়। চাহ শ্ৰমিক আদিবাসী লোক থকা অঞ্চলত Stadium নিৰ্মাণ কৰা, মহিলা উদ্যমিতা, SC/ST ৰ মৰ্যাদা দিব বিচৰা

ইত্যাদি বহুতো ধৰণৰ আঁচনি এই খন চৰকাৰে প্ৰদান কৰিছে আৰু এইখিনিৰ বাবে আমি ৮০ বছৰ ধৰি আমি অপেক্ষা কৰিবলগীয়া হ'ল ডিজিটেল ক্লাছ ৰুমৰ বাবে, এতিয়া পাইছো ভাৰতীয় জনতা পাৰ্টীৰ নেতৃত্বাধীন এন ডি এ চৰকাৰৰ সময়ত, তেনেস্থলত মই অনুৰোধ জনাম যি আমাৰ দাদা, বৌ, দেউতা, মা, মামা, মামী, খুৰা, খুৰী সকলে চাহ বাগানত কাম কৰি আছে। আমি industrial tea garden আৰু ক্ষুদ্ৰ চাহ খেতিয়ক ধৰো, তুলনামূলকভাৱে ২০ লাখৰ ওচৰা ওচৰি চাহ শ্ৰমিকসকলে, আমি যিসময়ত AC ত থাকিও গৰম পাওঁ, ফেন চলাই থাকিলেও গৰম পাওঁ, বাহিৰত অকণমান ওলাই গলে গৰম পাওঁ, বৰ্তমান যিটো বৈজ্ঞানিকসকলেও কৈ আছে যে এটা ডাঙৰ ভয়াবহতা আহিছে ই এল লিনো বুলি, সেইটো লৈ পেলাই যিটো গৰম পৰিছে, ইতিমধ্যে Health Ministry, Labour Ministry, Govt. of India য়েও বন্ধ দিয়াৰ চিন্তা  কৰিছে। অসম চৰকাৰে বহু স্কুল দুপৰীয়া সময়ত গৰমৰ কাৰণে বন্ধ দিয়াৰ কাৰণে নজিৰ আছে। সেই সময়ত প্ৰচণ্ড গৰম হয় অত্যন্ত আগষ্ট মাহলৈকে, শিথিলতাই যে কামত আনে, এইক্ষেত্ৰত মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাইছোঁ।  ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** মাননীয় চাহ জনজাতি আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী ৰামেশ্বৰ তেলী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ বিষয় শূণ্যকালীন ঘন্টাত আনিছে। ''প্ৰচণ্ড গৰমে ভাবুকি আনিছে  শ্ৰমিকৰ স্বাস্থ্যৰ প্ৰতি'' শীৰ্ষক বিষয়টো ''গণ অধিকাৰ'' বাতৰি কাকতত ৫ জুলাই, ২০২৬ তাৰিখে প্ৰকাশিত বাতৰি সন্দৰ্ভত  উল্লেখ কৰিব পাৰি যে যোৱা বৰ্ষৰ জুন মাহত ১৩ তাৰিখে অধিসূচনা নম্বৰ E.237128/552 ৰ জৰিয়তে চাহ বাগিচাৰ শ্ৰমিকসকলৰ কামৰ সময় পুৱা ৮ বজাৰ পৰা আবেলি ৪ বজাৰ পৰিৱৰ্তে ৰাতিপুৱা ৬ বজাৰ পৰা দুপৰীয়া ২ বজালৈ নিৰ্ধাৰণ কৰে । গৰমৰ সময়ছোৱাৰ বাবে উক্ত নিৰ্ধাৰিত সময় বৰ্তমানেও বাহাল আছে। তদুপৰি, প্ৰচণ্ড গৰমৰ প্ৰতি লক্ষ্য ৰাখি ৩০ তাৰিখে অনুষ্ঠিত ২০২৫-০৮-State Standing Level Committee-ৰ সভাৰ নিৰ্দেশমতে বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ সকলো বাগিচা কৰ্তৃপক্ষক ORS যোগান ধৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়া হয় । প্ৰয়োজন সাপেক্ষে বিভাগে বিষয়টোৰ গুৰুত্ব বুজি আৰু অধিক ব্যৱস্থা গ্ৰহণ কৰা হ'ব  আৰু মাননীয় অধ্যক্ষ মহোদয় যদি দৰকাৰ পৰে, আমি আকৌ অধিসূচনা এটা জাৰি কৰিম যাতে শ্ৰমিকসকলে পুৱা ৬ বজাৰ পৰা দুপৰীয়া ২ বজালৈ বাগানত কাম কৰিব পাৰে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মই মাননীয় সদস্য শ্ৰী আব্দুল ৰহিম আহমেদক ''অসমীয়া প্ৰতিদিন'' বাতৰি কাকতত প্ৰকাশিত ''বহিঃৰাজ্যত কৰ্মৰত যুৱক-যুৱতীৰ তথ্য নাই ৰাজ্য চৰকাৰৰ'' শীৰ্ষক বিষয়টো উত্থাপন কৰিবলৈ অনুৰোধ জনালোঁ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ, চেঙাঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিধানসভাত শ্ৰম মন্ত্ৰী ডাঙৰীয়াই উত্তৰত কৈছিল যে বহিঃৰাজ্যত কৰ্মৰত যুৱক--যুৱতীৰ সঠিক তথ্য ৰাজ্য চৰকাৰৰ হাতত নাই আৰু এই শ্ৰমিকসকলৰ বিভিন্ন সুবিধা অসুবিধাৰ লৈ যিখিনি তথ্য বিভাগটোৰ থাকিব লাগে, এই তথ্যখিনিও সঠিকভাৱে নাই।

মাননীয় অধ্যক্ষ মহোদয়, এইটো অত্যন্ত চিন্তনীয় কথা। আমাৰ পঞ্জীয়নভুক্ত অসমৰ শ্ৰমিকৰ সংখ্যা হৈছে ৭৮,৭৩,৬৫৮ জন। ইয়াৰ উপৰিও অপঞ্জীয়নভুক্ত শ্ৰমিকৰ সংখ্যাও বহুত আছে। বহিঃৰাজ্যত কৰ্মসংস্থাপনৰ বাবে যাবলগা এইকাৰণে হয়, কাৰণ আমি সকলোৱে জানো, যে অসমত ইমানখিনি কৰ্মসংস্থাপনৰ উদ্যোগপ্ৰতিষ্ঠান বা যিধৰণৰ সুবিধা-থাকিব লাগে, কৃষিক্ষেত্ৰত যিধৰণৰ বৈজ্ঞানিক পদ্ধতিৰে উন্নতমানৰ কৃষি ব্যৱস্থা থাকিব লাগে, আমি সেই ধৰণে কৃষকসকলক সুবিধা দিব পৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আটাইতকৈ বেছি মানুহ নিয়োজিত হৈ আছে কৃষি খণ্ডত। কৃষি খণ্ডত আমি যিধৰণৰ সুবিধা দিব লাগিছিল, সেই ধৰণে দিব পৰা নাই। মই বিধানসভাত এটা তথ্য দিছোঁ মাননীয় অধ্যক্ষ মহোদয়, ইংলেণ্ড, আমেৰিকা আদি দেশত মাত্ৰ 3% মানুহ agriculture sector-ৰ লগত জড়িত। অথচ সেই দেশসমূহে নিজৰ প্ৰয়োজনীয় খাদ্য সামগ্ৰী উৎপাদন কৰাৰ লগতে বহিঃৰাষ্ট্ৰলৈ ৰপ্তানি কৰিবলৈ সক্ষম হয়। কিন্তু আমাৰ ইয়াত প্ৰায় 70% মানুহ agriculture sector-ৰ লগত জড়িত। কিন্তু আমি কিছুমান খাদ্য বহিঃৰাজ্যৰ পৰা আমদানিৰ ওপৰত কেতিয়াবা কেতিয়াবা নিৰ্ভৰশীল হ'বলগীয়া হয়। যেনে - আলু, দাইল আদি বহু সামগ্ৰী বাহিৰৰ ৰাজ্যৰ পৰা আনিবলগীয়া হয়। গতিকে এইক্ষেত্ৰত মই ভাবোঁ বৰ্তমান কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যথেষ্ট কাৰ্য্যক্ষম, তেখেতেও এই ক্ষেত্ৰত অকণমান মনোনিৱেশ কৰিব।

মাননীয় অধ্যক্ষ মহোদয়, মই ক'ব খুজিছোঁ যে আজি ৰাজ্য চৰকাৰ বা শ্ৰম বিভাগৰ হাতত যিটো তথ্য নাই বুলি কোৱা হৈছে, সেইটো অত্যন্ত উদ্বেগজনক বিষয়। আজি আমাৰ ৰাজ্যৰ পৰা কৰ্মসংস্থাপনৰ বাবে যিসকল বহিঃৰাজ্যলৈ যায়, তেওঁলোকৰ নিৰাপত্তা আমি যদি সুনিশ্চিত কৰিব নোৱাৰোঁ, আজি তেওঁলোকে মৃত্যুৰ মুখত পৰিলে, তেওঁলোকক লৈ অহাৰ কাৰণে ৰাজ্য চৰকাৰে ২০২৫ চনত শ্ৰদ্ধাঞ্জলী নামৰ আঁচনি এটা যুগুত কৰিছে, তাৰ কাৰণে মই ধন্যবাদ জনাইছোঁ। এই আঁচনিৰ জৰিয়তে ৩৫৪ জন শ্ৰমিকক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ থকা বা মৃত্যুৰ মুখত পৰা মানুহখিনিক লৈ আহিবলৈ সক্ষম হৈছে। কিন্তু এইটো এতিয়াও

পৰ্যাপ্ত পৰিমানে হোৱা নাই আৰু বিশেষকৈ আমাৰ চৰকাৰ  বা শ্ৰম বিভাগৰ হাতত বহিঃৰাজ্যলৈ যোৱা প্ৰতিজন শ্ৰমিকৰ তথ্য থকাটো অতি প্ৰয়োজনীয়। মই ভাবোঁ, বহিঃৰাজ্যলৈ যোৱা সকলো শ্ৰমিকৰ registration টো mandatory কৰিব লাগে। যদি শ্ৰম বিভাগে এনে এটা ব্যৱস্থা কৰে যে অসমৰ পৰা বহিঃৰাজ্যলৈ যোৱা প্ৰতিজন শ্ৰমিকে registration কৰিব লাগিব with their proper address আৰু যি কোম্পানী বা ঠিকাদাৰৰ অধীনত তেওঁলোকে কাম কৰিবলৈ যায়, সেই কোম্পানী বা ঠিকাদাৰকো full address-সহ register কৰাটো বাধ্যতামূলক কৰিব লাগে , তেতিয়া বহুত সমস্যা সমাধান হ'ব। কাৰণ বহু ক্ষেত্ৰত অসমৰ পৰা বহিঃৰাজ্যলৈ যোৱা শ্ৰমিকসকল প্ৰৱঞ্চনাৰ সন্মুখীন হয়। দুমাহ-তিনিমাহ কাম কৰোৱাৰ পিছত তেওঁলোকক এৰি দিয়া হয়। সেই সময়ত চৰকাৰৰ হাতত তেওঁলোকৰ সন্ধান উলিয়াবলৈ কোনো তথ্য নাথাকে।Only lack of this system, গতিকে আমি এই system-টো উন্নত কৰিব লাগিব। বহু উন্নত ৰাষ্ট্ৰত এনে ব্যৱস্থা ইতিমধ্যে আছে। মই অলপ বঢ়াই ক'ব খুজিছোঁ, আমাৰ যিধৰণ ভয়াবহ নিৱনুৱা সমস্যা, আমাৰ পঞ্জীয়নভূক্ত শ্ৰমিকৰ সংখ্যা ৭৮ লাখ, অপঞ্জীয়নভূক্ত আৰু আছেই। গতিকে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী মহোদয়, শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে খবৰ ল'ব লাগিব যে  মিডিল ইষ্ট, ইউৰোপ, আমেৰিকা আদি দেশসমূহে কেবল শ্ৰমিক পঠোৱাৰ কামটোৰ কাৰণে লাগি থাকে। তেওঁলোকৰ Visa-পৰ্য্যন্ত চৰকাৰীভাৱে যোগান ধৰাৰ ব্যৱস্থা কৰে বা বিভিন্ন কোম্পানীৰ লগত চৰকাৰীভাৱে আলোচনা কৰি কৰ্মসংস্থাপন সৃষ্টি কৰি তেওঁলোকৰ জীৱন সুনিশ্চিত কৰাৰ দায়িত্বসহ লৈ তেওঁলোকক পঠাই দিয়াৰ ব্যৱস্থা কৰে। আমিও এই ব্যৱস্থা গ্ৰহণ কৰিব পাৰোঁ, বহু উন্নত ৰাষ্ট্ৰ আছে। আমাৰ বিভিন্ন শ্ৰমিক, বিভিন্ন শিক্ষিত নিবনুৱা, তেওঁলোকে নিজে নিজে কোম্পানীৰ লগত যোগাযোগ কৰি কৰ্মসংস্থাপনৰ বাবে বহিঃৰাজ্যলৈ যাবলগা হয়। গতিকে এই কামখিনি আমি চৰকাৰীভাৱে কৰিব পাৰো। আমি এই সমগ্ৰ প্ৰক্ৰিয়াটো monitor কৰিব পাৰো। চৰকাৰী বিষয়াসকলে বিভিন্ন ৰাষ্ট্ৰ ভ্ৰমণ কৰে, তেতিয়া যদি তেওঁলোকে তেনেকুৱা Private sector হওঁক, Govt. undertaking হওঁক, উন্নত দেশসমূহৰ বিভিন্ন কোম্পানীসমূহৰ লগত যোগাযোগ স্থাপন কৰি tie-up কৰিব পাৰে, যিহেতু আমাৰ ইয়াত ইমানখিনি resource নাই, আমাৰ ইচ্ছা থাকিলেও সামৰ্থ নাই, গতিকে বহিঃৰাজ্যত আমাৰ এই ভয়াবহ নিৱনুৱা সমস্যা বা যিমানখিনি শ্ৰমিক register আছে, বা  অপঞ্জীয়নভুক্ত শ্ৰমিক ইয়াতকৈ বহুত আছে। সজাগতা সৃষ্টি কৰিলে তেওঁলোকে ৰেজিষ্ট্ৰেচন কৰিব। গতিকে তেওঁলোকৰ কৰ্মসংস্থাপনৰ কাৰণে এই ব্যৱস্থাখিনি কৰিব লাগিব। মাননীয় অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা তথ্য দি মোৰ বক্তব্যটো শেষ কৰিব খুজিছোঁ।

১ জুলাই, ২০২৬ তাৰিখত Assam Tribune-ত এটা ভয়াবহ বাতৰি প্ৰকাশ পাইছিল। তামিলনাডুৰ Tiruvallur District-ত এটা গেছ কোম্পানীত ammonia gas leakage হোৱাত অসমৰ দুগৰাকী মহিলাৰ কৰুণ মৃত্যু হৈছিল। কিন্তু সেই ঘটনাৰ পিছত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিলে, সেই বিষয়ে বাতৰিখনত কোনো স্পষ্ট তথ্য নাছিল, সেয়েহে মই সেই বিষয়ে অধিক ক'ব নোৱাৰিলোঁ।

তাৰপিছত, অৰুণাচলত এটা private company-ত এজন ঠিকাদাৰৰ অধীনত কাম কৰি থকা অসমৰ শ্ৰমিকসকলক শাৰীৰিকভাৱে নিৰ্যাতন আৰু harassment কৰা হৈছিল। তেওঁলোকক ইমানেই শাৰীৰিকভাৱে অত্যাচাৰ কৰা হৈছিল যে মৃত্যুৰ প্ৰায় অৱস্থালৈকে উপনীত হৈছিল। পিছত কিছু সদিচ্ছাসম্পন্ন কৰ্মচাৰীৰ সহায়ত তেওঁলোকক উদ্ধাৰ কৰা হৈছিল। তাৰ পিছত ছাৰ, অৰুণাচলত শাৰীৰিক ভাৱে এটা প্ৰাইভেট চেক্টৰত ঠিকাদাৰ এজনৰ অধীনত কাম কৰিবলৈ যোৱা অসমৰ শ্ৰমিক, তেওঁলোকক শাৰীৰিক ভাৱে সাংঘাটিক ধৰণে ছাৰ, harassment কৰি শাৰীৰিক ভাৱে অসুস্থ কৰি তেওঁলোকক মৃতপ্ৰায় অৱস্থাত এৰি দিছে, ৭ জনকৈ কৰ্মচাৰীক, এইটো ছাৰ, ৯ জুনত। গতিকে ২১ জুনত তামিলনাডুত তিৰুবালা জিলাত ৯ জুনত ছাৰ, অৰুণাচল প্ৰদেশত। গতিকে এই ধৰণৰ সময়ে সময়ে আমাৰ শ্ৰমিকসকল বিভিন্ন অন্যায় অত্যাচাৰৰ সন্মুখীন বহিঃ ৰাজ্যত হ'ব লগা হয় আৰু বিশেষকৈ প্ৰৱঞ্চনাৰ সন্মুখীন হ'ব লগা হয়। দুৰাৰোগ্য বেমাৰ হ'লে কোম্পানী বা ঠিকাদাৰসকলে তেওঁলোকক এৰি দিয়ে; না দিন মজুৰী দিয়ে, না তেওঁলোকক ছাৰ, অসমলৈ ঘূৰাই অনাৰ ব্যৱস্থা কৰি দিয়ে। গতিকে সেইকাৰণে কৈছোঁ ছাৰ, বিভিন্ন ক্ষেত্ৰত পুলিচৰ যেনেকৈ আমি toll free number মনিটৰ কৰাৰ কাৰণে দিছোঁ, গতিকে বহিঃ ৰাজ্যত কৰ্ম কৰা আমাৰ এই শ্ৰমিকসকলৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰাৰ স্বাৰ্থত, যেনেকৈ ছাৰ, registration কৰাটো compulsory যিসকল কোম্পানী বা ঠিকাদাৰৰ অধীনত কাম কৰিবলৈ যায় তেওঁলোককো ছাৰ এইটো compulsory registrationৰ ব্যৱস্থা কৰিব লাগে। আৰু দ্বিতীয়তে, আমাৰ ৰাজ্যে চৰকাৰে প্ৰয়োজনত এটা toll-free number, পুলিচৰ এটা toll-free বিশেষ number, কেৱল যাতে অসমৰ বাহিৰত গলে তেওঁলোকে ব্যৱহাৰ কৰিব পাৰে, তেনেকুৱা এটা toll-free number যদি চৰকাৰে ব্যৱস্থা কৰে এটা পুলিচৰ control room তেনেহ'লে মই ভাবো তেওঁলোকে বহিঃ ৰাজ্যত গৈ যেতিয়া বিপদত পৰিব তেতিয়া অসম পুলিচৰ সহায় ল'ব পাৰিব। গতিকে এইখিনি পৰামৰ্শ দি আমাৰ ৰাজ্য চৰকাৰ বা শ্ৰমমন্ত্ৰী ডাঙৰীয়াই এই ক্ষেত্ৰত এটা ভাল পদক্ষেপ ল'ব বুলি আশা ব্যক্ত কৰি মই বক্তব্য সামৰিছোঁ। ধন্যবাদ ছাৰ।

**মাননীয় অধ্যক্ষ** :- মাননীয় শ্ৰম কল্যাণ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীৰামেশ্বৰ তেলী, মন্ত্ৰী** :- অধ্যক্ষ মহোদয়, আমাৰ চেঙাৰ বিধায়ক আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াক ধন্যবাদ জনাইছো । যথেষ্ট ইম্প'ৰ্টেণ্ট কথা তেখেতে কৈছে।  আমি কৈছোঁ যে বহিঃৰাজ্যলৈ কোন শ্ৰমিক গৈছে, কোন আহিছে, এই তথ্যবিলাক আমাৰ লেবাৰ ডিপাৰ্টমেণ্টত নাই। আৰু আপুনি যি এটা চাজেশ্যন দিছে যে এইটো ৰেজিষ্ট্ৰেশ্যন কৰাৰ ব্যৱস্থা কৰিব লাগে, তেনেধৰণৰ উপদেশ আপুনি দিছে, আমি নিশ্চয় সেইটো বিবেচনা কৰিম। আৰু বহিঃৰাজ্যত যথেষ্ট শ্ৰমিক অসমৰ পৰা গৈছে, আৰু বিভিন্ন ধৰণৰ সমস্যাবিলাকৰ সন্মুখীন হৈ আছে। আমিও এজন শ্ৰমিকৰে সন্তান, আৰু সেই কাৰণে এই কথাবিলাক জানোঁ। কাৰণ ৰোজগাৰ বিচাৰি বহিঃৰাজ্যবিলাকত কাম কৰি থকা অৱস্থাত মৃত্যু হোৱা শ্ৰমিকৰ সংখ্যাও বহুত বেছি। আৰু সেইকাৰণে যেতিয়া মৃত্যু হৈছিল মানুহবিলাকৰ, শ্ৰমিকবিলাকৰ, তেতিয়া সেই পৰিয়ালবিলাক আহি আমাক অনুৰোধ জনাইছিল যে আমি দুখীয়া মানুহ, আৰু আমাৰ পৰিয়ালত এজনে মেম্বাৰ আছিল, তেওঁ কাম কৰিবলৈ গৈছিল কেৰালা, কোনোবাই কয় তামিলনাডু, কোনোবাই কয় দিল্লী, কোনোবাই কয় বাংগালুৰ আৰু মৃত্যু হৈছে। আৰু তেওঁৰ ডেড বডিটো আনিব নোৱাৰোঁ, আমি সক্ষম নহয়। আৰু তেতিয়া আমি তেওঁলোকক আৰ্থিকভাৱে অলপ সহায় কৰিছিলোঁ। কিন্তু আমি যেনেধৰণৰ আৰ্থিক সহায় কৰিব লাগে, তেনেধৰণৰ কৰিব পৰা নাছিলোঁ। আৰু এই কথাটো অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া, ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই গম পাইছিল। আৰু ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই সিদ্ধান্ত এটা ল'লে যে বহিঃৰাজ্যত যদি কোনোবা শ্ৰমিকৰ যদি মৃত্যু হয়, তেতিয়া তেওঁৰ ডেড বডিটো ঘৰলৈকে আনি দিয়াৰ কাৰণে শ্ৰদ্ধাঞ্জলি নামৰ এটা আঁচনি ঘোষণা কৰা হ'ল। আৰু সেই আঁচনিটোৰ জৰিয়তে ইতিমধ্যে এজন শ্ৰমিক যদি অসমৰ বাহিৰত মৃত্যু হয়, তেওঁৰ ডেড বডিটো ঘৰলৈকে আনি দিয়াৰ ব্যৱস্থা কৰা হৈছে। মই ধন্যবাদ জনাইছোঁ ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াক, আমাৰ মুখ্যমন্ত্ৰীক। আৰু আপুনি কোৱা কথাখিনি নিশ্চয় মই বিবেচনা কৰিম। কাৰণ মইয়ো ভাৰত চৰকাৰৰ শ্ৰম বিভাগৰ মন্ত্ৰীৰ দায়িত্বত আছিলোঁ আৰু তেতিয়াও তেনেধৰণৰ question বিলাক আহিছিল যে অসংগঠিত যিবিলাক শ্ৰমিক আছে তেওঁলোকক ৰেজিষ্ট্ৰেশ্যন কৰাৰ কথা কোৱা হৈছিল। কিন্তু কিছু সময়লৈকে মই তাত মন্ত্ৰী আছিলোঁ, শ্ৰম মন্ত্ৰী হিচাপে, আৰু এই বিষয়টো আজিও আপুনিও এই উত্থাপন কৰিছে। নিশ্চয় বিষয়টো বিবেচনা কৰা হ'ব।

**মাননীয় অধ্যক্ষ** :- **এতিয়া কাৰ্য সূচী নং ২** l Calling Attention under Rule 54. এতিয়া মাননীয় সদস্য মঃ নুৰুল হুদা (বিধায়ক) য়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ২০২৬ চনৰ ২৫ জুন তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "সীমান্তত চুবুৰীয়া ৰাজ্যৰ আগ্ৰাসন অব্যাহত : উৰিয়ামঘাটত

ঘৰেপতি ১১০ টকাকৈ কৰ বিচাৰি নগাৰ জাননী”  শীৰ্ষক বাতৰিটোৰ প্ৰতি অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰীনুৰুল হুদা** :- মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৫ জুন তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত "সীমান্তত চুবুৰীয়া ৰাজ্যৰ আগ্ৰাসন অব্যাহত: উৰিয়ামঘাটত ঘৰেপতি ১১০ টকাকৈ কৰ বিচাৰি নগাৰ জাননী” শীৰ্ষক বিষয়টো উত্থাপন কৰিব দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছোঁ। অধ্যক্ষ মহোদয়, নাগালেণ্ডৰ নগাসকলে উৰিয়ামঘাট থানাৰ অন্তৰ্গত এক নম্বৰ ৰাজাপুখুৰী আৰু দুই নম্বৰ ৰাজাপুখুৰী গাঁৱৰ ৰাইজক টেক্স বিচাৰি জাননী প্ৰেৰণ কৰিছে। নগা উগ্ৰপন্থি সংগঠন NSCN আৰু GPRN নিক্কি নামৰ দুটা সংগঠনৰ ডেপুটি ছেক্ৰেটেৰীৰ স্বাক্ষৰিত পত্ৰৰ যোগেদি গাঁও দুখনৰ প্ৰত্যেক ঘৰৰ পৰা এশ দহ টকাকৈ কৰ বিচাৰিছে বুলি অভিযোগ উঠিছে। আৰু এই গাঁও দুখনৰ শুকাই বস্তিত নগা যুৱকে আহি গাওঁ প্ৰধানৰ ঘৰত এই জাননী দি গৈছে । গতিকে এই বিষয়ে চৰকাৰ অৱগত হয় নে নহয় নাজানো। এইটো কেইদিনমান পূৰ্বে আমাৰ মোককচাং সংযোগী যিটো ২২ কি.মিটাৰ পথ মৰিয়নিৰ নিজৰা পাৰৰ জিৰো পইণ্টৰ পৰা নগাজাং নিয়োগসোনোৱালৰ মাজেৰে গৈ চুটাপেলা গেট পাৰ হৈ ডিছৰলৈকে আগবাঢ়ি গৈছে। ডিছৰকত ভোগদৈ দলং আমাৰ অসমৰ সীমান্তত। মৰিয়নিৰ পৰা ভোগদৈ দলংলৈকে ২২ কিলোমিটাৰ ৰাস্তা বাতৰিত ওলাইছে এই ২২ কিলোমিটাৰ ৰাস্তাৰ পোন্ধৰ কিলোমিটাৰ ৰাস্তা নগাই বেদখল কৰি লৈছে । গতিকে ডিছৰ ভোগদৈ নদীৰ কাষতে আমাৰ অসম আৰক্ষীৰ বেটেলিয়নৰ এটা সীমান্ত নিৰীক্ষণ চকী আছে। আৰু সেই চকীটোত এতিয়াও আমাৰ জোৱানসকলে পহৰা দি আছে। অধ্যক্ষ মহোদয়, কেইদিনমান পূৰ্বে আমাৰ এই অসম সীমান্তত এই ৰাস্তাতেই MGNREGAৰ কাম কৰি থাকোঁতে, আমাৰ অসমৰ শ্ৰমিকে কাম কৰি থাকোঁতে, নগাসকলে আহি বাধা দিলে। আৰু আমাৰ অসমৰ পুলিচৰ সন্মুখত ধমক দিলে। আৰু আমাৰ অসম পুলিচ, সীমান্তৰ নিৰাপত্তা বাহিনীয়ে নিমাত অৱস্থাত আছে। এই বিষয়ত আগ্চাই পথ অৱৰোধ কৰি আন্দোলনো কৰিছে। কিন্তু তাৰ পিছতো কোনো ধৰণৰ সীমা সুৰক্ষাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা বুলি গম নাপালোঁ। গতিকে অধ্যক্ষ মহোদয়, এইটো এটা নতুন কথা হৈ থকা নাই। আমাৰ অসম সীমান্তত বহিৰাজ্যই বাৰে বাৰে আগ্ৰাসন কৰি আছে। আজি যদি চাই আপুনি কেতিয়াবা মেঘালয়ে আগ্ৰাসন কৰিছে, কেতিয়াবা নাগালেণ্ডে আগ্ৰাসন কৰিছে, কেতিয়াবাও কালি, যোৱা কালি আমাৰ অসমৰ বন বিভাগৰ কৰ্মী সকলক অৰুণাচলীসকলে দলবদ্ধভাৱে আহি আক্ৰমণ কৰিছে। অৰুণাচলেও আগ্ৰাসন কৰিছে, মেঘালয়ে আগ্ৰাসন কৰিছে, মিজোৰাম, নাগালেণ্ডেও আগ্ৰাসন কৰি আছে । এই বহিঃ ৰাজ্যসমূহে অসমখন গিলি পেলাব নেকি ?আমাৰ অসম চৰকাৰে এতিয়ালৈকে এইটো প্ৰতিৰোধ কৰিব পৰা নাই । তেওঁলোকে

এতিয়ালৈকে কোনো ধৰণৰ ব্যৱস্থা হাতত লোৱা নাই। বাৰে বাৰে কেনেদৰে বহিঃৰাজ্যৰ লোকে আহি অসমৰ সীমান্তত আহি আক্ৰমণ কৰিব পাৰিছে ? আমাৰ সীমান্ত সুৰক্ষা বাহিনীৰ সন্মুখত আহি অসমীয়া শ্ৰমিকক ধমক দিছে, কাম কৰিবলৈ বাধা দিছে MGNREGA ৰ। তাৰ পিছতো কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নগ'ল। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে বহিঃৰাজ্য আগ্ৰাসন ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে, এইটো আমি জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃমাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰটো দিম কিন্তু এটা কথাত মোৰ মাননীয় সদস্য গৰাকীৰ প্ৰশ্নত দ্বিমত আছে। নগা সকলে আহি আমাৰ ইয়াত উৎপাত কৰিছে, বেয়া কাম কৰিছে, মাৰিছে, কাটিছে, এই শব্দটো ক'ব নালাগে। কিছুসংখ্যক নগা বুলি ক'লে মই আপত্তি নকৰিলোহেঁতেন। সকলো নগা বেয়া হ'ব নোৱাৰে, সকলো অসমীয়া বেয়া নহয়, সকলো অসমীয়াই উৰিয়াম ঘাটত মাটি দখল কৰিবলৈ যোৱা নাই। নগাৰঁৰ পৰা অসমীয়া যোৱা নাই মাটি দখল কৰিবলৈ, তেখেতৰ সমষ্টিৰ পৰাহে গৈছে। তেখেত যোৱা নাই, তেখেত ভাল। কিছু সংখ্যক বেয়া লোকে তাত গৈ মাটি দখল কৰিছে। গতিকে অধ্যক্ষ ডাঙৰীয়া, বেয়া মানুহ সকলোতে থাকে। কিছু দুৰ্বৃত্তই আহি এই কামটো কৰিছে। গতিকে সকলো নগা লোক বেয়া হ'ব নোৱাৰে। সেইকাৰণে হয়তো নাগালেণ্ড আমাৰ পৰা গুছি গ'ল। সেইকাৰণে হয়তো আমাৰ মাজৰ পৰা অৰুণাচল, মেঘালয় আদি গুছি গ'ল।

কেইদিনমান আগতে অতুল বৰা ডাঙৰীয়াই উৰিয়াম ঘাটৰ বোৰ্ডাৰ আৰু মৰিয়ণীৰ বোৰ্ডাৰ চাবলৈ গৈছিল। কিছুসময় আগতে মই কিবা এটা ডাটা চাবলৈ লওঁতে দেখিলো মৃণাল শইকীয়াও গৈছিলে যে বাতৰি কাকতত ওলাই থকা পৰিৱেশ উৰিয়াম ঘাটত নাই। তাত মানুহ সমিল মিলেৰে আছে। গতিকে আমি বিধান সভাত যদি এনেকুৱা কথা কৈ দিওঁ যে নগাই আহি উৎপাত কৰিলে, নগাই আহি কাটিলে -মাৰিলে, কোনোবাই যদি হয় ছাৰ, হয় ছাৰ বুলি জপিয়াই থাকিলে, তেওঁলোকেতো গম পাব। তেওঁলোকে গম পাই দুঃখ কৰিব যে আমি একো কৰাই নাই। কোনোবা দুজন বেয়া মানুহে গৈ কামটো কৰিলে আৰু আমাক সকলোকে টাৰ্গেট কৰি অসম বিধান সভাত কোনোবাই প্ৰশ্ন উত্থাপন কৰিলে, বিতৰ্ক হ'ল। গতিকে অধ্যক্ষ ডাঙৰীয়া, এই কথাটো তেনে ধৰণে নকবলৈ মই মাননীয় সদস্য গৰাকীক অনুৰোধ জনাইছো।

অধ্যক্ষ ডাঙৰীয়া, মোৰ যিটো specific উত্তৰ, মই পঢ়ি দিছো-২০২৬ চনৰ জুন মাহৰ ২৪ তাৰিখে পুৱা প্ৰায় ১০-১০ বজাত উৰিয়াম ঘাট আৰক্ষী থানাৰ অন্তৰ্গত ১ নং ৰাজাপুখুৰী আৰু ২ নং ৰাজাপুখুৰী গাৱঁৰ প্ৰধানদ্বয়ে উৰিয়ামঘাট আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক

অৱগত কৰে যে ২৩-০৬-২০২৬ তাৰিখে প্ৰায় পুৱা ১০-৩০ বজাত নাগালেণ্ডৰ নিউলেণ্ড জিলাৰ শুকাইবস্তিৰ দুজন দুৰ্বৃত্ত তেওঁলোকৰ গাওঁলৈ আহি উভয় গাৱঁৰ গাওঁ প্ৰধানৰ হাতত একোখনকৈ পত্ৰ প্ৰদান কৰে। লগতে তেওঁলোকে নিজ নিজ গাৱঁৰ প্ৰতিটো পৰিয়ালৰ পৰা ১১০ টকাকৈ সংগ্ৰহ কৰিবলৈ গাওঁ প্ৰধানক নিৰ্দেশ দিয়ে। উক্ত পত্ৰখনত People's Republic of Nagaland, Office of the Newland Region শীৰ্ষক ব্যৱহাৰ কৰি ২০২৬-২৭ বিত্তীয় বাৰ্ষিক house tax  আৰু census tax ৰ বাবদ NSCN/GPRN এই কাৰ্য্যালয়লৈ অনুদান কৰ আদায়ৰ বাবে গাওঁ পৰিষদ কৰ্তৃপক্ষক আহ্বান জনোৱা হয়। পত্ৰখন NSCN/GPRN or Newland অঞ্চলৰ উপ সচিব হিচাপে পৰিচয় দিয়া TK Naga নামৰ ব্যক্তিৰ স্বাক্ষৰিত বুলি উল্লেখ কৰা হৈছে। অধ্যক্ষ ডাঙৰীয়া, এই দুৰ্বৃত্ত দুজনক চিনাক্ত কৰা হৈছে আৰু এই দুৰ্বৃত্ত দুজন বৰ্তমান পলাই আছে। নাগালেণ্ড আৰক্ষীৰ লগত যোগাযোগ কৰা হৈছে। ১৫৫ নং বেটেলিয়ান CRPF কে ধৰি Neutral Force কো অৱগত কৰা হৈছে যে এই দুজন দুৰ্বৃত্তই আহি দুখন গাৱঁত চিঠি দি গৈছে, গতিকে অধ্যক্ষ ডাঙৰীয়া, ব্যৱস্থা ল'ব লাগে। কিন্তু মই আকৌ কৈছো যে দুৰ্বৃত্ত দুজন পলাতক অৱস্থাত আছে , তেওঁলোকক গ্ৰেপ্তাৰ কৰাৰ লগতে যিকোনো অপ্ৰীতিকৰ ঘটনা প্ৰতিৰোধৰ উদ্দেশ্যে আৰক্ষী আৰু Neutral Force য়ে সংশ্লিষ্ট অঞ্চলত তালাচী অভিযান আৰু তহল ব্যৱস্থা জোৰদাৰ কৰিছে। বৰ্তমান সম্পূৰ্ণ পৰিস্থিতি  স্বাভাৱিক  আৰু আৰক্ষীৰ নিবিৰ পৰ্য্যবেক্ষণত আছে। এতিয়ালৈকে গাওঁ সমূহৰ পৰা কোনো ধৰণৰ ধন সংগ্ৰহ কৰা হোৱা নাই বুলি তথ্য পোৱা গৈছে। ধন্যবাদ।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, Forest Related কথাৰ কাৰণে মই অকণমান কথাখিনি কৈ থৈ দিছো। আজিও আনকি বিহালী অঞ্চলত এনেকৈ  forest ত আহি অৰুণাচলৰ দুৰ্বৃত্তই গছ-বন কটাৰ কাৰণে পুলিচ আৰু forest বিভাগে তাত কাম কৰি আছে। গতিকে দুৰ্বৃত্তই কৰা কামত আমাৰ চৰকাৰে extremly কৰি আছে য'ত যি কৰিব লাগে। কিন্তু তাত অকল নগা, মণিপুৰী, মিজো এনেকুৱা ধৰণৰ কথা কৈ যাতে North East ৰ সমন্বয়টো যাতে নষ্ট নকৰে। দুৰ্বৃত্তই যোৱা কেইদিনমানৰ পৰা বিহালীত উৎপাত কৰি আছিল, আজি অসম পুলিচ আৰু অসমৰ Forest Department য়ে তাত সম্পূৰ্ণ action লৈছে আৰু দুৰ্বৃত্ত ধৰিবলৈ যিখিনি কৰিব লাগে সেইখিনি কৰিছে। অসম বিধান সভাত অন্তত North East ৰ সমন্বয়ৰ against ত কথা নক'ব।

**মাননীয় অধ্যক্ষঃ** আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই যিটো উত্তৰ দিছে, তেখেতক মই ধন্যবাদ জনাইছো এই কাৰণেই যে তেখেতে দুৰ্বৃত্ত শব্দটো ব্যৱহাৰ কৰিছে। আচলতে এটা জাতিক defame কৰিব নাপায়। ইয়াৰ বাবে মই নুৰুল হুদা ডাঙৰীয়াকো দোষাৰোপ কৰিব

বিচৰা নাই। তেখেতেও এখন বাতৰি কাকতৰ উদ্ধৃতি দি হে কৈছে। গতিকে বাতৰি কাকত সমূহেও এটা জাতিক defame কৰি বাতৰি নিদিয়াটো ভাল।

এতিয়া আমি special mention লৈ আহিছো – Under Rule-301. মাননীয় সদস্য ঋষিৰাজ হাজৰিকাই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৩০১ নং দফাৰ অধীনত অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত কৰ্মৰত সখী বাইদেউ সকলৰ জীৱন বীমা আৰু স্বাস্থ্য বীমাৰ সুবিধা প্ৰদান কৰা শীৰ্ষক বিষয়টো মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী ঋষিৰাজ হাজৰিকা, ৰঙানদীঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। আমাৰ অসমৰ সৰ্ব্বকালৰ সৰ্ব্ব শ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ এখন অভিলাষী আঁচনি ''লাখপতি বাইদেউ''। এই আঁচনিখন অসমত এটা সফল ৰূপায়ণ বুলি আমি ক'ব পাৰো, যিখন আঁচনিৰ জৰিয়তে প্ৰায় ৪০ লাখ পৰিয়ালক অসম চৰকাৰে লাভান্বিত কৰি্বলৈ সক্ষম হৈছে আৰু গ্ৰাম্যাঞ্চলত মহিলা সকলৰ মাজত এটা অৰ্থনৈতিক বিপ্লৱ আনিবলৈ সক্ষম হৈছো। এই অৰ্থনৈতিক বিপ্লৱ আৰু গাওঁ অঞ্চলত মহিলা সকলৰ মাজত যিটো পৰিৱৰ্তন, ইয়াৰ প্ৰধান নেতৃ হিচাপে কাম কৰা যিসকল সখী বাইদেউ আছে, জীৱিকা সখীয়ে হওক বা পশু-পক্ষীয়েই হওঁক, এই সখী বাইদেউ সকলে দিনে নিশাই যথেষ্ট কষ্ট কৰা দেখা পোৱা যায়। আমি এই সখী বাইদেউ সকলক অনাগত দিনত তেওঁলোকৰ জীৱন বীমা আৰু স্বাস্থ্য বীমাৰ কাৰণে চৰকাৰক অনুৰোধ জনাইছো যে যাতে অনাগত দিনত আমাৰ চৰকাৰখনৰ জৰিয়তে এই সখী সকলক যাতে জীৱন বীমা আৰু স্বাস্থ্য বীমা প্ৰদান কৰিব পাৰো, তেতিয়া তেওঁলোকৰ জীৱন সুৰক্ষিত হ'ব। কিয়নো কিছু দিনৰ আগতে মোৰ সমষ্টিত এটা দৃষ্টিগোচৰ হৈছিল এগৰাকী সখী বাইদেউ স্বাস্থ্যজনিত কাৰণত যেতিয়া হস্পিতালত ভৰ্তি হৈছিল, হোৱাৰ পাছত একেবাৰে মাটি-বাৰী বিক্ৰী কৰি তাতে তেওঁ চিকিৎসা কৰাবলগীয়া হৈছিল। যিহেতু বাইদেউগৰাকীয়ে আমাৰ কাৰণে কাম কৰি এখন সমাজ পৰিৱৰ্তনৰ দিশে কাম কৰিবলৈ চেষ্টা কৰে, দিনে নিশাই সেই মহিলাসকলক তেওঁ নেতৃত্ব প্ৰদান কৰে মই ভাৱো এই জীৱন বীমা আৰু স্বাস্থ্য বীমা প্ৰদান কৰা মানে যিহেতু আমাৰ চৰকাৰখনে আমি মহিলাক সন্মানৰ কথা কওঁ আৰু আমি মহিলা সন্মানক প্ৰধান প্ৰাধান্য দিওঁ, মই ভাবো যে জীৱিকা সখী সকলক বা সখী বাইদেউ সকলক আমি যদি জীৱন বীমা আৰু স্বাস্থ্য বীমাৰ অন্তৰ্ভুক্ত কৰিব পাৰো অনাগত দিনত আমাৰ যি ৪০ লাখ SHG গোটৰ জৰিয়তে এটা যি গ্ৰাম্য জীৱনৰ পৰিৱৰ্তনৰ যি পৰিকল্পনা আমাৰ চৰকাৰখনে লৈ সফল হৈছো আৰু অধিক সফল কৰিবলৈ সক্ষম হ'ব বুলি আমি বিশ্বাস ৰাখো। লগতে আমাৰ যি প্ৰধান মন্ত্ৰীৰ PMJJBY আৰু PMSBY এই দুটা যি অভিলাসী আঁচনি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ এই আঁচনি দুখন যাতে আমি আমাৰ যি ৪০ লাখ SHG holder

আছে প্ৰত্যেককে যাতে অন্তৰ্ভুক্ত কৰিব পাৰো, কাৰণ ন'হলে কি হয় যেতিয়া আমাৰ মধ্যবিত্ত বা গাৱঁৰ পৰিয়ালৰ মানুহ এগৰাকী যেতিয়া হস্পিতালত ভৰ্তি হওঁ, আমাৰ প্ৰত্যেকজন বিধায়ক এইটো অৱগত যে আমাৰ পুৱাৰে পৰা আমাৰ ঘৰ বিলাকত চিকিৎসাজনিত কাৰণত বহু পৰিয়াল আহে, কাৰোবাৰ ১ লাখ টকা খৰচ হৈছে, কাৰোবাৰ ৫০ হাজাৰ টকা খৰচ হৈছে যিটো আমাৰ দ্বাৰা সম্ভৱ নহয়। সেই কাৰণে আমি ভাৱো যে যদি আমি তেওঁলোকক এই PMJJBY আৰু PMSBY জড়িয়তে এই ৪০ লাখ পৰিয়ালক আমি যদি অন্তৰ্ভুক্ত কৰিব পাৰো, যিহেতু আমাৰ অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ সখী সকল বা তেওঁলোকৰ এই অনুষ্ঠানটো একেবাৰে গাৱঁলৈকে জড়িত হৈ আছে। মই ভাৱো তেওঁলোকে ইচ্ছা প্ৰকাশ কৰি আৰু যদি অধিক ক্ষীপ্ৰতাৰে কাম কৰে মই ভাৱো তাৰ জড়িয়তে এই ৪০ লাখ SHG holder লাভান্বিত হ'ব। অসমত এটা বৃহৎ সুন্দৰ পৰিৱৰ্তন অহাৰ লগে লগে বিশেষভাৱে মহিলা সকলক অৰ্থনৈতিকভাৱে সক্ষম কৰিবৰ কাৰণে সৱল কৰিবৰ কাৰণে অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই যি লাখপতি বাইদেউ আঁচনি লৈছে, প্ৰকৃততে লাখপতি বাইদেউ সকলো লাভান্বিত হ'ব। বিশেষ ভাৱে মই পুনৰবাৰ বিভাগীয় মন্ত্ৰী মহোদয়লৈ মই অনুৰোধ জনাম যে যদি আমি এই লাখপতি বাইদেউ সকলক নেতৃত্ব দিয়া সকলো সখী বাইদেউ সকলক যাতে আমি জীৱন বীমা আৰু স্বাস্থ্য বীমাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীঅতুল বৰা, মন্ত্ৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, অসম চুক্তিৰূপায়ণ, সীমান্ত সুৰক্ষা আৰু উন্নয়ন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীৰ দুৰদৰ্শী নেতৃত্বত ৰাজ্যখনত মহিলা সৱলীকৰণ হৈছে। মহিলা আত্মনিৰ্ভৰশীল হৈছে। প্ৰায় ৪০ লাখ SHG গোট আছে, মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে। গ্ৰামাঞ্চলৰ মহিলা সকলে আগতে তোলনী বিয়া এখন খাবলৈ গ'লেও নিজৰ স্বামীৰ ওচৰত হাত পাতিব লাগে এতিয়া তেনেকুৱা পৰিবেশটো নাই। গ্ৰামাঞ্চলৰ মহিলাসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ দিশত অহৰ্নিশে নিষ্ঠা সহকাৰে সেৱা আগবঢ়োৱা অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত কৰ্মৰত প্ৰায় ১৯,০০০ গৰাকী সখী (কেডাৰ) ৰ সামাজিক সুৰক্ষাৰ অৰ্থে বৰ্তমান কেন্দ্ৰীয় চৰকাৰৰ তিনিখন আঁচনি প্ৰযোজ্য কৰা হৈছে। আঁচনিকেইখন হ'ল ক্ৰমে- প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা (PMJJBY), এইখন আঁচনিত renewal fee দিব লাগে ৪৩৬ টকা বছৰত । অন্যএখন আঁচনি হৈছে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা (PMSBY) তাত দিব লাগে মাত্ৰ ২০ টকা। আনখন হৈছে,প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (PMJAY) ইয়াক আয়ুষ্মান ভাৰত বুলি

কোৱা হয় l এইটো free. প্ৰধানমন্ত্ৰী যি জীৱনজ্যোতি বীমা যোজনা (PMJJBY), এই যোজনাৰ জৰিয়তে সখী অৰ্থাৎ আমাৰ যিবিলাক সখী আছে, সখী অৰ্থাৎ কেডাৰসকলক জীৱন বীমাৰ সুবিধা প্ৰদান কৰা হয়। ১৮ৰ পৰা ৫০ বছৰ বয়সৰ লোকক সামৰি লোৱা এই বীমা এবছৰৰ বাবে বাহাল থাকে আৰু বছৰি ইয়াৰ নৱীকৰণৰ সুবিধা উপলব্ধ। এই যোজনাৰ অধীনত ইতিমধ্যে ২০২৬ চনৰ জুন পৰ্যন্ত আমাৰ ৰাজ্যৰ প্ৰায় ১৯,০০০ৰো অধিক গৰাকী সখী (কেডাৰ)ৰ ভিতৰত ১৪,৮০০ গৰাকী অৰ্থাৎ ৭৭% কেডাৰ অন্তৰ্ভূক্ত কৰা হৈছে। যদি দুৰ্ভাগ্যজনকভাৱে কোনো এগৰাকী কেডাৰৰ মৃত্যু হয় তেখেতৰ পৰিয়ালৰ মনোনীত সদস্যগৰাকীয়ে ২ লাখ টকাৰ বীমাৰ ধনৰাশি লাভ কৰে। এইটো এটা ডাঙৰ সুবিধা আমাৰ চৰকাৰখনে আগবঢ়াইছে l ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰীৰ সুৰক্ষ বীমা যোজনা (PMSBY) আছে আৰু এই PMSBY জৰিয়তে সখী অৰ্থাৎ কেডাৰসকলক দুৰ্ঘটনাজনিত বীমাৰ সুবিধা প্ৰদান কৰা হয়। ১৮ৰ পৰা ৭০ বছৰ বয়সৰ লোকক সামৰি লোৱা এই বীমা এবছৰৰ বাবে বাহাল থাকে আৰু বছৰি ইয়াৰ নৱীকৰণ হয় l এই যোজনাৰ অধীনত ইতিমধ্যে ২০২৬ চনৰ জুন পৰ্যন্ত আমাৰ ৰাজ্যৰ ১৯,০০০গৰাকী সখী (কেডাৰ)ৰ ভিতৰত ১৬,৪১২গৰাকী অৰ্থাৎ ৮৫% কেডাৰ অন্তৰ্ভূক্ত কৰা হৈছে। দুৰ্ঘটনাজনিত কাৰণত এগৰাকী কেডাৰৰ মৃত্যু হ'লে তেখেতৰ পৰিয়ালৰ মনোনীত সদস্যই ২ লাখ টকাৰ বীমাৰ ধনৰাশি লাভ কৰে। দুৰ্ঘটনাত স্থায়ীভাবে সম্পূৰ্ণ অক্ষম হৈ পৰিলেও তেখেতে ২ লাখ টকাৰ বীমাৰ ধনৰাশি লাভ কৰে আৰু স্বায়ীভাবে আংশিক অক্ষমতাক আঁকোৱালি ল'বলগীয়া হ'লে ১ লাখ টকাৰ বীমাৰ ধনৰাশি লাভ কৰে। ইয়াৰ উপৰিও দেশৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ বাবে বৰ্তমান কাৰ্যকৰী হৈ থকা প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (PMJAY), এই জন আৰোগ্য যোজনাৰ জৰিয়তেও সততাৰে সমাজ কল্যাণৰ দিশত জীৱন উৎসৰ্গা কৰা ৰাজ্যৰ কেডাৰসকলক ৫ লাখ টকা পৰ্য্যন্ত নগদবিহীন স্বাস্থ্য বীমাৰ সুবিধা প্ৰদান কৰি অহা হৈছে। এই যোজনাৰ অধীনত ইতিমধ্যে ২০২৬ চনৰ জুন পৰ্যন্ত আমাৰ ৰাজ্যৰ ১৩,৩৫৪ গৰাকী অৰ্থাৎ ৭০% কেডাৰ অন্তৰ্ভূক্ত কৰা হৈছে। তদুপৰি, আমাৰ ৰাজ্যত বৰ্তমান প্ৰায় ৩৯ লাখ আত্মসহায়ক গোটৰ সদস্যা আছে। এইসকল সদস্যাৰ সামাজিক সুৰক্ষাৰ দিশটোৰ প্ৰতিও চৰকাৰে  লক্ষ্য ৰাখিছে আমাৰ ৰাজ্যত ইতিমধ্যে উল্লিখিত তিনিখন গুৰুত্বপূৰ্ণ যোজনা প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা (PMJJBY), প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা (PMSBY) আৰু প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (PMJAY) কাৰ্যকৰী হৈ আছে। প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা (PMJJBY)ৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যাসকলক জীৱন বীমাৰ সুবিধা প্ৰদান কৰা হৈছে। এই যোজনাৰ অধীনত ২০২৫-২৬ বিত্তীয় বৰ্ষত আমাৰ ৰাজ্যৰ ২৭.৬৪ লাখ অৰ্থাৎ ৯০% সদস্যা অন্তৰ্ভুক্ত কৰা হৈছিল। ইয়াৰ উপৰিও প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা (PMSBY)ৰ জৰিয়তে আত্মসহায়ক গোটৰ সদস্যাসকলক দুৰ্ঘটনাজনিত বীমাৰ সুবিধা প্ৰদান কৰা হৈছে। এই যোজনাৰ অধীনত ২০২৫-

২৬ বিত্তীয় বৰ্ষত ইতিমধ্যে আমাৰ ৰাজ্যৰ ৩১.৪২ লাখ অৰ্থাৎ ৮৯% সদস্যা অন্তৰ্ভুক্ত কৰা হৈছিল।ইয়াৰ উপৰিও দেশৰ আৰ্থিকভাৱে দুৰ্বল পৰিয়ালৰ বাবে বৰ্তমান কাৰ্যকৰী হৈ থকা প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা (PMJAY)ৰ জৰিয়তেও স্ব-নিয়োজনৰ নিদৰ্শন দাঙি ধৰা ৰাজ্যৰ আত্মসহায়ক গোটৰ সদস্যাসকলক ৫ লাখ টকা পৰ্যন্ত নগদবিহীন স্বাস্থ্য বীমাৰ সুবিধা প্ৰদান কৰি অহা হৈছে। এই যোজনাৰ জৰিয়তে ইতিমধ্যে আমাৰ ৰাজ্যৰ প্ৰায় ৩৫.১৮ লাখ অৰ্থাৎ ৯৪% সদস্যা অন্তৰ্ভুক্ত কৰা হৈছে। অসমৰ আত্মসহায়ক গোটৰ সদস্যাসকলৰ কিমানগৰাকীয়ে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা (PMJJBY) আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনা (PMSBY) দুখন চলিত ২০২৬-২৭ বৰ্ষত নৱীকৰণ কৰিছে সেই তথ্য সংগ্ৰহৰ কাম বৰ্তমান চলি আছে।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সদস্য ড০ জয়প্ৰকাশ দাস ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ দফাৰ অধীনত ''ৰাজ্যত খৰাং সদৃশ পৰিস্থিতিত কৃষকৰ হাহাকাৰ'' শীৰ্ষক বিষয়টো মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**ডং জয় প্ৰকাশ দাস, নাওবৈচাঃ** মই আপোনাক ধন্যবাদ জনাইছো। অসমৰ এক আহিবলগীয়া সমস্যাৰ ওপৰত আপুনি আলোচনা কৰিব দিয়াৰ বাবে ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় কৃষি মন্ত্ৰী মহোদয়ৰ পৰা দৃষ্টি আকৰ্ষণ ল'ব বিচাৰিছো কাৰণ যোৱা ২ জুলাই তাৰিখে মোৰ 'আমাৰ অসম' বাতৰি কাকতৰ এটা বাতৰিত দৃষ্টি নিক্ষেপ হ'ল, তাত স্পষ্টকৈ লিখিছে ''ৰাজ্যত বান বিভীষিকাৰ মাজতে উজনিৰ পথাৰত চিৰাল ফাট'' আৰু ইয়াত স্পষ্টকৈ লিখিছে যে পানীৰ অভাৱত কঠীয়া ৰুব পৰা নাই আৰু যোৰহাটৰ প্ৰায় ৯২ হাজাৰ হেক্টৰ কৃষি ভূমিৰ ভিতৰত মাত্ৰ ৩ হাজাৰ হেক্টৰ কৃষি ভূমিতহে জলসিঞ্চনৰ ব্যৱস্থা আছে। তাৰ পিছত একে নিউজ 'আমাৰ অসম' বাতৰি কাকতে পুনৰ ৫ জুলাই তাৰিখে কৰিলে। ''বৰষুণ নাই, ৰাজ্যত দাবদাহ, অভূতপূৰ্ব খৰাঙৰ আশংকা''। মাননীয় অধ্যক্ষ মহোদয়, এটা কথা স্পষ্ট হৈছে যে অসমত এক নতুন পৰিৱেশৰ সৃষ্টি হ'বলৈ গৈ আছে, যিটো খৰাং বুলি কোৱা হৈছে। আজিৰ যিটো সময় বাৰিষাৰ সময়, এই বাৰিষা সময়ত বাতৰিত প্ৰকাশ পাইছে যে এতিয়া বৰষুণ নাই আৰু কৃষকে পানীৰ অভাৱত খেতি কৰিব পৰা নাই, কঠীয়া পাৰিব পৰা নাই, আৰু পথাৰত ছিৰাল ফাট মেলিছে বুলি ইতিমধ্যে প্ৰকাশ পাইছে। তাৰোপৰি এইটো আজি নহয়, এইটো continuously হৈ আছে। এতিয়া আচাম ট্ৰিবিউনে ২৬ ফেব্ৰুৱাৰী, ২০২৬ ত এটা ৰিপ'ৰ্টিং কৰিছে যে rains illustrated in winter again আৰু তাত স্পষ্টকৈ লিখিছে যে অসমত এতিয়া বৰষুণৰ পৰিমাণ প্ৰায় ৩০ ৰ পৰা ৭০ শতাংশ কমি গৈছে আৰু বছৰৰ প্ৰথম সপ্তাহত ২০২৬ ৰ জানুৱাৰী মাহৰ পৰা ফেব্ৰুৱাৰীলৈকে এইখিনি সময়ত

৯৯ শতাংশ বৰষুণ নাই বুলি ইতিমধ্যে বিভিন্ন সংস্থাই প্ৰকাশ কৰিছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমি অনুভৱ কৰিছো যে অসমত খৰাং আগন্তুক সময়ত এটা ডাঙৰ প্ৰত্যাহ্বান হিচাপে আহিব। সেইকাৰণে আমাৰ চৰকাৰখনে ইয়াত খুব গুৰুত্ব সহকাৰে দায়িত্ব লোৱাটো মই ভাল বুলি অনুভৱ কৰিছো। এই কথাটো মাননীয় অধ্যক্ষ মহোদয় কেৱল অসম ভিত্তিক হৈ থকা নাই। ৰিপোৰ্টিং কেৱল অসমৰ নিউজ কাকতে কৰিছে বা 'আসাম ট্ৰিবিউন' য়ে কৰিছে বা 'আমাৰ অসম' য়ে কৰিছে সেইটো নহয়, এই ৰিপোৰ্টিং বিলাক আজি আমি দেখিবলৈ পাইছো ''ইণ্ডিয়ান এক্সপ্ৰেছ'য়েও ইয়াক আগতীয়াকৈ ৰিপোৰ্ট কৰিছে যে অসমৰ ১৫ খন জিলা most vulnerable district হিচাপে পৰিগণিত হৈছে, যি ক্লাইমেট চেঞ্জৰ ফলত আগন্তুক সময়ত বিপদত পৰিব বুলি আশংকা কৰা হৈছে। এইটো ''ইণ্ডিয়ান এক্সপ্ৰেছ''য়ে কৰিছে, 'টাইমচ অফ ইণ্ডিয়া'ইও কৈছে যে অসম আৰু নৰ্থ ইষ্টত, অৰুণাচলত উষ্ণতা বাঢ়িছে, বৰষুণ কমিছে সেইকাৰণে আগন্তুক সময়ত অসমত কৃষকৰ এটা বিশেষ অসুবিধাৰ সৃষ্টি হ'ব বুলি ইতিমধ্যে 'টাইমচ অফ ইণ্ডিয়া'ই ৰিপোৰ্টিং কৰিছে। মাননীয় অধ্যক্ষ মহোদয় এই কথাটো কেৱল অসমৰ নেশ্যনেল পৰ্যায়তে এই কথাটো সীমিত হৈ থকা নাই এই কথাটো ইণ্টাৰনেশ্যনেল পৰ্যায়তো ইয়াক identify কৰা হৈছে যে গ্ৰছ ডমেষ্টিক ক্লাইমেট ৰিস্ক , য'ত ২৬০০ ভেৰাইটিজৰ ওপৰত অধ্যয়ন কৰা হৈছিল । এই অধ্যয়নত স্পষ্টকৈ লিখিছে যে among the top 50 regions globally at the risk of damage to the built environment due to climate change hazard by 2050. অসমৰ কথাটো লিখিছে যে অসম top 50 challenged state লৈ province লৈ পৰিণত হৈছে যি ক্লাইমেট চেঞ্জৰ যোগেদি অসুবিধাৰ সন্মুখীন হ'ব। সেইখিনি মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যিক পৰ্যায়ত আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত, আন্তৰ্জাতিক পৰ্যায়তো এই পৰিৱেশটো ৰিপ'ৰ্টিং হৈছে। কিন্তু মাননীয় অধ্যক্ষ মহোদয় আমি কৃষি প্ৰধান দেশ বুলি কৈ থাকো। আমি কৈ থাকো যে ৭০ শতাংশ অসমৰ মানুহ কৃষিৰ লগত জড়িত। কিন্তু আজি যদি কৃষিৰ লগত জড়িত এই যে বিধ্বস্ত অৱস্থা যোৰহাটত হৈছে, অসমৰ বিভিন্ন জিলাত হৈছে, এই যে ৰিপোৰ্টিং হৈছে তাৰ কাৰণে আমি কি ব্যৱস্থা লৈছো ? সেই কাৰণে আজি পানী নাই যিখিনি সময়ত খেতি কৰিব লাগে কঠীয়া পাৰিব লাগে, তাৰ কাৰণে পানী নাই তাৰ কি ব্যৱস্থা লৈছো । বৰষুণ কমিছে বুলি কৈছে, বাৰিষা নাইকিয়া হৈছে। আজিকালি আমি দেখো বাৰিষা নাই, আগতে এনেধৰণৰ ৰিপ'ৰ্টিং হৈছিল। বাৰিষা ৰিপ'ৰ্ট, যেনে কেশৱ মহন্ত ডাঙৰীয়া থাকোতে বহু বাৰিষাৰ ৰিপ'ৰ্টিং হৈছিল, পীযুষ হাজৰিকা ডাঙৰীয়াই প্ৰথম পৰ্য্যায়ত ৰিপ'ৰ্টিং হৈছিল কিন্তু এতিয়া আমি দেখিছো বাৰিষা আজিকালি নাই। কাৰণটো স্পষ্ট হৈছে যে বৰষুণৰ পৰিমাণ দিনক দিনে কমি গৈছে আৰু এইটো কথা কোৱা হৈছে যে 30 percent to 70 percent বৰষুণ অসমত নাইকিয়া হৈছে। সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয় এতিয়া কৃষি প্ৰধান ৰাজ্য বুলি গৌৰৱ কৰি থাকিলে নহ'ব আৰু আমি

আগতে কৈছিলো, BJP vision document ত কৈছিল যে আমি কৃষকৰ উপাৰ্জন দুগুণ কৰিম । কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমি কৈ থাকিলে হ'ব জানো ? ২১ শতিকাত আমি যদি মাত্ৰ বৰষুণ চাই থাকো, বৰষুণলৈ যদি আশা কৰি থাকো, তেতিয়াহ'লে হয়তো আচল কৃষকবোৰে সুবিধা পাব জানো ? মাননীয় অধ্যক্ষ মহোদয়, এই কাৰণে মই অনুৰোধ কৰিছো আজিৰ এই যি খৰাং সদৃশ পৰিৱেশ হৈছে, এইটো এটা alarm হয়, এইটোৱে আমাক signal দিছে । এই signal টোৱে এইটোৱে কৈছে যে আগন্তুক সময়খিনিত অসমলৈ এটা বিপৰ্যয় নামি আহিব । যিখিনি সময়ত ৭০ শতাংশ মানুহ কৃষিৰ লগত জড়িত সেইখিনি সময়ত যেতিয়া খেতি নহ'ব, এবছৰ খেতি নহ'ব তেতিয়া হয়তো আমাৰ অৰ্থনীতিত সাংঘাটিকভাৱে কু-প্ৰভাৱ পৰিব আৰু এই অৰ্থনীতিত কু-প্ৰভাৱ পৰাৰ লগে লগে খেতিয়ক সকলক আমি সংস্থাপনৰ ব্যৱস্থা কৰিব লাগিব । এইকাৰণে আমি অনুভৱ কৰিছো মাননীয় অধ্যক্ষ মহোদয় আগন্তুক সময়ত অসমত কৃষকৰ কাৰণে যি অশনি সংকেত নামি আহিছে, এই অশনি সংকতক চৰকাৰখনে গুৰুত্ব সহকাৰে ল'ব লাগে, দায়িত্ব সহকাৰে ল'ব লাগে যাতে আমি কৃষক সকলক বিপদত পৰিব দিয়া নহয় তাৰ কাৰণে ব্যৱস্থা কৰিব লাগে । মাননীয় অধ্যক্ষ মহোদয়, কৃষি উন্নয়নৰ বহু প্ৰতিশ্ৰুতি দিয়া হৈছে । এইবাৰ অৱশ্যে এটা কথা ভাল হৈছে কৃষি মন্ত্ৰীজনে ইৰিগেশ্যনৰ মন্ত্ৰী, কিন্তু ২০২২আৰু ২০২৩ চনত এগ্ৰিকালচাৰ ৰিপ'ৰ্ট ইৰিগেশ্যনত আমাৰ অসমৰ কথাটো খুব পুতৌলগা । তাত কোৱা হৈছে যে অসমৰ মাত্ৰ ১৪ শতাংশ কৃষি ভূমি, য'ত ২৮ লাখ হেক্টৰ আমাৰ কৃষি ভূমি আছে তাৰ কেৱল ১৪ শতাংশ কৃষি ভূমিতহে আমাৰ ইৰিগেশ্যনৰ ব্যৱস্থা আছে বুলি কৈছে । য'ত পঞ্জাৱত 98.1 % ৰ কথা কোৱা হৈছে, হাৰিয়ানাত 87.6% ৰ কথা কৈছে, বিহাৰত 63.4 % কথা কৈছে, আৰু নেশ্যনেল লেভেলত 49.9 % ৰ কথা ইৰিগেশ্যনৰ ব্যৱস্থাৰ কথা কৈছে. কিন্তু অসমৰ কৃষি ভূমিৰ কেৱল ১৪ শতাংশত আছে বুলি কোৱা হৈছে । সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো চৰকাৰক অনুৰোধ কৰিব খুজিছো যিহেতু খৰাং সদৃশ পৰিৱেশটো অসমত হ'বলৈ গৈ আছে আৰু লগতে তথ্যই স্পষ্টকৈ কৈছে যে আমাৰ পৰ্যাপ্ত ইৰিগেশ্যন ব্যৱস্থা নাই আৰু আমি দেখিবলৈ পাইছো আগতে যেনেকৈ বানপানী হৈছে, বানপানী লাহে লাহে কমি গৈছে । আমি দেখিবলৈ পাইছো আজি এই ভৰপোক জুলাই মাহত য'ত বৰষুণ হয় সেই বৰষুণ নাই । আমি আজিকালি নতুন কিছুমান বস্তু নৰ্থ ইষ্ট বা অসমত দেখিছো cloudburst ৰ নিচিনা । আগতে সমানুপাতিক বৰষুণ হৈছিল, আজিকালি কিন্তু সমানুপাতিক বৰষুণ নহয়, cloudburst ৰ নিচিনা বৰষুণ হয় । কেৱল কিছু ঠাইতহে হৈছে । জলবায়ু পৰিৱৰ্তন হৈছে, জলাবায়ু পৰিৱৰ্তনৰ লগে লগে আমি অনুভৱ কৰিছো যে অসমৰ কৃষি খণ্ডটো সাংঘাটিক বিপদত পৰিবলৈ গৈ আছে । সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক খুব seriously, খুব seriously কৃষি ক্ষেত্ৰখনৰ

আৰু ইৰিগেশ্যন ক্ষেত্ৰখনত গুৰুত্ব প্ৰদান কৰিবলৈ মই অনুৰোধ কৰিছো কাৰণ লাখ লাখ কৃষক আমাৰ গ্ৰাম্য অৰ্থনীতিৰ লগত জড়িত হৈ আছে। কৃষকসকলৰ যদি অৱস্থা দুৰৱস্থা হৈ যায় তেতিয়াহ'লে আমাৰ গ্ৰাম্য অৰ্থনীতি কিন্তু থানবান হৈ যাব । তাৰ কাৰণে এই ব্যৱস্থা ল'বলৈ মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো। সেইখিনিৰ ওপৰত মাননীয় অধ্যক্ষ মহোদয়, আপুনি মোক সদনত ৰাখিবলৈ সুবিধা দিয়াৰ বাবে ধন্যবাদ জনাই, মাননীয় মন্ত্ৰীক কৃষি খণ্ডটোক আৰু তৎপৰতাৰে আগুৱাই লৈ যাবলৈ আহ্বান জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষঃ** কৃষি বিভাগৰ মাননীয় মন্ত্ৰীয়ে উত্তৰ প্ৰদান কৰিব।

**শ্ৰী পীযুষ হাজৰিকা, কৃষি মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, কিছু কিছু অঞ্চলত অলপ খৰাং সদৃশ পৰিৱেশ হোৱাৰ কথাটো মই অস্বীকাৰ নকৰো, কিন্তু সন্মানীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে সম্পূৰ্ণকৈ নহয়। তেখেতে সমগ্ৰ অসমত বুলি কৈছে কিন্তু আমাৰ হাতত থকা ৰিপোৰ্ট মতে এতিয়ালৈকে গোলাঘাটৰ কিছু অঞ্চল, মৰিগাও জিলাৰ কিছু অঞ্চল, পশ্চিম কাৰ্বি আংলং জিলাৰ কিছু অঞ্চলত খৰাং সদৃশ পৰিৱেশ অহাৰ বাতৰি পোৱা গৈছে। অধ্যক্ষ ডাঙৰীয়া, মোক আজি কিছুদিন আগতে এজন ব্যক্তিয়ে whatsapp কৰিছিল যে আমাৰ হোজাই, কাঁকী অঞ্চলত বৰষুণ হোৱা নাই। মই খবৰ লৈ পাছত গম পালো যে সেই অঞ্চলটোত normally ও বৰষুণ কমকৈ হয়। কিন্তু অধ্যক্ষ ডাঙৰীয়া, মই জলসম্পদ বিভাগৰ পৰা ৰিপ'ৰ্ট ল'লো, যোৱাবাৰৰ তুলনাত overall কিন্তু বৰষুণ কমিছে, মই সেইটো অস্বীকাৰ নকৰো। যোৱাবাৰৰ তুলনাত এইখিনি সময়ত ৫৫% মান বৰষুণ সাধাৰণতে হয়, আজি ৪/ ৫ বছৰত যিমান বৰষুণ হয়, এইবাৰ এতিয়ালৈকে ৬০% হৈছে। মই আপোনালোকক ক'ব খুজিছো- আমাৰ Water Resource Department ৰ বৰষুণৰ পৰিমাণ হিচাপ কৰাৰ বাবে বিভিন্ন ঠাইত যন্ত্ৰ-পাতি থাকে, centre থাকে, তেওঁলোকৰ পৰা আমি ৰিপ'ৰ্টটো পাওঁ। ডিব্ৰুগড়ত এইবছৰ এতিয়ালৈকে বৰষুণ হৈছে 977.10 mm আৰু যোৱা বছৰ হৈছিল 1090.82 mm. অৰ্থাৎ তাত অলপ কমি আছে। অধ্যক্ষ ডাঙৰীয়া, পাণ্ডুত যদি চায় যোৱাবছৰ এনেকুৱা সময়লৈকে হৈছিল 1255 mm আৰু এতিয়ালৈকে হৈছে 1109 mm. মোৰ লগত থকা তথ্যই এনেদৰে কৈছে। গতিকে অলপ অলপ বৰষুণ কোনোবা ঠাইত কমকৈ হৈছে আৰু কোনোবা ঠাইত বেছিকৈ হৈছে। কিন্তু খৰাং সদৃশ পৰিস্থিতি হোৱা নাই। এইবাৰ এটা global phenomena যাক EL-Nino বুলি কোৱা হয়, এই EL-Nino কেতিয়াবা দুবছৰত আহে আৰু কেতিয়াবা ৭ বছৰত আহে। What is El-Nino? El-Nino is climate phenomenon characterized by the abnormal warming of sea surface temperatures in the Central and Eastern tropical pacific ocean. মানে Central and Eastern tropical pacific ocean, এই সাগৰৰ অঞ্চলটো গৰম হৈ যায় আৰু তেতিয়া এছিয়া

আৰু অষ্ট্ৰেলিয়াত বৰষুণ কমকৈ হয় আৰু South And North America ত বৰষুণ বেছিকৈ হয়। এইটো এটা general phenomena. আপোনালোকে নিশ্চয় কেইদিনমান আগত দেখিছে যে শিৱৰাজ সিং চৌহান ডাঙৰীয়াই সমগ্ৰ ভাৰতৰ কৃষিমন্ত্ৰী সকলৰ লগত El Nino ক লৈ মিটিং কৰিছিল। El Nino ক লৈ বৰ্তমান গোটেই পৃথিৱীতে একেই অৱস্থা। আমি এই কেইদিন দেখি আছো যে ইউৰোপত ৰাস্তাবোৰ গলি গৈছে, ইউৰোপত গৰম আৰু আমেৰিকাত বৰষুণ বেছি হ'ব। এইটো natural phenomena. ইয়াত আমাৰ বেছি কৰিব লগীয়া নাই, কিন্তু তাৰ কাৰণে আমি সাজু হ'ব লাগিব। এতিয়ালৈকে বহুত বেছি খৰাং সদৃশ পৰিৱেশ হোৱা তিনিটা অঞ্চলৰ তথ্য আমাৰ লগত আছে- গোলাঘাট, মৰিগাঁও আৰু পশ্চিম কাৰ্বি আংলং। মই official report ৰ মতে যাঁও, বাতৰিত সঁচা-মিছা সকলো নিউজ ওলাই, গতিকে বাতৰি কাকতৰ সকলো কথা বিশ্বাস নকৰিব। কিন্তু এইবাৰ এটা সমস্যা হৈছে, মই অস্বীকাৰ নকৰো, এইবাৰ খেতিৰ আগতেই বেছি বৰষুণ পৰি গ'ল। অধ্যক্ষ ডাঙৰীয়া, সাধাৰণতে অসমত জিলাই- জিলাই average 3000 mm মান বৰষুণ হয়। কেতিয়াবা 2800 mm মান হয় আৰু কেতিয়াবা 2500 mm হয়। 2500 mm হ'লে তাক আমি কম হোৱা বুলি কওঁ, মই জলসম্পদ বিভাগত বহুদিন আছিলো কাৰণে এই বিষয়ে মই জানো। তেখেতে এটা কথা কৈছে যে বানপানী নোহোৱা হ'ল । বানপানী নোহোৱাৰ কাৰণটো বেলেগ। অধ্যক্ষ ডাঙৰীয়া, ৫ বছৰত আমি ১০০০ কিমি মথাউৰি বনাইছো। আগতে মথাউৰি থকা সেই উন্মুক্ত ঠাইত পানী সোমাইছিল। গতিকে পানী তেতিয়া বেছিকৈ দেখিছিলো। এতিয়া আৰু ১৩০ কিমি হে মথাউৰি নিৰ্মাণ কৰিব লগীয়া আছে। সেইখিনি যদি সুশান্ত বৰগোঁহাই ডাঙৰীয়াই হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নিৰ্দেশত বনাই দিয়ে তেতিয়া পানী আৰু কমকৈ দেখিব। পানী কম দেখাৰ চিষ্টেম বেলেগ হৈছে। আগতে যদি ক'ৰবাত মথাউৰি ভাঙিছিল তেনেহ'লে ছমাহ বা এবছৰলৈকে সেই মথাউৰিটো ৰিপেয়াৰ নহৈছিল। গতিকে পাছৰ ছমাহ পানীয়েই পানী আহিছিল। সেইবোৰ আমি নতুনকৈ নিৰ্মাণ কৰিলো, গতিকে ৰাইজে পানী আৰু কমকৈ দেখিব। পানী কম দেখাটো ভাল। পানী কমকৈ দেখিবৰ বাবে বিভাগ আৰু চৰকাৰে যথেষ্ট কাম কৰিছে। তেখেতৰ সমষ্টিত যিটো মথাউৰি ভাঙিছিল সেই মথাউৰিটো আমি ২০ দিনৰ ভিতৰত ৰিপেয়াৰ কৰিছিলো। এতিয়া ভৰ বাৰিষা মথাউৰি ভাঙিলে ২০ দিনৰ ভিতৰত আমি ৰিপেয়াৰ কৰি দিওঁ আৰু ভাঙিব নোৱাৰে। গতিকে আমি বিৰাটেই সচেতন, য'ত য'ত driught হ'ব তাত কম duration ত যি খেতি কৰিব পাৰি তাৰ কাৰণে আমি সাজু হৈছো আৰু কম পানীত যি খেতি কৰিব পাৰি তাৰ কাৰণেও সাজু হৈছো। যেনে Bina- 10 আৰু Sizer 301 এই দুবিধ ধানৰ বীজ আমি দিবলৈ সাজু হৈছো আৰু মই কিছুদিন আগতে বিশ্বজিৎ ফুকন ডাঙৰীয়াৰ লগত কথাও পাতিছো যে যদি আপোনাক সেইখিনি লাগে আৰু লগতে মিলেটো দিম, মিলেট শুকান ঠাইত হয়। গতিকে আমাৰ কৃষি বিভাগ সম্পূৰ্ণ সাজু হৈ আছো। য'ত drought হৈ আছে এইবাৰ চাম

যে যেনে কাকীত বৰষুণ কমকৈ হয় বুলি মই আগতে গম পোৱা নাছিলো, তাত যদি বিল আছে তাত আমি immediately নতুন minor irrigation ৰ চিষ্টেম কৰিম। মই কথাও পাতিছো কিন্তু ওচৰত বিল নাই। কিন্তু কাকী বা সৰুপথাৰ অঞ্চলত য'ত য'ত normally বৰষুণ কমকৈ হয় তাত immediately সৰু সৰু minor irrigation স্কীম নিশ্চিতভাৱে কৰিম, আজি এই সদনত প্ৰতিশ্ৰুতি দিছো। সদস্য গৰাকীয়ে কোৱাৰ দৰে অসমত ১৪ / ১৫ % irrigated land নাই। অসমত এতিয়া ২৪% total irrigated land আছে। Irrigation ৰ কাৰণে ৩টা বিভাগে কাম কৰে- Irrigation Department, Agriculture Department and Soil Conservation. গতিকে তেখেতৰ ৰিপ'ৰ্টত ছাগে ৩টা বিভাগৰে ৰিপ'ৰ্ট সন্নৱিষ্ট হৈ থকা নাই। কিন্তু অধ্যক্ষ ডাঙৰীয়া, এটা কথা মই আপোনাক জনাব বিচাৰিছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে এই ক্ষেত্ৰত কাম কৰাৰ কাৰণে নিৰ্দেশ দিছে, অন্ততঃ চেষ্টা কৰা হ'ব ২৪ ৰ পৰা যাতে ৫০ % খেতি-মাটিত এই ৫ বছৰত পানীৰ ব্যৱস্থা কৰিব পাৰো তাৰ কাৰণে নিশ্চয়কৈ চেষ্টা কৰিম, কৃষকৰ কাৰণে আৰু কাম কৰিম। আমি কাম কৰিছো কাৰণে সেইখিনি সংকল্পপত্ৰত দিওঁ। আমি কাম কৰো সেইকাৰণে আমাক বাৰে বাৰে চৰকাৰলৈ আনি আছে আৰু আপোনালোকক বাৰে বাৰে opposition লৈকে পঠিয়াই আছে। কাৰণ আপোনালোকে ফাঁকি মাৰিলে, কাম নকৰিলে। গতিকে আপোনালোকক বাৰে বাৰে বিৰোধী পক্ষতে বহাই ৰাখিছে। আমি আৰু কাম কৰিম, চিন্তা নকৰিব। পুঁজি সাপেক্ষে পাৰিলে আপোনাৰ সমষ্টিতো কাম কৰিম বুলি প্ৰতিশ্ৰুতি দিছো।

**মাননীয় অধ্যক্ষ :** ধন্যবাদ।

এতিয়া মাননীয় সদস্য শ্ৰী ৰাজু মেচ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলী ৩০১ নং দফাৰ অধীনত “অসম-মেঘালয় সীমান্তৱৰ্তী অঞ্চল লাংপীত মেঘালয় আৰক্ষীয়ে অবৈধভাৱে আৰক্ষী চকী নিৰ্মাণ” শীৰ্ষক বিষয়টো মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিব।

**শ্ৰী ৰাজু মেচ (বকো, ছয়গাওঁ)** : মাননীয় অধ্যক্ষ মহোদয়, মই বকো, ছয়গাঁও সমষ্টিৰপৰা প্ৰথম বাৰৰ বাবে অসম বিধান সভালৈ নিৰ্বাচিত হৈ আহিছো আৰু মোক এই সদনত ক'ব দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। যোৱা ২ জুলাইত আমাৰ বকো, ছয়গাঁও সমষ্টিত যি লাংপী বুলি ঠাই আছে এই মেঘালয় আৰু অসমৰ সীমান্তৱৰ্তী অঞ্চলটোৰ বিশ্ব শৰ্মা নামৰ যিজন গাঁওবুঢ়া আছে তেওঁ মোক ফোন কৰি অৱগত কৰিলে যে তাত মেঘালয়ৰ গাড়ীবোৰ আহি মেঘালয়ৰ মানুহে গছ কাটিছে, ইয়াৰ পূৰ্বেও কাটিছে। গতিকে আগতে আমি ব্যক্ত কৰিলেও কোনো দেখা কৰা মানুহ নাছিল, যিহেতুকে আপুনি এইবাৰ বিধায়ক হৈ আহিছে সে্যেহে আপুনি এবাৰ ঠাইখন পৰিদৰ্শন কৰিব নেকি। তেওঁ মোক ২ তাৰিখে সন্ধিয়া ফোন কৰিলে আৰু সেই সন্ধিয়া লগে লগে আমাৰ বকোৰ CDC চাহাবক ফোন কৰিলো,

লগতে চাৰ্কোল অফিচাৰকো ফোন কৰিলো আৰু সেই অঞ্চলৰ ৰাভা হাছং অট’নমাচ কাউঞ্চিলৰ যিজন পাৰিষদ অৰ্জুন ছেত্ৰী ডাঙৰীয়াকো লগত লৈ ৩ তাৰিখে আমি পৰিদৰ্শন কৰাৰ পৰিকল্পনা কৰিলো। ৩ তাৰিখে ৰাতিপুৱা আমি তালৈকে গ’লো। গৈ দেখিলো তাত ৰাস্তাৰ কাষত বহুত গছ কাটি পেলাই থৈ দিছে আৰু মেঘালয়ৰ ৰেজিষ্টাৰড গাড়ী ভিতৰলৈ সোমাই আহিছে আৰু সোমাই আহি লোড্ কৰিছে, লোড্ কৰি উন্মুক্ত ভাৱে সেইবোৰ স্মাগল কৰি লৈ গৈ আছে। মই গৈ ওচৰত আমাৰ যিটো বোৰ্ডাৰ আউটপোষ্ট আছে তেওঁলোকক লগ ধৰিলো আৰু লগ ধৰি সুধিলো এইটো কেনেকুৱা ব্যৱস্থা। তেতিয়া তেওঁলোকে ক’লে যে এইটো এটা দীৰ্ঘ দিনীয়া এটা সংঘাত আৰু এইটো এনেকৈ চলিয়ে থাকে। আপোনালোকে কি ইয়াত নিৰপেক্ষ হৈ থাকে নেকি ? আমাৰ হাত-ভৰি বন্ধা, আমাৰ এখন পেট্ৰ’লিং কৰিবলৈ এখন গাড়ীও নাই। মোৰ এইবোৰ দেখি এনেকুৱা অনুভৱ হ’ল যে তাত কোনো চিষ্টেম নাই। সেইটো no man’s land হৈ আছে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে অসম চৰকাৰৰ কৰ্তৃত্ব যেন তাত বাহাল থাকে। তাত যি আউট পোষ্ট আছে তাত এখন বলেৰ’ গাড়ী দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ তেওঁলোকৰ পেট্ৰ’লিং কৰিবলৈ ও গাড়ী নাই। তাত গৈ মোৰ আৰু কেইটামান কথা দৃষ্টিগোচৰ হ’ল, মই কিছু উদাহৰণ দি বুজাব বিচাৰিছো। ধৰি লওঁক খানাপাৰাত আমাৰ বোৰ্ডাৰ আউট পোষ্ট আছে আৰু মেঘালয় পুলিচৰ আউট পোষ্টটো আছে দিছপুৰত। মোৰ এইটো বোধগম্য নহ’ল যে সেইখিনি কাৰ মাটি। তেওঁলোকে আমাৰ মাটিলৈ সোমাই আহিছে আৰু আমি একেবাৰে শেষলৈকে গৈছো। সেয়েহে মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক এই কথাখিনি দৃষ্টিগোচৰ কৰিব বিচাৰিছো। সেই অঞ্চলত বসবাস কৰি থকা লোকসকলক তেওঁলোকে মাটিৰ পট্টা পাইছে নে নাই সুধিলো। তেতিয়া তেওঁলোকে কৈছে যে ইয়াত আমাৰ কোনো মাটিৰ পট্টা নাই। কাৰণ এইবোৰ NC Village . মোৰ কাৰণে NC Village শব্দটো নতুন। মই যেতিয়া এইবিষয়ে চক্ৰ বিষয়াক সুধিলো তেওঁ ক’লে যে Non Cadastral Land. ইয়াৰ কোনো জৰীপ হোৱা নাই আৰু সেয়েহে কোনো মানুহৰ মাটিৰ পট্টা নাই। তাত সকলোখিনি খেতিয়কেই আছে, তাত চাকৰি কৰা মানুহ নাই। কিন্তু তেওঁলোকৰ মাটিৰ পট্টা নথকাৰ বাবে PM Kisan ৰ সুবিধাসমূহ পোৱা নাই। মই আপোনালোকৰ জৰিয়তে অতি শীঘ্ৰে মাটিৰ জৰীপ কৰি তাত বসবাস কৰি থকা লোকসকলক মাটিৰ পট্টা দিয়াৰ বাবে ব্যৱস্থা কৰিব লাগে। তাত যিহেতু ভূমিৰ পট্টা নাই, সেয়েহে মেঘালয়ৰ পৰা দুষ্কৃতিকাৰীসকল আহি মাটিসমূহ দখল কৰে। তাত থকা লোকসকলৰ খোৱা পানীৰ ব্যৱস্থা নাই। মই তেওঁলোকক সুধিলো যে আপোনালোকে কিহৰ পানী খায় ? তেওঁলোকে নিজৰাৰ পানী খায় বুলি ক’লে। তাতে চৰকাৰে JJM ৰ অধীনত আঁচনি এটাৰ আৱণ্টন দিছিল। কিন্তু ঠিকাদাৰে টকা নোপোৱাৰ বাবে সম্পূৰ্ণ কৰিব নোৱাৰিলে। সেইকাৰণে তাত এতিয়াও লোকসকলে নিজৰাৰ

পানী খাবলগীয়া হৈ আছিল। মই আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীক এই কথাখিনি অৱগত কৰালো । মোৰ আৰু এটা সমস্যা দৃষ্টিগোচৰ হ'ল যে তাত মোবাইল নেটৱৰ্ক নাই । মই তেওঁলোকক কেনেকৈ যোগাযোগ কৰে সুধিলো । তেওঁলোকে ক'লে যে এয়াৰটেলৰ ২-জিৰ দ্বাৰা তেওঁলোকে চলি আছে। গতিকে লাংপি অঞ্চলত এটা ৪-জি নেটৱৰ্কসহ বি এচ এন এলৰ টাৱাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু এটা ব্যৱস্থা কৰিবৰ বাবে মই আগ্ৰহ প্ৰকাশ কৰিম যে পৰিবহণ বিভাগে যাতে তাত এখন বাছ দিয়াৰ ব্যৱস্থা কৰে। তেওঁলোকে নিতৌ যাতে বকো ছয়গাওঁলৈ আহিব পাৰে আৰু সন্ধিয়া যাতে পুনৰ ঘূৰি যাব পাৰে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, ৰাজু মেছ ডাঙৰীয়া নতুন বিধায়ক । মই সেই কাৰণে কৈছো নহ'লে বাকী সকলেও ক'ব । ...... interruption.....

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, বিজেপিৰ বিধায়কে চৰকাৰৰ ভাওা একেবাৰে ফুটাই দিলে। ...... interruption..... চৰকাৰে একো কামেই নকৰে। চৰকাৰে পদত্যাগ কৰিব লাগে। ...... interruption.....

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, এই সদস্য গৰাকীয়ে বহুত কথা কয় । তেখেতক বহিবলৈ দিয়ক । এই পিংপং গৰাকীক বহি থাকিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ :** মাননীয় অখিল গগৈ ডাঙৰীয়া, আপুনি বহক। মাননীয় সদস্য ৰাজু মেছ ডাঙৰীয়া, আপুনি প্ৰশ্নটো আৰক্ষী চকী সম্পৰ্কত আনিছিল । কিন্তু আপুনি জেনেৰেলাইজ কৰি কৈ গৈছে। ...... interruption.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰ গোটেই নাওঁঠ হৈ গ'ল। একো কামেই কৰা নাই। বকো ছয়গাওঁ গুৱাহাটীৰ পৰা কিমান দূৰ ? ইয়াতেই যদি একো কাম কৰা নাই, এই চৰকাৰ বিফল হৈছে। মোৰ মতে পদত্যাগ কৰিব লাগে। ...... interruption.....

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়,মই উত্তৰটো এতিয়া দিম। পিংপং গৰাকীয়ে এটা কথা কৈ আছিল যে ...... interruption.....

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, (মৰিয়ণী) :** মাননীয় অখিল গগৈ ডাঙৰীয়াই চৰকাৰক নাওঁঠ বুলি কৈছে।

**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, সমষ্টিটো উন্নয়ণৰ নামত কিছু সমস্যা হৈছিল। কিয় হৈছিল এতিয়া কওঁ। মোৰ যদি মনত পৰে আগতে যি গৰাকী বিধায়ক আছিল তেখেতে দহ বছৰ কেৱল সোনতলীৰ কথাই ক'লে। কেতিয়াওঁ মেঘালয় সীমান্তৰ কথা কোৱা নাই। মই ১৫ বছৰৰ পৰা বিধায়ক হৈ আছো। ...... interruption.....

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, তেখেত মিছা কথা কৈ আছে। ...... interruption.....

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য, আপুনি বহক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, এই পিংপং গৰাকীক বহি থাকিবলৈ দিয়ক। বেলেগৰ কথাত জঁপিয়াই থাকে। আগতে ***** আমি এতিয়া মানুহ হ'লো। ***** আমিবোৰ আগতে মানুহ হ'লো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, আপুনি চৰকাৰী মানুহে কথাটো ক'লে নুশুনে যেন লাগিছে। ...... interruption..... এইটো ক'ব পাৰি নে নোৱাৰি ?

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য, আপুনি কিয় উঠি আছে ? আপুনি ইয়াৰ ওপৰত objection দিয়ক, appeal কৰক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, এইটো অধ্যক্ষ ডাঙৰীয়াৰ নিয়মেৰে কৰাব লাগে। মই কোৱাৰ আগতে আপুনি কৰিব লাগে।

**মাননীয় অধ্যক্ষ :** আপুনি appeal কৰক। আপুনিতো appeal কৰা নাই। আপুনি মোক appeal কৰিব লাগিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মই কোৱাৰ আগতে আপুনি কৰিব লাগে। তেখেতে যিটো কথা কৈছে এনেকুৱা লাগিছে যে তেখেতে civilized হোৱাই নাই। আজিকালি এনেকুৱা কথা ক'লে সমাজৰ পৰাই খেদি দিয়ে। তেখেতে uncivilized কথা কৈছে। এইটো প্ৰচিডিঙৰ পৰা উঠাই ল'ব লাগে। তেওঁৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

---

***** Expunged as orderd by the Chair

**মাননীয় অধ্যক্ষ :** মাননীয় সদস্য, আপুনি বহক।

**শ্ৰী পীয়ূষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, কি ভুল কথা ক'লো ? **<u>বান্দৰৰ</u>** পৰাই মানুহ হৈছে। Civilization and Evolution এইটোৱেই।

**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**মাননীয় অধ্যক্ষ :** আপোনালোক বহক। খুজি যে কিল খায়, আমি এই কথাষাৰ জানো। মাননীয় সদস্য ৰাজু মেছ ডাঙৰীয়াই কৈ আছিল আৰু ইয়াৰ ওপৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব বিচাৰিছে। আপুনি মাজতে কিয় উঠি দিয়ে ?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে এনেকুৱা শব্দ ব্যৱহাৰ কৰিব পাৰে নেকি ?

**মাননীয় অধ্যক্ষ :** মই খুজি কিল খোৱা কথাটো ক'লো। মোৰ কথাটো এতিয়াও শেষ হোৱা নাই। শব্দটো অসংসদীয় নহয়। শব্দটোৰ প্ৰয়োগ ভুল অথবা অসংসদীয় হ'ব পাৰে। সেয়েহে শব্দটোৰ দ্বাৰা অসংসদীয় ৰূপত প্ৰকাশ পোৱা বাক্যসমূহ Expunge কৰিলো।

এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ দিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়, আপুনি লাজ পালে নে ?

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি :** মাননীয় অধ্যক্ষ মহোদয়, মই লাজ পোৱা নাই। **<u>বান্দৰ</u>**ৰ পৰাই মানুহ হৈছে। তেওঁ পঢ়া-শুনা বেছিকৈ কৰে কাৰণে বেছিকৈ জানে। তেখেত স্বয়ম্ভূ পঢ়া-শুনা কৰা মানুহ। মানুহৰ আগৰ পৰিৱেশ **<u>বান্দৰেই</u>** আছিল। তেখেতে কিয় বেয়া পাব লাগে ? তেখেতে বেছি পঢ়া-শুনা কৰিছে কাৰণে পাহৰি গৈছে। কোটি কোটি বছৰ আগতে মানুহ **<u>বান্দৰেই</u>** আছিল। কিন্তু তেখেতে পাহৰি গৈছে। আপুনি এই শব্দটো **expunge** কৰিছে, মই আপত্তি কৰা নাই। মই কিয় লাজ পাম ? আমি আগতে **<u>বান্দৰেই</u>** আছিলো। মই আগতে মানুহ হ'লো, তেওঁ এতিয়াহে মানুহ হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) :** মাননীয় অধ্যক্ষ মহোদয়, তেওঁ সদনত পুনৰ মোক ****** তেওঁৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। তেওঁক expel কৰক।.......

---

****** Already Expunged by the Chair

**(সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।)**

**মাননীয় অধ্যক্ষঃ** আপুনি বহক, Please। Please, Please। আপুনি প্লিজ বহক। মোৰো পূৰ্বপুৰুষ **<u>বান্দৰ</u>** আছিল। আৰম্ভ কৰক।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এই অঞ্চলটোত অলপ development এতিয়া হৈছিলে। কাৰণ আগৰ বিধায়ক তালৈ গৈ পোৱা নাই। ৰাজু মেছ ডাঙৰীয়াক মই ধন্যবাদ জ্ঞাপন কৰিছোঁ, MLA হৈ তেওঁ তাতে গৈছে। গৈ তাৰ সমস্যাখিনিৰ কথা জানিছে, বুজিছে। তেখেত নতুন বিধায়ক, ছাৰ। গতিকে তেখেতে নিজৰ প্ৰশ্নটোৰ পৰা ফালৰি কাটি গৈ হ'লেও তেখেতৰ সমষ্টিৰ পিছপৰি থকা অঞ্চলটোৰ কথা মানুহক কৈছে, মই বিধানসভাত কৈছে। আচলতে ছাৰ, তেখেতে এই থানাখন কেন্দ্ৰীক ক'ব লাগিছিল। তাতে অন্য আঁচনিৰ কথা ক'ব নালাগিছিলে। কিন্তু নতুন বিধায়ক তেখেতে শিকিব লাগিব। কিন্তু ছাৰ, কৈছে এইটো important। কিন্তু কিয় ক'বলগীয়া হ'ল তাতে ছাৰ, আগতে যোৱা ১০ বছৰত, development-এ suffer কৰিছে। তাৰ বিধায়কগৰাকীয়ে ছাৰ, অকল খুনতলি কথাই কয়। তেতিয়াও ছাৰ, এইফালৰ কথা শুনি নাপালোঁ। যিকিনহওক মই তেখেতৰ উত্তৰটো মই লিখিতভাৱে আছি আইছে মই পঢ়ি দিছোঁ। সন্মানীয় অধ্যক্ষ ডাঙৰীয়া, ওপৰত উল্লেখিত বিষয়ৰ প্ৰসংগত মাননীয় বিধায়ক ৰাজু মেছ ডাঙৰীয়াই বিধি ৩০১ ৰ অধীনত উত্থাপন কৰা জাননীৰ সন্দৰ্ভত কামৰূপ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মহোদয়ে তেওঁৰ পত্ৰযোগে পত্ৰ প্ৰেৰণ কৰে আৰু পত্ৰ প্ৰেৰণ কৰা তথ্যৰ ভিত্তিত প্ৰয়োজনীয় তথ্য তলত দাখিল কৰা হ'ল। মই ৰিটেন পঢ়ি দিছোঁ। এক, অধ্যক্ষ ডাঙৰীয়া, ১৯/০২/২০২০ তাৰিখে বকো আৰক্ষী থানাৰ অন্তৰ্গত উমাওলি প্ৰস্তাৱিত অসম সীমান্ত আৰক্ষী চকী, Assam border outpost নিৰ্মাণ কাৰ্য আৰম্ভ কৰাৰ উদ্দেশ্যে জিলা প্ৰশাসন আৰু অসম আৰক্ষীয়ে স্থানত উপস্থিত হোৱাৰ সময়ত মেঘালয় প্ৰশাসন, মেঘালয় আৰক্ষী আৰু স্থানীয় খাচী বাসিন্দা সকলে উক্ত অঞ্চলক বিতৰ্কিত এলেকা বুলি দাবী কৰি নিৰ্মাণ কাৰ্যত বাধা প্ৰদান কৰে। ফলস্বৰূপে তৎকালীন আইন-শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ফলস্বৰূপে তৎকালীন আইন-শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তাৱিত নিৰ্মাণ কাৰ্য আৰম্ভ কৰা সম্ভৱ নহ'ল। ইয়াৰ পিছত মেঘালয় আৰক্ষীয়ে অসমৰ দাবীকৃত এলেকাৰ অন্তৰ্গত উমাওলি Presbyterian LP বিদ্যালয়ত এটা শিবিৰ স্থাপন কৰে আৰু পৰৱৰ্তী সময়ত তাত এটা সীমান্ত আৰক্ষী চকী স্থাপন কৰে। ২০/০২/২০২০ তাৰিখে কামৰূপ জিলাৰ উপায়ুক্তই পশ্চিম খাচী পাহাৰ জিলাৰ উপায়ুক্ত, মেঘালয়লৈ আনুষ্ঠানিকভাৱে পত্ৰ প্ৰেৰণ কৰি উক্ত বিদ্যালয় চৌহদৰ পৰা মেঘালয় আৰক্ষীৰ শিবিৰ আঁতৰাই নিয়ৰ অনুৰোধ জনায়। পৰৱৰ্তী সময়ত কামৰূপ জিলাৰ অধীক্ষকে ২১/০২/২০২০, ২৪/০২/২০২০, ০১/০৩/২০২০ আৰু ০৫/০৩/২০২০ তাৰিখে দাখিল কৰা প্ৰতিবেদনসমূহত

উক্ত স্থানত মেঘালয় আৰক্ষী আৰু সীমান্ত চকী অব্যাহত উপস্থিতিৰ বিষয়ে উল্লেখ কৰে। ২০২০ চনৰ পৰা বিষয়টো সংশ্লিষ্ট কৰ্তৃপক্ষৰ জ্ঞাত হৈ আছে আৰু সময়ে সময়ে উপযুক্ত কৰ্তৃপক্ষলৈ এই সম্পৰ্কে প্ৰতিবেদন প্ৰকাশ কৰা হৈছে। ০২/০৭/২০২৬ তাৰিখে বকো সমষ্টিৰ মাননীয় বিধায়কে উক্ত স্থান পৰিদৰ্শন কৰে। বৰ্তমানলৈকে অসম, অসমৰ ভিতৰত অৱস্থিত উমাওলি Presbyterian LP বিদ্যালয় মেঘালয় আৰক্ষী সীমান্তৰ আৰক্ষী চকী কাৰ্যকৰী হৈ আছে, অধ্যক্ষ ডাঙৰীয়া। কিন্তু এই বিষয়ে আমি উচ্চস্তৰীয় ক্ষেত্ৰত আমি কৰ্তৃপক্ষক অতি শীঘ্ৰে জনাম। তেখেতলোকে যাতে তেখেতলোকৰ মাটি লৈকে তেখেতলোকৰ থানাখন লৈ যায়, তাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিবলৈকে আমি কাম আৰম্ভ কৰিছোঁ। নিশ্চয়কৈ এই কাম অধ্যক্ষ ডাঙৰীয়া কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** Thank you. সদন অহা ৯ জুলাই, ২০২৬ ৰ পুৱা ৯:৩০ বজালৈ স্থগিত ৰখা হ'ল।